● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

পুৰা চিন্তা কৰক। দুপৰীয়া কাম কৰক। সন্ধিয়া খাদ্য গ্ৰহণ কৰক আৰু নিশা শুই যাওক।

উইলিয়াম ব্লেক
*ইংৰাজ কবি*



www.dainikagradoot.in

৭ গণশিল্পী সাম্যবাদী নেতা বিষ্ণু প্ৰসাদ ৰাভা
১৫ দবা অলিম্পিয়াডৰ শিখা মুকলি প্ৰধানমন্ত্ৰীৰ
৪ বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধান নহ'ব কিয়?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৫০তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৫ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২০ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 20 June 2022 মূল্য ঃ ৯.০০ টকা

## এই অস্থিৰতাই আমাক ক'লৈ নিব?

■ প্ৰাঞ্জলসেন ডেকা

**দেশত** সম্প্ৰতি যি ধৰণৰ অস্থিৰতাৰ সৃষ্টি হৈছে তাকে লৈ শান্তিপ্ৰিয় নাগৰিকসকল গভীৰভাৱে উদ্বিগ্ন হৈ পৰিছে। এনে অস্থিৰতাই আমাক ক'লৈ নিব তাক লৈও আশংকাৰ সৃষ্টি হৈছে। প্ৰতিদিনে কিবা নহয় কিবা এটা বিতৰ্কই দেশৰ পৰিস্থিতি উত্তপ্ত কৰি ৰাখিছে। এই কথা ঠিক যে বিতৰ্ক সুস্থ গণতন্ত্ৰৰ এক অপৰিহাৰ্য উপাদান; কিন্তু সি কি আৰু কাৰ উদ্দেশ্য পূৰণ কৰিছে সেয়াও বিচাৰ্য। *১০ পৃষ্ঠাত চাওক*

■ বানত ৰাজ্যৰ ১,০৭,৩৭০.৪৩ হেক্টৰ কৃষিভূমি বিনষ্ট ■ পথাৰতে পচিল পকা ধান ■ পাচলি উৎপাদনত মাধমাৰ দ্বিতীয় বানত ■ দুগুণলৈ বৃদ্ধি শাক-পাচলিৰ মূল্য ■ মূৰে-কপালে হাত কৃষকৰ

# কৃষিৰ অভাৱনীয় ক্ষতি ঃ দুৰ্ভিক্ষৰ শংকা



*বাগ্‌সা জিলাৰ ধমধমা-খাটিকুছি দলংসহ পথ খহাই নিলে বানপানীয়ে, দেওবাৰে।*

■ শ্বিলং-পশ্চিমবংগ-উত্তৰ ভাৰতৰ পৰা আমদানি কৰা পাচলিৰ সুযোগ লৈ অবাধ মূল্যবৃদ্ধি

ষ্টাফ ৰিপ'ৰ্টাৰ


গুৱাহাটী, ১৯ জুন ঃ বছৰৰ দ্বিতীয়টো প্ৰলয়ংকৰী বানে ৰাজ্যত দুৰ্ভিক্ষৰ আশংকা প্ৰকট কৰিছে। তাৰ প্ৰতিচ্ছবি ইতিমধ্যে পৰিলক্ষিত হৈছে বজাৰত। আজি পৰ্যন্ত এই বানত যি ৩৩ খন জিলা আক্ৰান্ত হৈছে, তাৰ ভিতৰত ৰাজ্যবাসীক ধানৰ পৰা আৰম্ভ কৰি পাচলি যোগান ধৰা আটাইকেইখন জিলা আছে। জিলাসমূহৰ সমগ্ৰ খেতিপথাৰ বাঢ়নী পানীয়ে ইতিমধ্যে নষ্ট কৰিছে। ইয়াৰ ফলত ধানখেতিৰ লগতে পাচলিৰ পথাৰ সম্পূৰ্ণৰূপে উছন গৈছে। মাত্ৰ এমাহ পূৰ্বে অহা প্ৰথমটো বানতে ধাননি পথাৰৰ বিস্তৰ ক্ষতিসাধন হয়। বানপানীৰ বাবেই কৃষকে পথাৰৰ পকা ধানো চপাব নোৱাৰিলে। ফলস্বৰূপে হেজাৰ হেজাৰ বিঘা ভূমিৰ ধান খেতি পথাৰতে নষ্ট হয়। একাংশ খেতিয়কে পূৰঠ নোহোৱা সত্ত্বেও পানীত বুৰ মাৰি সামান্য পৰিমাণে ধান চপায়; কিন্তু সেই ধান শুকাবলৈ নৌপাওঁতেই দ্বিতীয়টো বানৰ প্ৰকোপ আৰম্ভ হয়। গতিকে অধিকাংশ খেতিয়কে লোকচানৰ ভৰত মূৰে কপালে হাত দিব লগা হৈছে। বিক্ৰী বাদেই, বছৰটো নিজে খোৱাৰ জোখাৰেও ধান চপাবলৈ এইবাৰ সক্ষম নহ'ল কৃষকসকল। তাৰ পাছতে সম্পূৰ্ণৰূপে নষ্ট হয় পাচলিৰ খেতি। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য *দুই পৃষ্ঠাত চাওক*

■ ৩৩ খনলৈ বৃদ্ধি বানাক্ৰান্তৰ জিলাৰ সংখ্যা-বন্যাৰ্তৰ সংখ্যা বৃদ্ধি ৪২,২৮,১৫৭ জনলৈ ■ কালৰূপ দ্বিতীয়টো বানৰ ■ নতুন নতুন স্থানত ছিঙিছে মথাউৰি ঃ কাজিৰঙাও কবলত

## ৰাজ্যত মৃত-সন্ধানহীনৰ সংখ্যা ২৩লৈ বৃদ্ধি

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৯ জুন ঃ বছৰৰ দ্বিতীয়টো বানে ৰাজ্যত কালৰূপ ধাৰণ কৰিছে। এসপ্তাহ উকলাৰ পাছতো বানৰ প্ৰকোপ হ্ৰাস হোৱাটো বাদেই নতুন নতুন জিলালৈ সম্প্ৰসাৰিতহে হৈছে। আজি বানাক্ৰান্ত জিলাৰ সংখ্যা ৩৩ খনলৈ বৃদ্ধি হয়। তাৰ সমান্তৰালকৈ বন্যাৰ্তৰ লগতে মৃত আৰু সন্ধানহীন লোকৰ সংখ্যাও বৃদ্ধি হৈছে। ক্ষয়ক্ষতিৰ



মাত্ৰাও অভাৱনীয় ৰূপত বৃদ্ধি হৈছে। নতুন নতুন জিলাত বানে ধাৰণ কৰিছে কালৰূপ। হুৰাহুৰে বৃদ্ধি পোৱা পানীত বুৰ গৈছে গাঁও, নগৰ, চহৰৰ ইটোৰ পাছত সিটো চুবুৰী। আকাল হৈছে খোৱাপানী টুপিৰো। কোনোদিনে বানৰ লগত পৰিচয় নথকা পৰিয়ালকো বানে গ্ৰাস কৰাত অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। আজি ৰাজ্যত বানাক্ৰান্ত জিলাৰ সংখ্যা *দুই পৃষ্ঠাত চাওক*

## ৰঙিয়াত বাঢ়নী পানীত উটি গৈ সন্ধানহীন দুই কিশোৰ

ডিমাকুছিত মাছ মাৰিবলৈ যোৱা শিশুৰ সলিল সমাধি

**অগ্ৰদূত বাৰ্তা**

**টংলা/ৰঙিয়া, ১৯ জুন ঃ** ৰাজ্যত চলিত বানৰ বিভীষিকাৰ মাজতে প্ৰাণ হেৰুৱাইছে বহু লোকে। আজিও ইয়াৰ ব্যতিক্ৰম নহ'ল। ওদালগুৰি জিলাৰ ডিমাকুছিত এটি শিশুৰ সলিল সমাধি ঘটাৰ লগতে কামৰূপ জিলাৰ ৰঙিয়াত সন্ধানহীন হ'ল দুজনকৈ কিশোৰ। এই ঘটনাই আজি দুয়োটা *১০ পৃষ্ঠাত চাওক*

■ অনিল-নবীন নগৰত নতুন আতংক ■ বাৰম্বাৰ অভিযোগকো গুৰুত্ব নিদিয়ে জিএমচিয়ে ■ যিকোনো মুহূৰ্তত ভাঙি পৰাৰ আশংকা

## মহানগৰীত ভৰলুৰ সুৰক্ষা বেৰ নিশকতীয়া হৈ বৈছে ধাৰাসাৰ পানী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ জুন ঃ** প্ৰবল কৃত্ৰিম বানে জুলা-কলা কৰা মহানগৰীৰ অনিল নগৰ-নবীন নগৰলৈ আন এক বিপদ মাতি আনিছে স্বয়ং গুৱাহাটী পৌৰ নিগমে। কাৰণ অঞ্চল দুটাৰ মাজেৰে বৈ যোৱা ভৰলুৰ দুয়োপাৰৰ সুৰক্ষা বেৰ সম্পূৰ্ণৰূপে নিশকতীয়া হৈ পৰিছে। তাৰ ফলত আজি সেই বেৰৰ তলৰ ফালে সৃষ্টি হোৱা অজস্ৰ ফাঁকেৰে নদীৰ পানী হুৰাহুৰে অঞ্চল দুটালৈ সোমাই আহে। ইয়াৰ পূৰ্বেও এনে ঘটনা সংঘটিত হৈছিল। যাৰ বাবে দুয়োটা অঞ্চলৰ *১০ পৃষ্ঠাত চাওক*



## অৰুণাচলত ভয়াৱহ ডাৱৰ বিস্ফোৰণ, সোঁতে উটুৱাই নিলে পৰিয়াল

কে'বাখনো দোকান উটি গ'ল ঃ শতাধিক আবদ্ধ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৯ জুন ঃ** অৰুণাচলত মুষলধাৰ বৰষুণ আৰু ডাৱৰ বিস্ফোৰণৰ ফলত এটা পৰিয়াল পানীত উটি যোৱাৰ তথ্য আজি প্ৰকাশ পাইছে। উক্ত ডাৱৰ বিস্ফোৰণৰ ফলত ওৰাং, কালেকটাং, ছেৰ গাঁও, ৰূপা টেঙা সংযোগী পথটোৰ বৃহৎ অংশ ধ্বংসস্তূপত *১০ পৃষ্ঠাত চাওক*

■ কামাখ্যা গেটত প্ৰকাণ্ড শিলসহ মাটি খহি দীৰ্ঘ সময় ধৰি বন্ধ হৈ পৰিল ৰেলৰ চলাচল

## মহানগৰীত পুনৰ চাৰিটা স্থানত ভূমিস্খলন, কথমপি প্ৰাণৰক্ষা বহু লোকৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ জুন ঃ** আজি পুনৰ একেলেথাৰিয়ে মহানগৰীৰ চাৰি স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। অৱশ্যে এই ঘটনাত কোনো লোক হতাহত নহ'লেও কথমপিহে প্ৰাণ ৰক্ষা পৰে বহু লোকৰ। ভূমিস্খলনৰ ফলতহে গুৱাহাটীত ৰেলৰ চলাচলো *১০ পৃষ্ঠাত চাওক*



## পদোন্নতিৰ তিনিদিন পাছতে আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ আত্মহত্যা

**ষ্টাফ ৰিপ'ৰ্টাৰ/ অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/লখিমপুৰ, ১৯ জুন ঃ** যোৰহাটৰ টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত চেলেংহাট আৰক্ষীৰ চকীৰ ভাৰপ্ৰাপ্ত বিষয়া *১০ পৃষ্ঠাত চাওক*



## অধ্যাপকৰ পদোন্নতিৰ জাননীহে জাৰি হ'ল, পৰৱৰ্তী প্ৰক্ৰিয়া স্থবিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ জুন ঃ** অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকালয়ে ১৯ ফেব্ৰুৱাৰীত প্ৰাদেশিকীকৃত বিভিন্ন মহাবিদ্যালয়ত কৰ্মৰত ৪১৫ গৰাকী *১০ পৃষ্ঠাত চাওক*


## কৰ্ণাটকত চুৰি কৰি অনা ১০ লাখৰ সোণ জব্দ দলগাঁৱত

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ১৯ জুন ঃ** বহিঃৰাজ্যত শ্ৰম কৰিব গৈ চুৰি কৰি অনা বৃহৎ পৰিমাণৰ সোণ আজি দলগাঁও আৰক্ষীয়ে শ্ৰমিকজনৰ গৃহৰ পৰা উদ্ধাৰ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি *১০ পৃষ্ঠাত চাওক*

## ক্ৰমাৎ বানৰ ভয়ংকৰ ৰূপ তিনি শতাধিক গাঁৱৰ তিনি লক্ষাধিক আক্ৰান্ত নগাঁৱত

বিপদসীমাৰ ওপৰেদি বৈছে কলং ■ কাজিৰঙা-লাওখোৱা-বুঢ়াচাপৰি অভয়াৰণ্য বানৰ কবলত



**বিশেষ সংবাদদাতা**


**নগাঁও, ১৯ জুন ঃ** নগাঁও জিলাৰ বান পৰিস্থিতি ক্ৰমাৎ ভয়াৱহ হৈ উঠিছে। বিশেষকৈ কামপুৰত বান পৰিস্থিতি অধিক জটিল হৈ পৰিছে। কপিলী আৰু বৰপানী নদীৰ বাঢ়নী পানীয়ে কামপুৰ, ৰহা আৰু নগাঁও সদৰ ৰাজহ চক্ৰৰ ন ন অঞ্চল বুৰাই পেলোৱাত বান পৰিস্থিতি ক্ৰমশঃ জটিল হৈ পৰিছে। আনহাতে, ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে জিলাখনৰ ভুৰবন্ধা, *১০ পৃষ্ঠাত চাওক*

## গেৰুৱা মণ্ডলত সোমালেও বতৰ ফৰকাল নহয়, ঠাই বিশেষে প্ৰবল বৰষুণ অব্যাহত

গুৱাহাটীত ২৪ জুনৰ পৰা ধাৰাসাৰ বৰষুণৰ সম্ভাৱনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৯ জুন ঃ** অতিৰিক্ত প্ৰবল বৰষুণৰ বাবে সমগ্ৰ অসমক বতৰ বিজ্ঞান কেন্দ্ৰই 'ৰেড জ'ন'ত অন্তৰ্ভুক্ত কৰাৰ পাছত আজিৰ পৰা তাতকৈ কম বিপজ্জনক 'গেৰুৱা মণ্ডল'ৰ তালিকাভুক্ত কৰিছে। ইয়াৰ ফলত অতিৰিক্ত বৰষুণৰ মাত্ৰা কমিলেও ৰাজ্যত দুৰ্বল হোৱা নাই প্ৰবল বৰষুণৰ পৰিৱেশ। বৰঝাৰস্থিত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২৪° |
| ডিব্ৰুগড় | ২৭° | ২৩° |
| দিল্লী | ৩৩° | ২৬° |
| কলকাতা | ৩৩° | ২৭° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৭° | ২০° |
| শ্বিলং | ২১° | ১৮° |

১৯ জুন, ২০২২

## চেঙা তেল




*অগ্নিপথ! আন নহ'লেও আঁচনিখনৰ নামটো ঠিকেই দিছিল যেন পাও!*

■ প্ৰতিকূল বতৰত বাণ থিয়েটাৰৰ একাংক নাট প্ৰতিযোগিতা বাতিল

## কলাগুৰুৰ স্মৃতি দিৱসৰ প্ৰাকক্ষণত বানত ডুবিল সমাধিস্থল 'সমন্বয় ক্ষেত্ৰ'

**ষ্টাফ ৰিপ'ৰ্টাৰ,**

**তেজপুৰ, ১৯ জুন ঃ** সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ২০ জুনৰ ৫৪সংখ্যক স্মৃতি দিৱসৰ প্ৰাক্‌মুহূৰ্তত তেজপুৰৰ গেৰেকীস্থিত সমাধিস্থল 'সমন্বয় ক্ষেত্ৰ' ডুব গৈছে বানত। ফলস্বৰূপে 'সমন্বয় ক্ষেত্ৰ'ত কাইলৈ ৰাভা দিৱসৰ কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰতো প্ৰশ্নচিহ্ন লাগি পৰিছে। মহাবাহু ব্ৰহ্মপুত্ৰ আৰু মৰাভৰলীৰ পাৰৰ এই 'সমন্বয় ক্ষেত্ৰ'ৰ সন্মুখৰ পথত অঞ্চলটোৰ *১০ পৃষ্ঠাত চাওক*



## শ্মশানতো পানী তেজপুৰত সম্পূৰ্ণ নহ'ল মৃত কিশোৰৰ শেষকৃত্য

ভোকে-পিয়াহে পানীত আবদ্ধ বহু পৰিয়াল



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৯ জুন ঃ** বানে গৰকা শোণিতপুৰৰ চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঁহবাৰী ডেকাচুবুৰীত পানীৰ বাবে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিব নোৱাৰা এক হৃদয়বিদাৰক ঘটনা পোহৰলৈ আহিছে। সম্প্ৰতি ঘগৰা নৈৰ বাঢ়নী পানীৰ বাবে একাকাৰ হৈ আছে ডেকাচুবুৰীৰ লগতে কাষৰীয়া অঞ্চলসমূহ। *১০ পৃষ্ঠাত চাওক*

■ নাৱৰ স'তে তিনি কিলোমিটাৰ উটি যোৱা পাঁচজনক উদ্ধাৰ কৰিলে এজন লোকে ■ বজাৰলৈ অহা অৱস্থাতে দুৰ্ঘটনাত পতিত

## ডিব্ৰুগড়ৰ ৰহমৰীয়াত ভয়ংকৰ নাও দুৰ্ঘটনাত সন্ধানহীন চাৰিজন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৯ জুন ঃ** ভয়ানকভাৱে বাঢ়ি অহা ভৰ ব্ৰহ্মপুত্ৰত আজি সংঘটিত এক নাও দুৰ্ঘটনাত চাৰিজন লোক সন্ধানহীন হয়। ডিব্ৰুগড় জিলাৰ ৰহমৰীয়াত আজি পুৱা সংঘটিত এই দুৰ্ঘটনাত নাৱৰ স'তে উটি যোৱা আন পাঁচজন লোকক জীৱন্তে



উদ্ধাৰ কৰা হয়। ৰহমৰীয়া পলসভঙা চাপৰিৰ পৰা বালিজান ঘাটলৈ এখন টুলুঙা নাৱত আহি থকা অৱস্থাতে এই দুৰ্ঘটনা সংঘটিত হয়। ঘন কুঁৱলীৰ মাজত টুলুঙা নাওখন লুইতৰ প্ৰৱল সোঁতৰ কবলত পৰাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি ধাৰণা *১০ পৃষ্ঠাত চাওক*

■ বৰপেটা সত্ৰৰ বান পৰিস্থিতি পৰিদৰ্শন জলসম্পদ মন্ত্ৰী পীযুষৰ

## বেঁকী নৈৰ খহনীয়া ৰোধৰ বাবে ডেৰশ কোটি মুকলি

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/ বঙাইগাঁও/শালবাৰী, ১৯ জুন ঃ** জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি চিৰাং, বাগ্‌সা আৰু বৰপেটা জিলাৰ কে'বাটাও স্থান ভ্ৰমণ কৰি বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে খহনীয়া প্ৰতিৰোধৰ কামৰ বুজ লয়। মন্ত্ৰীজনে আজি পুৱা বিজনীৰ বিধায়ক অজয় কুমাৰ ৰয়ৰ স'তে সমষ্টিটোৰ অন্তৰ্গত বাঘৰগাঁও আৰু এক নম্বৰ বিষ্ণুপুৰ অঞ্চলত উপস্থিত হৈ নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে হাতত লোৱা কাৰ্যসূচী সম্পৰ্কে বুজ লয়। ইয়াৰ পৰা পোনে পোনে বাগ্‌সা জিলাৰ এলেংমাৰি অঞ্চলত উপস্থিত হৈ বেঁকী নদীয়ে সৃষ্টি কৰা খহনীয়াৰ বুজ লয় আৰু বিভাগীয় বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা দিয়ে। *১০ পৃষ্ঠাত চাওক*



## পুনৰ ছিগিল পাগলাদিয়াৰ মথাউৰি

**হাজো-নলবাৰী, হাজো-বৰপেটা পথ আৰু দমদমা-ডিমু পথ বন্ধ**

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৯ জুন ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ বিশেষকৈ উত্তৰ হাজোৰ বান পৰিস্থিতি বৰ্তমানে অধিক শোচনীয় হৈছে। বৰলীয়া, পাগলাদিয়া-পুঠিমাৰি নৈৰ ভগ্ন মথাউৰিৰে হোৱাহোৰে সোমাই অহা বাঢ়নী পানীয়ে বিগত চাৰিদিনে উত্তৰ হাজো অঞ্চলৰ লক্ষাধিক লোকৰ মাজত তাণ্ডৱ চলাই থকাৰ সময়তে যোৱা নিশা হাজোৰ কঠালঘোপাত পুনৰ পাগলাদিয়া নৈৰ মথাউৰি ছিঙাৰ *দুই পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২০ জুন, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

## টুমুকি পঞ্চায়তৰ সচিবে সভানেত্ৰীৰ অজ্ঞাতে দিছিল সুৰাৰ আপত্তিবিহীন প্ৰমাণ পত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৯ জুন ঃ** বিহগুৰিৰ টুমুকি গাঁও পঞ্চায়তৰ সচিব শংকৰ চন্দ্ৰ পণ্ডিতে পঞ্চায়ত সভানেত্ৰীৰ অজ্ঞাতে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সন্মুখত সুৰাৰ বিপণী তথা পানশালা স্থাপনৰ বাবে আপত্তিবিহীন প্ৰমাণ পত্ৰ দিয়াৰ অভিযোগ উঠিছে। সম্প্ৰতি ইয়াকে লৈ স্থানীয় লোকৰ ৰোষত পৰাত আজি চন্দ্ৰ শৰ্মা স্মৃতি ভৱনত অনুষ্ঠিত ৰাজহুৱা সভাত সচিব পণ্ডিতে বিষয়টো স্বীকাৰ কৰে। সমাজকৰ্মী দিলীপ বৰাৰ সভাপতিত্বত আঠ পৃষ্ঠাত চাওক

## নগৰবেৰা-হেকৰা সংযোগী পথ ডুবি যাতায়াত ব্যাহত

## ভয়াবহ বানৰ কবলত বকোৰ একাধিক অঞ্চল



**আলোপতি, ১৯ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত একাধিক অঞ্চল শেহতীয়াকৈ বানৰ কবলত পৰিছে। কে'বাদিনৰ পৰা হোৱা মুষলধাৰ বৰষুণৰ ফলত ফেনে ফোটোকাৰে জলজলী নৈৰ পানী বাঢ়িবলৈ ধৰাত সম্প্ৰতি আঠ পৃষ্ঠাত চাওক

## মঙলদৈ চহৰত বান পৰিস্থিতি ক্ৰমাৎ উন্নত ঃ আপোন ঘৰখনলৈ ঢাপলি বন্যাৰ্তৰ

# আজিও বন্ধ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ

### শিক্ষানুষ্ঠানসমূহ পুনৰ তিনিদিন বন্ধ ঘোষণা প্ৰশাসনৰ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১৯ জুন ঃ** একেৰাহে কে'বাদিনো হোৱা নেৰানেপেৰা বৰষুণৰ ফলত মঙলদৈ চহৰত সৃষ্টি হোৱা বান পৰিস্থিতি আজি ভালেখিনি উন্নত হোৱাৰ লগে লগে আপোন ঘৰখন থান থিত লগাবলৈ ঢাপলি মেলিছে বানাক্ৰান্তসকল। তিনিদিন ধৰি বানে সংহাৰী ৰূপ ধাৰণ কৰাৰ পাছত চহৰখনৰ দুই এটা অট্টালিকা অথবা আত্মীয়ৰ ঘৰত আশ্ৰয় লৈ থকা আৰু বিচ্ছিন্ন হৈ পৰা লোকসকলে আজি নিজৰ সপোনৰ ঘৰখনলৈ গৈ চাফ-চিকুণ কৰা পৰিলক্ষিত হয়। কেতিয়াও বানৰ লগত সহবাস কৰি নোপোৱা বা অভিজ্ঞতা নথকা লোকসকলে এই প্ৰতিবেদকৰ আঠ পৃষ্ঠাত চাওক



*বানে প্লাৱিত কৰা হাজোত কলৰ ভূৰত কণমানি সন্তানক লৈ নিৰাপদ স্থানলৈ, দেওবাৰে।*

## আতংকিত সৰ্বসাধাৰণ

## ঢেকিয়াজুলি আৰু বৰছলাত বান-খহনীয়াৰ সংহাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৯ জুন ঃ** শোণিতপুৰৰ ঢেকিয়াজুলিত বেলশিৰি নৈৰ লগতে চপাই নৈয়ে হাহাকাৰ অৱস্থাৰ সৃষ্টি কৰিছে। আনহাতে, সমষ্টিটোৰ ধিৰাইমুখ, পীৰাকাটা কছাৰী আদিত বানৰ সংহাৰত ত্ৰাসিত হৈ ৰাইজে নিৰাপদ স্থানত আশ্ৰায় লৈছে। ইপিনে, এই বানৰ সময়তে লোক নিৰ্মাণ বিভাগৰ অধীনত চলা কামৰ ব্যাপক দুৰ্নীতিও পোহৰলৈ আহিছে। উল্লেখ্য আঠ পৃষ্ঠাত চাওক

## লংকা-লামডিং সংযোগী ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনাগ্ৰস্ত খেলুৱৈ দলৰ বাহন

### আহত হ'ল ২০ জন ফুটবলাৰ

**অগ্ৰদূত বাৰ্তা**

**লংকা, ১৯ জুন ঃ** লংকা-লামডিং ৰাষ্ট্ৰীয় ঘাই পথত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত আজি ফুটবল দল এটাৰ প্ৰায় ২০ জন খেলুৱৈ আহত হয়। আহত খেলুৱৈসকলক লংকা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ আনে। যদিও তেওঁলোকৰ পাঁচজনৰ অৱস্থা গুৰুতৰ হোৱা বাবে হোজাইলৈ প্ৰেৰণ কৰা হয়। প্ৰাপ্ত তথ্য অনুসৰি, আজি লামডিঙৰ ছেলিছ কোচিং চেন্টাৰ ফুটবল দলৰ আঠ পৃষ্ঠাত চাওক

## নগাঁৱৰ আৰক্ষীৰ জালত চাৰি নকল সোণৰ ব্যৱসায়ী



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ জুন ঃ** নগাঁও আৰক্ষীৰ জালত পৰিল নকল সোণৰ ব্যৱসায়ী আৰু সৰবৰাহকাৰী। নগাঁও আৰক্ষীয়ে আজি পুৱা এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত নগাঁও চহৰৰ সমীপৰ কাটিমাৰীত অভিযান চলাই এই নকল সোণৰ ব্যৱসায়ী কেইজনক বৃহৎ পৰিমাণৰ নকল সোণৰ স'তে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নগাঁও নগৰ আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া অচ্যুত ফুকনৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে কাটিমাৰীত অভিযান চলাই নকল সোণসহ এই চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে আঠ পৃষ্ঠাত চাওক

■ ৰাজহ চক্ৰ বিষয়াৰ তৎপৰতাত আশ্ৰয় শিবিৰত সাহায্য পশু খাদ্য যোগানৰ দিহা ■

■ ৭২ খন ৰাজহ গাঁৱৰ কৃষকৰ কঠীয়া পানীৰ তলত থকাত মূৰে কপালত হাত কৃষকসমাজৰ ■

## ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ ৮১ খন গাঁৱৰ ৫৮,২১৪ জন লোক বানাক্ৰান্ত



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৯ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকা, যোগান মন্ত্ৰী যোগেন্দ্ৰ মহনে বানাক্ৰান্ত ৰাইজৰ লগতে পশুখাদ্য, শিশুখাদ্য আদিৰ যাতে কোনো ধৰণৰ নাটনি নহয় তাৰ বাবে জিলা উপায়ুক্ত, স্থানীয় ৰাজহ চক্ৰ বিষয়াসকলক চোকা নজৰ ৰাখিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ পৰিপ্ৰেক্ষিতত নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৮১ খন গাঁৱৰ প্ৰায় আঠ পৃষ্ঠাত চাওক

## টাংনী নদীত জাহ গ'ল এখন প্ৰাথমিক বিদ্যালয়ৰ চৌহদৰ পকী বেৰ

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ১৯ জুন ঃ** ৰাজ্যত নেৰা নেপেৰা বৰষুণৰ ফলত নৈ উপনৈ সমূহৰ জলপৃষ্ঠ ওফন্দি উঠিছে। দৰঙৰ দলগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত এক-দুই নম্বৰ বৰুৱাঝাৰ গাঁৱত বানৰ সংহাৰী ৰূপ দেখা গৈছে। গাঁওখনৰ মাজেৰে যোৱা টাংনী নদীৰ বাঢ়নী পানীয়ে এক -দুই নম্বৰ বৰুৱাঝাৰ প্ৰাথমিক বিদ্যালয়খন খহাই নিয়াৰ উপক্ৰম হৈছে। চকুৰ সন্মুখতে খহি পৰিল বিদ্যালয়ৰখনৰ চৌহদৰ দেৱাল। বিগত দুটা বছৰ ধৰি শিক্ষা বিভাগ তথা জিলা প্ৰশাসন আৰু স্থানীয় প্ৰতিনিধিক কাকুতি মিনতি কৰিও একো ফল পোৱা নাই। যাৰ ফলত এতিয়া নৈৰ বুকুত জাহ যাবলৈ গৈ আছে বিদ্যাৰ মন্দিৰখন। বিদ্যালয়ৰ প্ৰধান শিক্ষক নাজিমুদ্দিন আহমেদে এই ক্ষেত্ৰত ক্ষোভ প্ৰকাশ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাত যাতে কোনো বাধা নহে তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ইফালে, বোঁৱতী নৈখনৰ প্ৰৱল খহনীয়াত গাঁওখনৰ বৃহৎ অংশ জাহ আঠ পৃষ্ঠাত চাওক

## বিপদসংকুল কাঠৰ দলঙৰে শিক্ষাৰ্থীৰ ভয়ংকৰ যাত্ৰা

## চান্দপুৰ ৰাইজে স্বাধীনতাৰ পাছতো নাপালে পকী দলং



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৯ জুন ঃ** চিৰাং জিলাৰ চিদলী উন্নয়ন খণ্ডৰ গৰুভাষা ভিচিডিচিৰ অন্তৰ্গত চান্দপুৰ আদিবাসী অঞ্চলত চৰকাৰৰ সুদৃষ্টি নপৰাত ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত হাহাকাৰ লাগিছে। তথ্য মতে চান্দপুৰ ৰাইজে স্বাধীনতাৰ পাছতো নাপালে পকী দলং। চান্দপুৰ মৰাভূৰ নদীৰ ওপৰত এখন পকী দলং নিৰ্মাণ কৰিবলৈ বহু আবেদন-নিবেদন কৰিছিল যদিও চৰকাৰে কোনো গুৰুত্ব নিদিলে। ইয়াৰ পাছত যিখন চৰকাৰ আহিছে আৰু গৈছে কিন্তু চান্দপুৰ ৰাইজৰ সমস্যা সমস্যা হৈয়ে আছে। স্থানীয় ৰাইজে দীৰ্ঘদিন ধৰি দাবী জনাই অহাৰ পাছতো অঞ্চলটোত এখন আঠ পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত অসম চৰকাৰৰ কেন্দ্ৰীয় ৰাভা দিৱস

### ■ বিষ্ণুপ্ৰসাদ ৰাভা বঁটাকে ধৰি ১৩ টাকৈ ৰাষ্ট্ৰীয়-ৰাজ্যিক বঁটা চৌকিডিঙী খেলপথাৰত বৃহৎ আয়োজন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৯ জুন ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ডিব্ৰুগড়ত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত হ'ব বিষ্ণু ৰাভা দিৱস'। ডিব্ৰুগড়ৰ চৌকিডিঙী খেলপথাৰত বিশাল আয়োজন। ২০২২ বৰ্ষৰ বিষ্ণু ৰাভা বঁটা লগতে অসমৰ কলা-সংস্কৃতি, সমাজ আৰু সাহিত্য জগতলৈ অমূল্য অবদান আগবঢ়াই অহা ১৪ গৰাকী স্বনামধন্য ব্যক্তিক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰদান কৰিব বঁটা। অনুষ্ঠানত তিনিটা ৰাষ্ট্ৰীয় আৰু ১০টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰে সন্মানিত কৰা হ'ব। ৰাষ্ট্ৰীয় বঁটা হিচাপে কালিচৰণ ব্ৰহ্ম বঁটা, কৃষ্ণকান্ত সন্দিকৈ বঁটা আৰু আজান পীৰ বঁটা প্ৰদান কৰাৰ লগতে ৰাজ্যিক পৰ্যায়ৰ বঁটাসমূহ হ'ল আঠ পৃষ্ঠাত চাওক

## বৰভাগত খাদ্য সামগ্ৰীৰ হাহাকাৰ ঃ পশুধনৰ দুখ লগা ছবি

## নলবাৰী জিলাত ৩৩১ গাঁৱৰ ২.৩৫ লাখ লোক আক্ৰান্ত

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৯ জুন ঃ** নলবাৰী জিলাৰ জটিল বান পৰিস্থিতি আজি কিছু কিছু ঠাইত সামান্য উন্নত হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ বিপৰীতে বৰক্ষেত্ৰীৰ কুৰিহাত বান পৰিস্থিতিয়ে আজিও জটিল ৰূপ ধাৰণ কৰি আছে। অঞ্চলটোৰ কুৰিহাকে ধৰি ঘোৰাথাল, গলদীঘলা, চুঙাৰবড়ী আৰু ৰান্ধনীপাৰা অঞ্চলত আজিও বান পৰিস্থিতি উন্নত নোহোৱাত বন্যাৰ্ত লোকসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ঘৰ-বাৰী, কৃষিভূমি আঠ পৃষ্ঠাত চাওক

## চামগুৰিত মন্ত্ৰীৰ কনভয়ৰ খুন্দাত যুৱকৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ১৯ জুন ঃ** কৃষিমন্ত্ৰী অতুল বৰাৰ তীব্ৰ বেগী কনভয়ৰ খুন্দাত চামগুৰিত আজি দুপৰীয়া এজন যুৱকৰ মৃত্যু হয়। মৃত যুৱকজন চামগুৰি আউনীআটী খুটাৰকান শাখা সত্ৰৰ নিবাসী দিলীপ দাস আৰু কাঞ্চন দাসৰ পুত্ৰ মানস প্ৰতিম দাস (৩১)। চাৰিশাৰী যুক্ত ৩৭ নম্বৰ ঘাইপথত সংঘটিত হোৱা দুৰ্ঘটনাটোত আঠ পৃষ্ঠাত চাওক

## পঘাৰে আঁটি আঁটি বান্ধি ৰাভাক টানি আনিছিল চৰকাৰী যন্ত্ৰই

## চৰাইঘাটৰ বালি চাপৰিত আজিও প্ৰতিধ্বনিত হয় বিষ্ণু ৰাভাৰ খোজৰ শব্দ



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৯ জুন ঃ** আজি ২০ জুন। আজি বিষ্ণু ৰাভা দিৱস। সময় বহু বাগৰিল, কিন্তু চৰাইঘাটৰ পুৰণি জাহাজঘাটৰ লগতে ইয়াৰ বানে ধোৱা বালি চাপৰিত আজিও প্ৰতিধ্বনিত হৈ ৰ'ল বিষ্ণু ৰাভাৰ খোজৰ শব্দ। জাহাজ ঘাটতো পুৰণা হ'ল। জহিখহি গ'ল। বহু ঠায়ো সলালে। কিন্তু থাকি গ'ল সেই যুগমীয়া সাঁচ। ১৯৬২তে তেতিয়াৰ চৰকাৰী যন্ত্ৰই কলিয়াবৰৰ শিলঘাটৰ বালিয়েদিয়েই একপ্ৰকাৰ টানি-আঁজুৰি লৈ গৈছিল অসমীয়াৰ জাতীয় জীৱনৰ এইগৰাকী সংগ্ৰামী সত্তা বিষ্ণু ৰাভাক। ব্ৰিটিছ নগৰী তথা তাহানিৰ চৰাইঘাট আৰু আজিৰ শিলঘাটত যেন আঠ পৃষ্ঠাত চাওক

অসম চৰকাৰ

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ মৃত্যু দিৱস

২০ জুন, ২০২২

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱলৈ
তেখেতৰ পবিত্ৰ মৃত্যু দিৱসত
অসমবাসীৰ হৈ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম



জনসংযোগ/ডি/৫৬০৪/২২

অসম বাৰ্তা স্লাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি হোৱাটছএপ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us @diprassam diprassam.gov.in

দৈনিক অগ্রদূত

গুৱাহাটী, সোমবাৰ ৪ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২০ জুন ২০২২

## অগ্নিপথ আঁচনি

**কেন্দ্ৰীয়** আৰু ৰাজ্য চৰকাৰে শিক্ষা, স্বাস্থ্য আৰু অন্যান্য, বিভাগত ঠিকাভিত্তিক নিযুক্তিৰ ব্যৱস্থা প্ৰচলন কৰাৰ পাছত এইবাৰ দেশখনৰ সামৰিক সেৱাতো ঠিকাভিত্তিক নিযুক্তিৰ যো-জা চলাইছে। এনেদৰে ঠিকাভিত্তিক নিযুক্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰে অলপতে অগ্নিপথ নামেৰে এক আঁচনি ঘোষণা কৰিছে। এই আঁচনি অনুসৰি ১৭ বছৰ ছয় মাহ বয়সৰ পৰা ২১ বছৰ বয়সৰ যিকোনো ব্যক্তি এই আঁচনিৰ জৰিয়তে সামৰিক সেৱাত আবেদন কৰিব পাৰিব। চাৰি বছৰ চাকৰি কৰাৰ পাছত এইসকলৰ ভিতৰৰ ২৫ শতাংশ যুৱক-যুৱতীক নিয়মীয়া নিযুক্তি দিয়া হ'ব বুলি এই আঁচনিত কোৱা হৈছে।

ইতিমধ্যে সমগ্ৰ দেশতেই এই আঁচনিৰ বিৰুদ্ধে আন্দোলন আৰম্ভ হৈছে। সামৰিক সেৱাত স্থায়ী নিযুক্তি দিয়াৰ বাবে আন্দোলনকাৰীসকলে দাবী জনাইছে। উল্লেখযোগ্য যে অগ্নিপথ আঁচনিৰে সাময়িকভাৱে ঠিকাভিত্তিক নিযুক্তি দিয়া যুৱক-যুৱতীসকলে পেঞ্চনকে ধৰি অৱসৰৰ পাছত নিয়মীয়াকৈ পোৱা সকলো সা-সুবিধাৰ পৰা বঞ্চিত হ'ব।

ইতিমধ্যে দেশখনৰ বিভিন্ন প্ৰান্তত এই আঁচনিখনৰ বিৰুদ্ধে চলা আন্দোলনে হিংসাত্মক ৰূপ লৈছে। তেলাংগানা ৰাজ্যত ইতিমধ্যে পুলিচৰ গুলিত এগৰাকী ব্যক্তি নিহত হৈছে। উত্তৰ প্ৰদেশ আৰু বিহাৰত কে'বাখনো ৰেলগাড়ী আৰু বাছ জ্বলাই দিছে আন্দোলনকাৰীসকলে। আন্দোলনকাৰীসকলৰ মতে এনেধৰণৰ সামৰিক বাহিনীত হ্ৰস্বকালীন নিযুক্তিৰ ব্যৱস্থাই দেশখনৰ যুৱক-যুৱতীসকলক হতাশ কৰি তুলিব।

ইতিমধ্যে সামৰিক বাহিনীত এনে ধৰণৰ হ্ৰস্বকালীন নিযুক্তিৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত গোচৰো তৰিছে কোনো কোনোৱে। জনৈক বিশাল তিৱাৰী নামৰ অধিবক্তাই এনে ধৰণৰ অগ্নিপথ আঁচনিয়ে দেশখনৰ নিৰাপত্তা ব্যৱস্থাত পেলাব পৰা প্ৰভাৱ অধ্যয়ন কৰাৰ বাবে এক বিশেষজ্ঞ কমিটী গঠনৰ বাবে আবেদন কৰিছে। চাৰি বছৰ অগ্নিপথ আঁচনিৰ জৰিয়তে নিযুক্তি পোৱাৰ পাছত মাত্ৰ ২৫ শতাংশ যুৱক-যুৱতীয়েহে সামৰিক বাহিনীত স্থায়ী নিযুক্তি পাব। বাকী ৭৫ শতাংশ যুৱক-যুৱতীৰ ভৱিষ্যৎ অনিশ্চয়তাত নিমজ্জিত হ'ব।

সামৰিক বাহিনীৰ অৱসৰপ্ৰাপ্ত কে'বাগৰাকীও উচ্চ বিষয়াই এই আঁচনি সন্দৰ্ভত মত প্ৰকাশ কৰি কৈছে যে এনেধৰণৰ ঠিকাভিত্তিক আঁচনিয়ে আমাৰ দেশখনৰ নিৰাপত্তা ব্যৱস্থাত বিৰূপ প্ৰভাৱ পেলোৱাটো নিশ্চিত। চৰকাৰে অগ্নিপথ আঁচনি ঘোষণাৰ পাছত জনসাধাৰণৰ মাজত হোৱা প্ৰতিক্ৰিয়াৰ পাছত কৈছে যে অগ্নিপথ আঁচনিত চাৰি বছৰ সম্পূৰ্ণ কৰাৰ পাছত সামৰিক বাহিনীত স্থায়ী নিযুক্তিৰ বাবে বাছনি নোহোৱা ১০ শতাংশ যুৱক-যুৱতীৰ বাবে অন্যান্য চাকৰিত সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব। আনহাতে, কেন্দ্ৰীয় সামৰিক বাহিনী আৰু পুলিচ বাহিনীত অগ্নিপথ আঁচনিৰ যুৱক-যুৱতীৰ নিযুক্তিৰ বাবে তিনি বছৰ বয়স ৰেহাই দিয়া হ'ব। সি যি কি নহওক কেন্দ্ৰীয় চৰকাৰৰ এনেবোৰ ঘোষণাই দেশখনৰ যুৱক-যুৱতীসকলক আশ্বস্ত কৰিব পৰা নাই।

ব্যক্তিগত কৰ্প'ৰেট খণ্ডৰ দৰে লাভালাভৰ দৃষ্টিৰে চৰকাৰী খণ্ডত ঠিকাভিত্তিক নিযুক্তিয়ে দেশখনৰ স্বাস্থ্য, শিক্ষা আৰু অন্যান্য খণ্ডত নেতিবাচক প্ৰভাৱ পেলাইছে। এনেদৰে সামাজিক নিৰাপত্তা নথকা চাকৰিয়ে দেশখনৰ নিৰাপত্তা ব্যৱস্থালৈ ভাবুকি কঢ়িয়াই অনাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

## বান-গৰাখহনীয়াই অসমৰ জনসাধাৰণৰ জীয়াই থকাৰ নিশ্চয়তা নোহোৱা কৰি দিছে

# বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধান নহ'ব কিয় ?

**পানীৰ পৰিমাণৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ পৃথিৱীৰ অন্যতম বৃহৎ নদী। ভাৰতৰ পানী সম্পদৰ ৩০ শতাংশ ব্ৰহ্মপুত্ৰত আছে আৰু দেশৰ মুঠ জলবিদ্যুৎ উৎসৰ ৪১ শতাংশ ব্ৰহ্মপুত্ৰতে আছে।**

দৃষ্টিপাত
অনন্ত কলিতা

**এইবাৰ** অসমত চতুৰ্দিশে প্ৰলয়ংকৰী বানপানী, ভূমিস্খলনৰ, গৰাখহনীয়াই বিভীষিকাৰ সৃষ্টি কৰিছে। ডিমা হাচাও জিলাত বানপানী আৰু ভূমিস্খলনে সংহাৰী ৰূপ ধাৰণ কৰিছে। বোকা-শিলে পুতি পেলাইছে হাফলং ৰে'লৱে ষ্টেচন। উজনিৰ পৰা নামনিলৈ বিভিন্ন অঞ্চলৰ জনসাধাৰণে ঘৰ-বাৰী-হেৰুৱাই সৰ্বস্বান্ত হৈ মথাউৰি বা আন ওখ ঠাইত আশ্ৰয় লৈছে। বিজেপি চৰকাৰে ২০১৬ত অসম চৰকাৰৰ গাদী দখল কৰাৰ দিনৰে পৰা ঘোষণা কৰি আছে অসমক বানমুক্ত কৰিব। ২০১৬ৰ বিধানসভাৰ নিৰ্বাচনৰ সময়ত প্ৰকাশ কৰা 'অসম দৃষ্টিপত্ৰ ২০১৬-২০২৫' নিশ্চিত আশ্বাস দিছিল অসমৰ বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধ কৰিব। ২০২১ৰ বিধানসভা নিৰ্বাচনৰ সময়ত প্ৰকাশ কৰা '১০ সংকল্প'টো প্ৰতিশ্ৰুতি দিছিল বানমুক্ত অসম গঢ়াৰ। জনসাধাৰণে ৫০ বছৰৰো অধিক কাল ধৰি দাবী কৰি আছে অসমৰ বান-গৰাখহনীয়া সমস্যা ৰাষ্ট্ৰীয় সমস্যা বুলি ঘোষণা কৰিবলৈ। আজিলৈ কোনো এখন কেন্দ্ৰীয় চৰকাৰে অসমৰ বান-গৰাখহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা বুলি ঘোষণা নকৰিলে। বিজেপি চৰকাৰেও ঘোষণা কৰিছে অসমৰ বান-গৰাখহনীয়া ৰাষ্ট্ৰীয় সমস্যা নহয় এই সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰহে দায়বদ্ধ। বিজেপি চৰকাৰৰ যোৱা সময়ছোৱাৰ বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ প্ৰতি আবণ্টন বা ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ আবণ্টনবোৰৰ পৰ্যালোচনাই প্ৰতিফলিত কৰে বিজেপি চৰকাৰখনৰ অসমৰ বান-গৰাখহনীয়া সমস্যা সমাধানৰ কোনো আন্তৰিকতা নাই আৰু কেতিয়াও এই সমস্যাক ৰাষ্ট্ৰীয় সমস্যা বুলি ঘোষণা কৰি সমাধানৰ বাবে সৰ্বাত্মক মেগা প্ৰকল্প এটা গ্ৰহণ নকৰে। ৩০য৪০ বছৰ আগতে প্ৰতি বছৰে পৃথিৱীৰ বিভিন্ন ঠাইত, যেনে— চীন দেশত প্ৰলয়ংকৰী বানপানী হোৱাৰ খবৰ প্ৰকাশিত হৈছিল, বৰ্তমান তেনেধৰণৰ খবৰ প্ৰকাশিত নহয়। বিশ্বৰ সকলো দেশতে নিয়মীয়াকৈ হোৱা বানপানীক সেই দেশৰ চৰকাৰবোৰে নিয়ন্ত্ৰণ কৰিছে। বৰ্তমান বিশ্বৰ কোনো এখন দেশত বা ঠাইত কোনো এটা বছৰত হয়টো বিশেষ প্ৰাকৃতিক দুৰ্যোগৰ ফলত বানপানী হ'ব পাৰে, কিন্তু নিয়মীয়াকৈ প্ৰতি বছৰে বানপানী ক'তো নহয়। বিশ্বৰ ভিতৰত অসমে এখন ঠাই য'ত প্ৰতি বছৰে প্ৰলয়ংকৰী বান-গৰাখহনীয়াই তাণ্ডৱৰ সৃষ্টি কৰে।

প্ৰতি বছৰে সমগ্ৰ অসমতে নহ'লেও ৰাজ্যখনৰ এক বৃহৎ অঞ্চলক বান আৰু গৰাখহনীয়াই ক্ষতিগ্ৰস্ত কৰে। ভাৰতৰ আন ৰাজ্যবোৰতো বানপানী হয়; কিন্তু প্ৰতি বছৰে নহয় কোনো এটা বছৰতহে বা কাচিৎহে হয়। অসমত প্ৰত্যেক বছৰতে বানপানী হয়। তদুপৰি অসমত গৰাখহনীয়া এটা বিধ্বংসকাৰী সমস্যা যিটো সমস্যা দেশৰ আন ৰাজ্যবোৰত এনেধৰণৰ মাৰাত্মক নহয়। ইয়াৰ উপৰিও প্ৰতি বছৰে বহু হেজাৰ হেক্টৰ খেতিৰ মাটি তিনি-চাৰি ফুট বালিয়ে পুতি পেলাই খেতিৰ অনুপযোগী কৰি তোলে। যোজনা আয়োগৰ তথ্যমতে অসমৰ ৯২.৬ শতাংশ অৰ্থাৎ অসমত দেশৰ ভিতৰতে অধিকতম খেতিৰ মাটি বানপানীপ্ৰৱণ।

অসমৰ অৰ্থনৈতিক উন্নয়নৰ তথা দৰিদ্ৰ নিবাৰণৰ বাবে চৰকাৰবোৰে যিমানেই আশ্বাস নিদিয়ক সেইটো সম্ভৱ নহয়, বান আৰু গৰাখহনীয়াৰ নিয়ন্ত্ৰণ অবিহনে। দেশৰ ৬৮.৮৪ শতাংশৰ বিপৰীতে অসমৰ ৮৫.৯২ শতাংশ গাঁৱলীয়া লোক আৰু এই লোকসকল মূলতঃ কৃষি আৰু কৃষি আনুষংগিক অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল। অসমৰ বান আৰু গৰাখহনীয়া সমস্যাই কৃষি আৰু কৃষি আনুষংগিক অৰ্থনীতিৰ মুখ্য অন্তৰায়। তদুপৰি ৰাস্তা-ঘাট-দলং, বিদ্যুৎ, জলসিঞ্চন ব্যৱস্থা, মীন মহল গো-পালন আদি আন্তঃগাঁথনিৰ সৰ্বস্ব বানে ধ্বংস কৰি দিয়ে। অসমৰ বিজেপি চৰকাৰে ক্ষুদ্ৰ, মজলীয়া উদ্যোগ স্থাপনৰ নীতি নিৰ্ধাৰণ কৰিছে, কিন্তু বানে সম্পূৰ্ণ আন্তঃগাঁথনিয়ে ধ্বংস কৰি দিলে তথা উদ্যোগক্ষেত্ৰবোৰ বানপানীয়ে ধ্বংস কৰি দিলে, উদ্যোগ হ'ব কেনেকৈ? অসমত পৰ্যটন উদ্যোগৰ বাবে প্ৰিয়ংকা চোপ্ৰাক ম'ডেল নিয়োগ কৰিছিল, কিন্তু ৰাস্তা-ঘাটেই নাথাকিলে পৰ্যটন উদ্যোগৰ উন্নয়ন হ'ব কেনেকৈ? ১৯৫০ৰ পৰা ২০০০লৈ ৰাজ্যখনৰ মুঠ মাটিকালিৰ ৭.৪০ শতাংশ অৰ্থাৎ ৪.২৭ লাখ হেক্টৰ মাটি নদীয়ে খহাই নিছে। বছৰি গড়ে ৮০০০ হেক্টৰ মাটি নদীৰ বুকুত জাহ যায়। বিশ্বৰ ভিতৰতে অসমত নদীৰ সংখ্যা হেনো অধিক। ১৭৯৮ত ড° জে পি গুৱাৰ নামৰ এগৰাকী বিশেষজ্ঞই এইদৰে মন্তব্য কৰিছিল— 'As far as my information, reading or collection extends, this country (Assam) exceeds every other in the universe of similar extends in the number of river.' পানীৰ পৰিমাণৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ পৃথিৱীৰ অন্যতম বৃহৎ নদী। ভাৰতৰ পানী সম্পদৰ ৩০ শতাংশ ব্ৰহ্মপুত্ৰত আছে আৰু দেশৰ মুঠ জলবিদ্যুৎ উৎসৰ ৪১ শতাংশ ব্ৰহ্মপুত্ৰতে আছে। এই পটভূমিত অসমৰ অৰ্থনৈতিক উন্নয়নৰ তথা আন্তঃগাঁথনি উন্নয়নৰ যিমানেই আঁচনি গ্ৰহণ নকৰক অসমত ব্ৰহ্মপুত্ৰ নদী বৈজ্ঞানিকভাৱে নিয়ন্ত্ৰণ কৰি বান আৰু গৰাখহনীয়া নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে অসমৰ অৰ্থনৈতিক উন্নয়নো নহ'ব আৰু জনসাধাৰণৰ আৰ্থিক অৱস্থা উন্নত হৈ দৰিদ্ৰ অৱস্থাৰ পৰা মুক্ত নহ'ব। অসমৰ অৰ্থনৈতিক উন্নয়নৰ মুখ্য অন্তৰায় হ'ল বান-গৰাখহনীয়া।

১৯৫০ৰ ভূমিকম্পৰ ফলত ব্ৰহ্মপুত্ৰৰ নদীৰ তলি ওপৰলৈ উঠি অহা বাবে সেই বছৰৰ পৰা অসমত প্ৰতি বছৰে প্ৰলয়ংকৰী বানে আৰু গৰাখহনীয়াই অসমক আক্ৰমণ কৰি আহিছে। ১৯৪৭ত অসমৰ বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে মথাউৰি নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। বিজ্ঞানসন্মতভাৱে পৰ্যালোচনা নকৰাকৈ নদীৰ দুয়োৰপাৰে বান্ধ দি নদীৰ পানী গাঁৱত সোমাব নোৱাৰাৰ ধাৰণাৰে অভিযন্তাসকলৰ উপদেশ মতে চৰকাৰে বহু হেজাৰ কোটি টকাৰে নদীবোৰৰ দুয়োপাৰে মথাউৰি নিৰ্মাণ কৰিছিল। কিন্তু ব্ৰহ্মপুত্ৰকে ধৰি অসমৰ নদীবোৰে পানীৰ লগত গেদীয় সামগ্ৰী (Sediments) কঢ়িয়াই আনে। গেদীয় সামগ্ৰী কঢ়িয়াই অনা বিশ্বৰ নদীবোৰৰ ভিতৰত ব্ৰহ্মপুত্ৰ গেদীয় সামগ্ৰী কঢ়িয়াই অনা অন্যতম মুখ্য নদী। ব্ৰহ্মপুত্ৰই প্ৰতি বছৰে প্ৰতি



কিলোমিটাৰত ১৫১৩টন গেদীয় সামগ্ৰী কঢ়িয়াই লৈ আহে। বিশেষজ্ঞসকলৰ মতে ১৯৭৮ৰ পৰা ১৯৯১লৈ পঞ্চৰত্ন (গোৱালপাৰা) ৫২৭ নিযুত টন আৰু পাণ্ডু (গুৱাহাটী)ত ৪০২ নিযুত টন গেদীয় বস্তু জমা হৈছে। সেইদৰে ব্ৰহ্মপুত্ৰৰ প্ৰত্যেকটো উপনদীয়ে গেদীয় সামগ্ৰী কঢ়িয়াই আনে। নদীবোৰৰ বিশেষকৈ উপনদীবোৰৰ দুয়োপাৰে মথাউৰি নিৰ্মাণ কৰা বাবে গেদীয় সামগ্ৰীবোৰ (শিল, মাটি, বালি-পলস) নদীৰ বুকুত আৰু দুয়ো মথাউৰিৰ মাজত জমা হৈ গৈছে। বৰ্তমান নদীৰ তলি আৰু দুয়ো মথাউৰিৰ মাজৰ ঠাইখিনি গাঁওবোৰতকৈ ন্যূনতম দহ ফুট ওখ। মোৰ গাঁওখন পাগলাদিয়া নৈৰ পাৰত। পাগলাদিয়া নদীৰ মথাউৰি গাঁৱৰ ফালৰ পৰা চালে ১৫ ফুট ওখ আৰু নদীৰ ফালৰ ফালে চালে অতি বেছি পাঁচ ফুট ওখ। অৰ্থাৎ এতিয়া নদীৰ তলি গাঁওবোৰতকৈ ওখ হৈ গৈছে। এনে পৰিস্থিতিত পানীৰ সাধাৰণ ধৰ্ম ওখৰ পৰা নামনিলৈ বৈ আহে। গতিকে গাঁওবোৰতকৈ ওখ ঠাইৰে নদীবোৰ মথাউৰি বান্ধি বোৱাই নিয়া সম্ভৱ নহয়। মথাউৰি ভাঙিবই আৰু বছৰে বছৰে দুয়ো মথাউৰি মাজৰ ঠাইখিনি ওখ হৈ গৈ থাকিব। সেইবাবে অসমৰ মথাউৰি সম্পূৰ্ণ বিজ্ঞানসন্মত নহয় আৰু বাস্তৱো নহয়। মথাউৰি বন্ধা দিনৰে পৰা বানপানীৰ ধ্বংসলীলা হ্ৰাস পোৱাৰ সলনি বৃদ্ধিহে হৈছে। ২০০২ত অৰ্থনীতিবিদ কিৰীট শান্তিলাল পাৰিখৰ নেতৃত্বত এটা বিশেষজ্ঞ দলক দেশৰ পৰিকল্পনা আয়োগে অসমৰ অৰ্থনৈতিক উন্নয়ন আৰু বান সমস্যা অধ্যয়ন কৰিব দিছিল আৰু আয়োগে এইদৰে চুপাৰিছ কৰিছিল, "ৰাজনীতিবিদ আৰু আমোলাসকলৰ সহযোগত নদী-জলাশয় বিজ্ঞান (Hydrology) বুজি নোপোৱা চিন্তাশক্তিহীন অভিযন্তাসকলে আৰু অধিক মথাউৰি নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ বন্ধ কৰিব লাগিব। সমস্যাটো সমাধানৰ বাবে পৰিকল্পনা গ্ৰহণৰ কাৰণে সমাজবিজ্ঞানী, পৰিৱেশ বিজ্ঞানী আৰু ভূগোল বিশাৰদসকলক অন্তৰ্ভুক্ত কৰিব লাগিব, অন্যথা বান সাহায্যৰ ধন আৰু মথাউৰি নিৰ্মাণৰ ধন দুয়োটাই দুৰ্নীতিপৰায়ণ আৰু এই প্ৰকল্পৰ লগত জড়িত দুষ্টচক্ৰই আত্মসাৎ কৰিব, অসম উপত্যকাৰ বানপানীৰ বাবে মৃত্যু আৰু প্ৰলয় চলি থাকিব।" ('The Government must ban further construction of embankments by unthinking engineers, supported by politicians and officials, who do not understand the hydrology of the river. It should also include social scientist, environmentalists and geographers in developing strategies to deal with the situation. Otherwise both flood relief and fund meant for 'embankments' are likely to go only to the corrupt and well connected, and death and devastation in the Assam valley will continue.' (Assam Development Report, 2002. Planning Commission, Government of India, Page XI para 34)। পৰিকল্পনা আয়োগে সঠিকভাৱেই কৈছে মথাউৰিৰ দ্বাৰা বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ বিপৰীতে অধিকহে হৈছে বানপানীৰ তাণ্ডৱ আৰু মথাউৰি তথা বান-সাহায্যৰ নামত দুৰ্নীতিপৰায়ণ আমোলা-ৰাজনীতিবিদ আৰু প্ৰকল্পবোৰৰ লগত জড়িত দুষ্টচক্ৰই পুঁজিবোৰ আত্মসাৎ কৰি আছে। বানপানীৰ বাবে অনেক লোক অতিশয় ধনী হৈ পৰিছে। যোৱা ২০ মে'ৰ (২০২২) দিনা জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই ঘোষণা কৰিছে যে ব্ৰহ্মপুত্ৰৰ শিলঘাট অঞ্চলত গৰাখহনীয়া প্ৰতিৰোধ কৰিবলৈ এচিয়ান ডেভেল'পমেণ্ট বেংকে ৩,৭০০ কোটি দিছে। কথাটো হ'ল পৰিকল্পনা আয়োগে কোৱা ধৰণে ধনবোৰ খৰচ হ'ব, কিন্তু অসমৰ বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে সৰ্বাংগীন বা সৰ্বাত্মক মেগা প্ৰকল্প এটা বাস্তৱায়িত নকৰিলে এনেকুৱা ধৰণৰ বিক্ষিপ্ত আঁচনি ৰূপায়ণৰে বান-গৰাখহনীয়া নিয়ন্ত্ৰণ নহয়, যিদৰে এনেধৰণৰ আঁচনিৰ দ্বাৰা আগতেও হোৱা নাছিল।

পৰিকল্পনা আয়োগে তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ হাতত প্ৰতিবেদনখন দাখিল কৰিছিল। তৰুণ গগৈয়ে কিজানি পঢ়িয়ে নাচালে। প্ৰকৃততে কংগ্ৰেছ চৰকাৰকে ধৰি কোনো চৰকাৰৰে সদিচ্ছা নাই অসমৰ বান-গৰখহনীয়া সমস্যা সমাধান কৰিবলৈ। যোজনা আয়োগে কোৱাৰ দৰেই এই সমস্যাটো জীয়াই ৰাখিছে দুৰ্নীতিপৰায়ণ দুষ্টচক্ৰটোৰ আৰু ৰাজনীতিবিদসকলৰ ধন ঘটাৰ উৎস হিচাপে। আজিৰ বিশ্বত বিজ্ঞান-প্ৰযুক্তিৰ বৈপ্লৱিক উন্নয়নৰ যুগটোত অসমৰ বান-গৰাখহনীয়া সমস্যা সমাধান কৰাৰ প্ৰকল্প এটা তৈয়াৰ কৰাটো মুঠেই অসম্ভৱ কথা নহয়। চীন দেশে যিদৰে হোৱাংহো নদীৰ ক্ষেত্ৰত প্ৰকল্প তৈয়াৰ কৰি হোৱাংহোক নিয়ন্ত্ৰণ কৰিছে, অসমৰ বান সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে পৰিগণিত কৰি বিভিন্ন বিশেষজ্ঞৰ অধ্যয়নৰে এটা বহুমুখী মেগা প্ৰকল্প তৈয়াৰ কৰি ৰূপায়ণ কৰিলে অসমৰ বান সমস্যা সমাধান হ'লহেঁতেন। হোৱাংহো নদীৰেও ব্ৰহ্মপুত্ৰৰ নিচিনা ৬০০০ কোটি ঘনমিটাৰ পানী বছৰি বৈ যায় আৰু ১৬০ কোটি টন গেদীয় পদাৰ্থ কঢ়িয়াই আনে। নদীখনৰ বানপানীৰ ধ্বংসলীলা এনেকুৱা আছিল যে চীন দেশত হোৱাংহোক 'চীনৰ চকুলো' বুলিছিল। বৰ্তমান চীন চৰকাৰে এখন শক্তিশালী বিশেষজ্ঞ কমিটিৰ দ্বাৰা পৰিকল্পনা কৰি ১৭০টা ৰিজাৰ্ভাৰ নিৰ্মাণ কৰি নদীখনক জনগণৰ আশীৰ্বাদত পৰিণত কৰিছে। অকল বান নিয়ন্ত্ৰণেই নহয় বহুমুখী প্ৰকল্পৰে বিদ্যুৎ উৎপাদন, জলসিঞ্চন, মাছ উৎপাদন আদি কাৰ্য্যবোৰ কৰিছে। ব্ৰাজিল, কানাডা, আমেৰিকাতো আমাজান নদী নিয়ন্ত্ৰণ কৰিছে। (The Grand Caulie Dam on the Columbia river covering buth Canada & USA and the country of the Amazan river.)

পৰিৱৰ্তনকামী বিজেপি চৰকাৰখনে দৃঢ় আশ্বাস দিছিল অসমৰ বান সমস্যা সমাধান কৰিম বুলি। অসমৰ প্ৰতি দৰদ দেখুওৱা কেন্দ্ৰৰ বিজেপি চৰকাৰখনে এতিয়া ঘোষণা কৰিছে যে অসমৰ বান সমস্যা জাতীয় সমস্যা নহয় বা কেন্দ্ৰৰ দায়িত্ব নহয়, ৰাজ্য চৰকাৰৰহে দায়িত্ব অসমৰ বান সমস্যা সমাধান কৰাৰ। ইয়াৰ দ্বাৰা প্ৰতিফলিত হয় বিজেপি চৰকাৰখনৰ কোনো সদিচ্ছা নাই অসমৰ বান সমস্যা ৰাষ্ট্ৰীয় সমস্যাত পৰিণত কৰি বিশেষজ্ঞৰ দ্বাৰা অধ্যয়নৰে মেগা প্ৰকল্প এটা গ্ৰহণ কৰি কেন্দ্ৰৰ পুঁজিৰে অসমৰ বান সমস্যা সমাধান কৰাৰ। অসমৰ সমস্যাটো কেন্দ্ৰীয় চৰকাৰখনৰ নহয়, কিন্তু অসমৰ সম্পদবোৰ বিজেপি চৰকাৰখনৰ আৰু সেই সম্পদবোৰ বিজেপি চৰকাৰৰ পুঁজিপতিক বিক্ৰী কৰাৰ অধিকাৰ আছে। বান সাহায্যৰ নামত ভিক্ষা হিচাপে অলপ-অচৰপ সাহায্য দি থাকিব। যোৱা বছৰবোৰত দেখা গৈছে আনকি বান সাহায্যৰ ক্ষেত্ৰতো আন ৰাজ্যবোৰৰ তুলনাত অসমক বৈষম্য কৰে তথা আশ্বাস দিয়া ধনখিনিয়ে নিদিয়ে। অসমৰ বিজেপি ৰাজ্য চৰকাৰখনৰো ৰাজহাড় নাই কেন্দ্ৰৰ ওচৰত দাবী কৰিবলৈ অসমৰ বান নিয়ন্ত্ৰণৰ বাবে এটা মেগা প্ৰকল্পৰে আঁচনিৰ বাবে। এই চৰকাৰখনে সমস্যাটোৰ পৰা ৰাইজৰ দৃষ্টি আঁতৰাই ৰাখিবলৈ নমামি ব্ৰহ্মপুত্ৰকে ধৰি বিভিন্ন পূজা-পাতলহে কৰি থাকে। বৰ্তমান হেনো গৃহমন্ত্ৰী অমিত শ্বাহ আহিব পৰশুৰাম কুণ্ডত ৫১ ফুট ওখ পৰশুৰামৰ মূৰ্তি এটা নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ। বান-নিয়ন্ত্ৰণৰ প্ৰকল্পৰ প্ৰয়োজন নাই পৰশুৰামেই বানপানী নিয়ন্ত্ৰণ কৰি দিব। অসমৰ জনসাধাৰণে বিশেষকৈ সচেতন লোকসকলেও সমস্যাটো অধ্যয়ন কৰাৰ প্ৰয়োজন আছে আৰু বিজ্ঞানভিত্তিক অধ্যয়নৰে মেগা প্ৰকল্প সৃষ্টিৰ দাবীত আন্দোলন গঢ়ি তোলাৰ প্ৰয়োজন। পৰিতাপৰ কথা যে অসমৰ জনসাধাৰণৰ জীয়াই থকাৰ মৌলিক উৎসটোৰ অন্তৰায় আঁতৰ কৰাৰ দাবীত আজিলৈ কোনো ধৰণৰ সৰ্বাত্মক আন্দোলন গঢ়ি উঠা নাই। বান-গৰাখহনীয়াই অসমৰ জনসাধাৰণৰ জীয়াই থকাৰ নিশ্চয়তা নোহোৱা কৰি দিছে। বান-গৰাখহনীয়াৰ বাবে অসমৰ জনসাধাৰণৰ বিলৈ-বিপত্তিৰ সীমা নোহোৱা হৈছে। লাখ লাখ মানুহৰ সপোনৰ ঘৰখন, বাৰীখন, খেতিৰ পথাৰখন, গৰু-গোহালি, শাক-পাচলি, ধান-মাহ সকলো হেৰুৱাই পেলাই পথৰ ভিক্ষাৰী হ'ব লগা হৈছে। অসমৰ বান-গৰাখহনীয়া সমস্যা সমাধান নকৰিলে অৰ্থনৈতিক উন্নয়নৰ আন সকলো আঁচনি অসাৰ। অতি দুৰ্ভাগ্যজনক কথা যে অসমৰ ছাত্ৰ সংস্থাবোৰ, জাতীয়তাবাদী যুৱ সংস্থাবোৰ আৰু আন আন জাতীয় সংগঠনবোৰৰ নেতৃত্বত বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দাবীত আজিলৈ সৰ্বাত্মক আন্দোলন এটা সংগঠিত হোৱা নাই। বান সাহায্য নহয়, মথাউৰি নহয়, অসমৰ বান-গৰখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে প্ৰয়োজন এক বিজ্ঞানসন্মত মেগা প্ৰকল্পৰ দাবী, যিটোত খৰচ হ'ব লাখ কোটি টকা। অসমো ভাৰতৰ অংগ ৰাজ্য। অসম এখন ঔপনিৱেশ নহয়। অসমৰ সমস্যা ভাৰতৰ সমস্যা নহ'ব কিয়? কেন্দ্ৰই অসমৰ সমস্যাৰ সমাধানৰ দায়িত্ব ল'ব লাগিব। দল-মত নিৰ্বিশেষে অসমপ্ৰেমী জাতীয় সংগঠন, বিভিন্ন ৰাজনৈতিক দল মিলি এক সৰ্বাত্মক আন্দোলন সংগঠিত কৰা জৰুৰী অসমৰ বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দাবীত।

*লেখক ষ্টেট বেংক অব্ ইণ্ডিয়াৰ কেন্দ্ৰীয় বোৰ্ডৰ প্ৰাক্তন সঞ্চালক*
*ফোন ঃ ৯৪৩৫০৪১২০৩*

# ৰাভা ভাষাৰ ব্যৱহাৰিক সমস্যা স্বজাতিৰ দায়িত্ব আৰু কৰ্তব্যবোধ

বিশ্বনাথ ৰাভা তাৰা

**বৰ্তমান** সময়ত ৰাভাসকলৰ বিভিন্ন মৌলিক সমস্যাসমূহৰ ভিতৰত উল্লেখনীয় সমস্যা হ'ল ৰাভা ভাষাৰ ব্যৱহাৰিক সমস্যা। লেখক-সাহিত্যিক, সমালোচক, শিক্ষিত-অশিক্ষিত, জ্ঞানী-অজ্ঞানী, ৰাজনীতিবিদ, শিক্ষাবিদ, পাঠক,পণ্ডিত-গৱেষক, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান, সভা-সমিতি, সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান-কাৰ্যালয় আৰু ছপা-বৈদ্যুতিন বা সামাজিক মাধ্যম সকলোতে এতিয়া ৰাভা ভাষাৰ দৈন্য ৰূপ। সকলোৱে নিজৰ ফালে টনা-আঁজোৰা কৰি ৰাভা ভাষাটোৰ বিলৈ বিপত্তিৰ সীমা নোহোৱা কৰিছে। প্ৰকৃততে ৰাভা ভাষাৰ এতিয়া নিজস্ব বৈশিষ্ট্য নোহোৱা কৰি পেলাইছে। আভিধানিক, বৈয়াকৰণিক আৰু পৰিভাষাৰ ক্ষেত্ৰতো দৈন্যৰ প্ৰতিচ্ছবি বাৰুকৈয়ে প্ৰতিফলিত হৈছে। বৰ্তমান জনপ্ৰিয়তাৰ দৌৰত সকলোৱে আগত থাকিবলৈ যেন প্ৰতিযোগিতাত নামিছে। যাৰ পৰিণতিত মূল্যবোধ আৰু ৰুচিবোধক গুৰুত্ব নিদি মুখত যেনি পায় তেনি উচ্চাৰণ কৰা পৰিলক্ষিত হৈছে। মুখপত্ৰ, স্মৃতিগ্ৰন্থ, আলোচনী, পাঠ্যপুথি, ছপাপুথি, নামফলক, গীত-কবিতা পুথি, বাতৰি কাকতৰ শব্দ-বাক্য কিম্বা নবীন-প্ৰবীন, প্ৰতিষ্ঠিত লেখক, সাহিত্যিক, শিল্পী আদিৰ লেখা-উচ্চাৰণ মুঠতে সৰ্বত্ৰে বৰ্তমান ৰাভা ভাষাৰ বিচিত্ৰতা আৰু বিশৃংখল ৰূপ। যাৰ যি মন যায় তেনেকৈয়ে ৰাভা ভাষাটোক ব্যৱহাৰ কৰিছে। চাওঁতাই চাইছে, পঢ়োঁতাই পঢ়িছে। চাওঁতা কিম্বা পঢ়োঁতাই ভুলবোৰ দেখিছে কিন্তু উনুকিয়াই দিওঁতা, শুধৰাওঁতা, দেখুৱাওতা, প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰোঁতা কোনো নাই। নাই মানে কাৰো দায়িত্ববোধ নাই। সহজ, সৰল আৰু শুৱলা ৰাভা ভাষাটোক বহুতে 'ৰিমিক্স' কৰি উচ্চাৰণ কৰাৰ বাবে ভাষাটোৰ মধুৰতা হেৰুৱাবলৈ গৈ আছে। আনহাতে এটা চামে একোটা শব্দ উচ্চাৰণ কৰিবলৈ যাওঁতে এক অদ্ভুত সুৰ সৃষ্টি কৰে। আকৌ আন এটা চামে তথাকথিত 'অসমীয়া ঠাঁচ' (নতুন শৈলী) ৰ এটা শব্দ উচ্চাৰণ কৰি বিকৃত আৰু শ্ৰুতিকটুভাৱে ৰাভা ভাষাটো ব্যৱহাৰ কৰে, যাক শুনিলে সচেতন আৰু নামমাত্ৰ ৰাভা ভাষাজ্ঞান থকা মানুহেও কপালত হাত দিবলগীয়া হয়। বৰ্তমানৰ কিছু সংখ্যক তথাকথিত নবীন-প্ৰবীণ লেখক, সাহিত্যিক আৰু শিল্পীয়ে ৰাতিটোৰ ভিতৰতে বিখ্যাত লেখক, সাহিত্যিক হিচাপে পৰিচয় দিবলৈ লিখা লেখা, 'গ্লেমাৰ'ৰ সৰ্বোচ্চ শিখৰত আৰোহণ কৰিবলৈ বিচৰা এচাম শিল্পীয়ে নিৰ্মাণ কৰা চিডি-ভিচিডি শুনিব নতুবা চাব লাগিলে চকু কপালত উঠা অৱস্থা হয়। উদাহৰণস্বৰূপে— হ'ব লাগে 'চিঙি' ; উচ্চাৰণ কৰে 'ছিঙি'। সেইদৰে হ'ব লাগে 'চিকা', 'হাছং', 'বিছি', 'দুমুক্চি', 'কৌম্বায়', 'কৌনদাম'; কিন্তু লিখাৰ লগতে উচ্চাৰণ কৰে 'ছিকা', 'হাচং', 'বিচি', 'দু'মু'কচি', 'কি'মবায়', 'কি'নদাম' ইত্যাদি ; যিবোৰ অশুদ্ধ । এইবোৰ উদাহৰণ এপাচি শাকত এটা জালুকৰ লেখীয়াহে মাথোঁ। এনেকুৱা অসংখ্য বিকৃতিৰ পংকিলময় অৱস্থাত এতিয়া ৰাভা ভাষাই কক্‌বকাই আছে। ভাষাৰ অস্তিত্ব বিপন্ন হোৱাৰ আশংকাত দিন অতিবাহিত কৰি আছে ৰাভাসকলে। অতীতৰ পৰা বৰ্তমানলৈ ৰাভা ভাষা-সাহিত্যই যি স্বকীয়তা আৰু বিশিষ্টতা বজাই ৰাখি ৰাভা ভাষা-সাহিত্যক চহকী কৰি ৰাখিছে তাৰ ধাৰাবাহিকতা ৰক্ষা কৰাত, পৰিপূৰ্ণতা প্ৰদানত ৰাভাসকল সফল হ'ব পৰা নাই। ফলত মূলগত বৈশিষ্ট্য আৰু স্বকীয়তা বহন কৰা ৰাভা ভাষাই এটা সময়ত নিজৰ পৰিচয় যে হেৰুৱাব সেয়া বহুলাংশে সত্য একমাত্ৰ স্বজাতিৰ অমনোযোগিতাৰ বাবে। শিক্ষাবিদ, মনোবিজ্ঞানী আৰু গৱেষকসকলে প্ৰমাণ কৰিছে যে, মাতৃভাষা হ'ল ভাব প্ৰকাশৰ এটা প্ৰধান আৰু অন্যতম মাধ্যম। তথাপি ৰাভা ভাষাৰ স্বকীয়তা, বৈশিষ্ট্য আৰু প্ৰামাণিক তথ্য উপযুক্ত সমল থকা সত্ত্বেও ৰাভাসকলে ৰাভা ভাষাক 'মান্যভাষা' (Standard Language) প্ৰতিষ্ঠা কৰাত বিফল হৈছে। এয়া একমাত্ৰ ৰাভাসকলৰ সজাগতা, সচেতনতা আৰু আন্তৰিক সদিচ্ছাৰ অভাৱত।

লিখা-মেলা, পঢ়া-শুনা, চৰ্চা আৰু অধ্যয়ন-গৱেষণা নকৰিলে যেনেকৈ এটা ভাষা জীয়াই নাথাকে, ঠিক তেনেকৈ নিজৰ ভাষা, সাহিত্য-সংস্কৃতি আৰু পৰম্পৰা-বিশ্বাস অবিহনে এটা জাতি জীয়াই থাকিব নোৱাৰে। যিমানেই উন্নতি বা আধুনিকতাৰ উচ্চ শিখৰত উপনীত নহওক কিয় এদিন পৰিচয় হেৰুৱাই পেলাবই। স্বজাতীয় লোকৰ অৱহেলা, অমনোযোগিতা আৰু অন্যান্য কাৰকৰ প্ৰভাৱত আজি ৰাভা ভাষাৰ এই দুৰাৱস্থা ; প্ৰায় শিপা হেৰুৱাৰ পথত। ইয়াৰপৰি তাৰ শুদ্ধ ব্যৱহাৰিক দিশত যদি স্বগোষ্ঠীয় লোকে যথোচিত গুৰুত্ব আৰু তৎপৰতা প্ৰদান নকৰে তেন্তে ৰাভা ভাষাটো ডুবন্ত নাৱত যে পৰিণত হ'ব সেৱা অনুমেয়।

ভাষা-সাহিত্যৰ উদ্ধাৰ, প্ৰকাশ, প্ৰচাৰ, প্ৰসাৰ , বিকাশ আৰু সংৰক্ষণৰ ক্ষেত্ৰত সাহিত্য সভা, জাতীয় অনুষ্ঠান তথা প্ৰচাৰ মাধ্যমৰ ভূমিকা অপৰিসীম। মুখপত্ৰ, স্মৃতিগ্ৰন্থ, আলোচনী, পাঠ্যপুথি, ছপাপুথি আদি প্ৰকাশ কৰিবলৈ যাওঁতে সতৰ্কতা অৱলম্বন কৰা দৰকাৰ। দৃশ্য-শ্ৰাব্য তথা সামাজিক মাধ্যমসমূহেও ভাষা ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সতৰ্কতা আৰু দায়িত্ব অৱলম্বন কৰাটো প্ৰথম চৰ্ত। কেৱল মাত্ৰ বাণিজ্যিক স্বাৰ্থ পূৰণ বা সস্তীয়া সুনামৰ বাবে কৰাটোৱে তেওঁলোকৰ লক্ষ্য-উদ্দেশ্য হ'ব নোৱাৰে। তেওঁলোকৰ কৰ্মক্ষেত্ৰত সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক বাতাবৰণ ৰক্ষা কৰাৰ লগতে ভাষাৰ উত্তৰণৰ চেষ্টা কৰাটোও অন্যতম দায়িত্ব। ভাষাৰ সাৱলীলতা আৰু শুদ্ধতাৰ ওপৰত গুৰুত্ব প্ৰদানে ভাষাক বিজতৰীয়া নকৰে। আনকি ইয়াৰ ফলত ভাষাৰ গ্ৰহণযোগ্যতা তথা জনপ্ৰিয়তাহে বাঢ়ে। যদি সাময়িক উত্তেজনা আৰু আৱেগ সৃষ্টিৰে ভাষাক মান্যতা প্ৰদানৰ লগতে জনপ্ৰিয়তা কৰিব বিচাৰে তেন্তে ই স্থায়ী হ'ব নোৱাৰে। এই ক্ষেত্ৰত আমি সকলো সজাগ-সচেতন হ'ব লাগে। ভাষাজ্ঞানৰ অল্পজ্ঞানে সৃষ্টি কৰা ভাষিক সমস্যা দূৰ কৰিবৰ নিমিত্তে নিখিল ৰাভা সাহিত্য সভা, অইন ৰাভা জাতীয় সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষাবিদ, ভাষাবিদ, বুদ্ধিজীৱী, সচেতন ব্যক্তি আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ ফালৰ পৰাও ক্ষেত্ৰ বিশেষে সঘন প্ৰশিক্ষণ, কৰ্মশালা আদিৰ আয়োজন কৰা খুবেই প্ৰয়োজন।

ছপা মাধ্যমৰ শুদ্ধতা ৰক্ষা কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। আমি পঢ়া-শুনা বা দেখা কথা-শব্দবোৰ দুদিনতে পাহৰি যাব পাৰো; কিন্তু ছপা শব্দ বা বাক্যবোৰৰ স্থায়িত্ব অধিক। সেইবাবে ভাষাৰ গতিশীলতা প্ৰদান আৰু শুদ্ধতা ৰক্ষাৰ ক্ষেত্ৰত ছপা মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ছপা মাধ্যমৰ উপভোক্তাক অৰ্থাৎ ছাত্ৰ-ছাত্ৰী, ন-শিকাৰুৰ পৰা গুণী-জ্ঞানী ব্যক্তিলৈকে যদি শুদ্ধ ৰূপত ৰাভা ভাষাৰ জ্ঞান দিব পৰা নাযায় তেতিয়াহ'লে ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰে। ছপাপুথি, পাঠ্যপুথিসমূহৰ ভাষা শুদ্ধ নহ'লে ইয়াৰ ফলৰ প্ৰভাৱ অতি বেয়া। কাৰণ এই ছপাপুথি, পাঠ্যপুথিৰ জ্ঞান অৰ্জন কৰাসকলেই পৰৱৰ্তী সময়ত সমাজক প্ৰতিনিধিত্ব কৰে। কিন্তু বৰ্তমান ছপাপুথি, পাঠ্যপুথিসমূহৰ বাৰেপাচি ভুলে এই দিশত নতুন ভয়, শংকা আৰু চিন্তাৰ উদ্ৰেক কৰিছে। বিশেষকৈ মুখপত্ৰ, স্মৃতিগ্ৰন্থ, আলোচনী, ছপাপুথি, পাঠ্যপুথি, বাতৰি কাকতসমূহত ৰাভা ভাষাৰ শুদ্ধতা আৰু সামঞ্জস্যতা ৰক্ষা কৰাত অধিক সতৰ্কতা অৱলম্বন কৰাৰ লগতে গুৰুত্ব প্ৰদান কৰা নিতান্তই আৱশ্যক। এই ক্ষেত্ৰত সম্পাদনা সমিতি, সম্পাদক, সংকলক, লেখক-সাহিত্যিক, সমালোচক, শিক্ষাবিদ তথা বুদ্ধিজীৱীসকলৰো ৰাভা ভাষাৰ শুদ্ধ ৰূপ প্ৰয়োগ কৰাত দায়িত্ব আৰু কৰ্তব্য অধিক। বৰ্তমান সময়ৰ অইন এটা উল্লেখযোগ্য বিষয় হ'ল সম্পাদনা সমিতি, সম্পাদক, সংকলক বা লেখক-সাহিত্যিকসকলে ন ন ৰাভা শব্দ সৃষ্টিৰে শব্দ প্ৰয়োগৰ ক্ষেত্ৰত নিজস্ব শৈলী সৃষ্টি কৰি লৈছে। আনকি কিছু সংখ্যক লেখক-সাহিত্যিকে, বেবাক ৰাভা ক্ৰৌৰাং ৰুন্চুমৰ আখৰ জোঁটনি আৰু লিপ্যন্তৰ পদ্ধতিমতে লেখনি নিলিখে বা সেই সম্পৰ্কে সম্যক জ্ঞান বা ধাৰণা নাই বাবে সম্পূৰ্ণ নিজ শৈলীৰে লিখে।

**লিখা-মেলা, পঢ়া-শুনা, চৰ্চা আৰু অধ্যয়ন-গৱেষণা নকৰিলে যেনেকৈ এটা ভাষা জীয়াই নাথাকে, ঠিক তেনেকৈ নিজৰ ভাষা, সাহিত্য-সংস্কৃতি আৰু পৰম্পৰা-বিশ্বাস অবিহনে এটা জাতি জীয়াই থাকিব নোৱাৰে।**

বৰ্তমান সময়ত ৰাভা ভাষাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো হৈছে ৰাভা অভিধানৰ ভিন্নতা। ইতিমধ্যে প্ৰকাশিত ৰাভা অভিধানকেইখনৰ মাজত সামঞ্জস্যতাৰ লগতে সমৰূপতা নাই। অভিধানকেইখনত একেটা শব্দৰে ভিন্ন লিখিত ৰূপ দৃশ্যমান। আনকি বানান তথা আখৰ জোঁটনিৰ ক্ষেত্ৰতো সৃষ্টি কৰা পাৰ্থক্যই কোনো এখন অভিধানেই সৰ্বজনগৃহীত হোৱা নাই। আনহাতে ব্যাকৰণগত কাৰণতো কেতিয়াবা শব্দৰ গঠনত ভিন্নতা আহিব পাৰে এয়া সত্য; যদিও এতিয়ালৈ প্ৰকাশিত ৰাভা ব্যাকৰণকেইখনৰ মাজত কোনো মিল নথকাত সৰ্বজন গ্ৰহণযোগ্য ৰাভা ব্যাকৰণ বুলি কোনো এখন ব্যাকৰণ নাই। এনে ক্ষেত্ৰত ভুল-শুদ্ধ বিচাৰ কৰা ব্যৱহাৰোপযোগী শব্দ নিৰ্দ্ধাৰণ কৰাটো জটিল হৈ পৰে। ফলত বৈসাদৃশ্যৰ সৃষ্টি হয়। গতিকে ৰাভা জনজাতিৰ প্ৰথম আৰু প্ৰধান চৰ্ত হ'ল সৰ্বসন্মত তথা সৰ্বজনগৃহীত ৰাভা অভিধান আৰু ৰাভা ব্যাকৰণ প্ৰকাশ কৰা ; যাৰ ভিত্তিত অৰ্থাৎ অভিধান আৰু ব্যাকৰণৰ ফালৰ পৰা এটা শব্দৰ প্ৰকৃত ৰূপ দৈনন্দিন ব্যৱহাৰৰ বাবে নিৰ্দেশনা দিয়া। অনেকৰ মতে ব্যাকৰণৰ ফালৰ পৰা বা অভিধানৰ ফালৰ পৰাও এটা শব্দৰ প্ৰকৃত ৰূপ যিয়েই নহওক কিয় সৰ্বাধিক ব্যৱহৃত আৰু সহজ অপভ্ৰংশটোহে দৈনন্দিন ব্যৱহাৰৰ নিৰ্দেশনা থাকে বুলি ক'ব বিচাৰে। সেইকাৰণে সৰ্বজন ব্যৱহৃত সহজ শব্দৰূপটোক সৰ্বাধিক গ্ৰহণযোগ্যতা প্ৰদানেৰে এক সামঞ্জস্য সৃষ্টি কৰাত গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হয়। যাক ৰাভা ভাষাৰ ক্ষেত্ৰত একাষাৰতে নস্যাৎ কৰিব পাৰি। উদাহৰণস্বৰূপে - হ'ব লাগে 'ৰাছংনেম' (ধন্যবাদ), 'ফুংনেম'(সুপ্ৰভাত), 'ফাৰনেম' (শুভৰাত্ৰি), 'ছাৱামুছা' (ল'ৰা সন্তান), 'ছাৱামেচা' (কন্যা সন্তান), 'নাকে' (লৈ), 'চুকানা' (পৰ্যন্ত), 'পাকে' (সৈতে) ; এইবোৰ শব্দক দৈনিন্দিন ব্যৱহাৰ কৰি থকা হৈছে 'নেমৰাছং', 'নেমফুং', 'নেমফাৰ', 'মুছাছাৱা', 'মেচাছাৱা', 'নেকে', 'চেকেনা', 'পেকে' আদি ভিন্ন শব্দ-ৰূপেৰে যিটো প্ৰকৃততে অশুদ্ধ। আনহাতে এটা নিৰ্দিষ্ট শব্দৰ লিখিত ৰূপক লৈও কেতিয়াবা অভিধান, ব্যাকৰণ, ভাষাবিদ, শিক্ষাবিদ তথা লেখক-সাহিত্যিকসকলৰ মাজত মতবিৰোধ দেখা যায়। যথা - প্ৰকৃত ৰূপ হ'ব লাগে 'তৌক্কাৰ' (ডাইনী), 'কৌনদাম' (পিঠি), 'তৌপায়' (মাটিমাহ), 'তোৱা' (আছে), 'তোংচা' (নাই), 'নোক' (ঘৰ), কিন্তু 'তি'ককাৰ', 'কি'নদাম', 'তি'পায়', 'তংচা' আৰু 'নক' আদি ভিন্ন শব্দৰূপ ব্যৱহাৰ হোৱা দেখা যায়। সেইদৰে হ'ব লাগে 'ছাবা বৌছাৰছিনি বাৰংছিনি' প্ৰথম বাৰ্ষিক অধিৱেশন), 'নিংবা বৌছাৰছিনি বাৰংজিনি' (দ্বিতীয় বাৰ্ষিক অধিৱেশন), 'হাছিবা বৌছাৰছিনি বাৰংজিনি' (দশম বাৰ্ষিক অধিৱেশন), 'ক্ৰোববা জ্বংফ্লাক দুবায় থোক (ষষ্ঠ অনুসূচী দাবী সমিতি), 'ছিক্ৰোববা বৌছাৰছিনি জনম ছানথাৰ' (ষষ্ঠদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস) ; কিন্তু ব্যৱহাৰ কৰে 'ছা থাক্ বৌছাৰছিনি বাৰংজিনি', 'নিং থাক্ বৌছাৰছিনি বাৰংজিনি', 'ক্ৰোব জ্বংফ্লাক দুবায় থোক্', 'ছিক্ৰোব্ থাক্ বৌছাৰ্ জৌতক্ ছানছাৰ্' আদি। যিবোৰ প্ৰকৃতাৰ্থত অশুদ্ধ। গতিকে এনেধৰণৰ দ্বৈধতা, মতবিৰোধ আৰু অশুদ্ধতাসমূহ আঁতৰাব পাৰিলেহে আমি ৰাভা ভাষাৰ শুদ্ধতা ৰক্ষা কৰিব পাৰিম। ইয়াৰ বাবে সকলো পক্ষই শব্দ গাঁথনিৰ ক্ষেত্ৰত থকা ভিন্নমত পৰিহাৰ কৰি একতা প্ৰদৰ্শনেৰে ঐক্যমতত উপনীত হোৱা বাঞ্ছনীয়। ৰাভা অভিধানকেইখনত থকা বিসংগতিপূৰ্ণ শব্দবোৰৰ ক্ষেত্ৰত সমুচিত পদক্ষেপ (সিদ্ধান্ত) গ্ৰহণেৰে এখন সৰ্বজনগৃহীত আৰু পূৰ্ণাংগ ৰাভা অভিধান প্ৰণয়ন কৰিব লাগে যাতে ভাষাৰ ন-শিকাৰুসকলৰ লগতে নবীন-প্ৰবীণ লেখক-সাহিত্যিক, শিক্ষাবিদ, ভাষাবিদ, বুদ্ধিজীৱী তথা গৱেষকসকলেও উজুটি খাবলগীয়া নহয়।

এনেবোৰ দিশত সঠিক প্ৰতিক্ৰিয়া প্ৰকাশৰ লগতে ৰাভা ভাষাৰ বৈশিষ্ট্য, স্বকীয়তা আৰু শুদ্ধতা ৰক্ষা তথা ব্যৱহাৰৰ হকে নবীন-প্ৰবীণ লেখক-সাহিত্যিক, শিল্পী আৰু পণ্ডিত-গৱেষকসকল একগোট হওক যাতে ৰাভা ভাষাটোৰ অস্তিত্বৰ প্ৰতি অহা ভাবুকি অনায়াসে ওফৰাই পেলাব পাৰো। নিখিল ৰাভা সাহিত্য সভায়ো জড়তা দূৰ কৰি ধাৰাবাহিকতা ৰক্ষাৰে কৰ্ম আঁচনিৰ গতিশীলতা আনক, বিতৰ্ক তথা ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধত থাকি এই দিশত অধিক প্ৰতিক্ৰিয়াশীল হওক, ভাষা-সাহিত্যৰ ক্ষেত্ৰত কঢ়িয়াই অনা প্ৰতিবন্ধকতাৰ বিপক্ষে কাৰ্যব্যৱস্থা গ্ৰহণ কৰক, চৰকাৰক নিজৰ প্ৰতিশ্ৰুতি-চুক্তি দায়িত্বসহকাৰে পালনৰ বাবে বাধ্য কৰাওক। ৰাভা ভাষাক মান্যতা প্ৰদানৰ ক্ষেত্ৰতো সতৰ্কতা অৱলম্বন কৰক, নিজে শুদ্ধভাৱে ৰাভা ভাষাক প্ৰয়োগ কৰক আৰু আনকো ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত শুদ্ধতা ৰক্ষা কৰিবলৈ অনুপ্ৰেৰণা যোগাওক। বৈদ্যুতিন আৰু সামাজিক মাধ্যমত ৰাভা ভাষা প্ৰয়োগকাৰীসকলে বহুৱালি ত্যাগ কৰি জাতীয় আৰু সামাজিক দায়িত্ব পালন কৰাৰ দৃষ্টান্ত দেখুৱাওক। ইয়াৰ অন্যথা সময়ৰ গতিত ৰাভা ভাষা যে মৃত্যু মুখত পৰিব সেয়া খাটাং।

*বিঃদ্ৰঃ লেখক নিখিল ৰাভা সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক*
*ফোন ঃ ৯৮৫৪৪-৬৫২২৭*

দৈনিক অগ্ৰদূত

# সাহিত্য আৰু জীৱন

গুৱাহাটী, ২০ জুন, ২০২২ সোমবাৰ পৃষ্ঠা ৫

# সমালোচনা তত্ত্ব কিয় লাগে ?

**কিতাপ এখন পঢ়াৰ পাছত যিকোনো পাঠকৰে কিতাপখনৰ বিষয়ে হোৱা তেওঁৰ অভিজ্ঞতাক আনৰ লগত ভগাই ল'বলৈ মন যায়**



**ড° আনন্দ বৰমুদৈ**

**অসমত** সাম্প্ৰতিক কালত বছৰি যিমান কিতাপ ছপা হয় সিবোৰৰ ভিতৰত সৃজনীশীল সাহিত্যৰ কিতাপেই বোধহয় সৰ্বাধিক। এই সাহিত্যৰ সঠিক সমালোচনা হৈছে নে? সঠিক সমালোচনানো কি? কিহৰ ভিত্তিত সাহিত্য কৰ্ম এটাৰ সমালোচনা কৰা হয়। সাহিত্য তত্ত্বই সহায় কৰেনে? সাহিত্য তত্ত্বৰ লগত পৰিচয় নথকা মানুহ এজনে সাহিত্য কৃতি এটাক মূল্যায়ন কৰিব পাৰেনে নোৱাৰে। কিতাপ এখন পঢ়াৰ পাছত যিকোনো পাঠকৰে কিতাপখনৰ বিষয়ে হোৱা তেওঁৰ অভিজ্ঞতাক আনৰ লগত ভগাই ল'বলৈ মন যায়। এই ক্ষেত্ৰত পাঠকগৰাকীৰ মতামতক সমালোচনা বুলিব পাৰিনে নোৱাৰি। বেজবৰুৱাই কৈছিল যে অসমত খেৰনিয়ে-বননিয়ে সমালোচক। ডিম্বেশ্বৰ নেওগে কৈছিল যে আমাৰ দেশত হাটৰুৱা বাটৰুৱা সকলোৱেই সমালোচক। সমালোচনা বিশেষজ্ঞৰ কাম নেকি? অসমীয়া সাহিত্যত এতিয়াও মূল্যবান সাহিত্য অৱহেলিত হৈ আছে নেকি? আমাৰ সাহিত্য সমালোচকে মূল্যবান সকলো সাহিত্য চিনাক্ত কৰিছেনে? আমাৰ সমালোচকসকলে তেওঁলোকৰ অধ্যয়ন, মূল্যায়ন আৰু বিশ্লেষণত সাহিত্য সম্পৰ্কীয় কোনবোৰ প্ৰশ্ন উত্থাপন কৰিছে? কবি-সমালোচক টি এছ এলিয়টে কৈছিল যে সমালোচনা সংস্কৃতিবান মানুহৰ মনৰ প্ৰবৃতিগত ক্ৰিয়া-প্ৰক্ৰিয়া। সাহিত্য তত্ত্ব অথবা পৰম্পৰাৰ লগত পৰিচিত নোহোৱাকৈ সংস্কৃতিবান মানুহ এজনে প্ৰবৃতিগতভাৱে সাহিত্য সমালোচনা কৰিব পাৰিবনে? কবি, গল্পকাৰ, ঔপন্যাসিক বা নাট্যকাৰ এজন নিজৰ সাহিত্যৰ নিজে সমালোচক এজন হ'ব লাগেনে নালাগে? তেওঁৰ সাহিত্য কৃতিৰ বিষয়ে সমালোচক এজনে যি কয় তেওঁ তাকেই বিশ্বাস কৰিব লাগে নেকি? সমালোচনা তত্ত্বৰ কিছু আলোচনাই এই ধৰণৰ প্ৰশ্নবোৰৰ উত্তৰ বিচৰাত সহায় কৰিব পাৰে।

সমালোচনাই সাহিত্য কৃতি এটাৰ সংজ্ঞা দাঙি ধৰিব পাৰে, তাক ব্যাখ্যা, বিশ্লেষণ আৰু মূল্যায়ন কৰি শ্ৰেণী বিভক্ত কৰিব পাৰে। তাত্ত্বিক সমালোচনাই নীতি, পৰিভাষা আৰু মূল্যায়নৰ মাপকাঠি তত্ত্বই যোগান ধৰে। এৰিষ্টটলৰ পয়েটিকচক পছিমীয়া সমালোচনাৰ প্ৰথম তাত্ত্বিক সমালোচনাৰ মহৎ গ্ৰন্থ বুলি বিবেচনা কৰা হয়। সমালোচক কে'বাধৰণৰো হ'ব পাৰে। সমালোচনা কোনোবা সমালোচকৰ বাবে বৃত্তি হ'ব পাৰে। তেনে সমালোচকক কোনোবা কাকত-আলোচনীয়ে নিয়োগ কৰিব পাৰে। কিবা নতুন কিতাপ প্ৰকাশ হ'লেই এওঁলোকে নিজৰ কাকত-আলোচনীত সমালোচনা কৰে। এওঁলোকৰ মাজতে কোনোবা বিফল সৃষ্টিশীল লেখকো থাকে। এই সমালোচকসকলে সমকালীন লেখকতকৈ অতীত লেখকসকলৰ বিষয়ে বেছি ভালকৈ লিখিব পাৰে। আন এবিধ সমালোচক আছে যি নিজৰ প্ৰিয় লেখকৰ সাহিত্য কৃতি পৰম উৎসাহেৰে সমালোচনা কৰে। তৃতীয় আন এবিধ সমালোচক আছে যাৰ বাবে সমালোচনা সৃষ্টিশীল লেখাৰ উপৰুৱা অথবা আনুষংগিক উৎপাদন।

সমালোচকৰ নিজৰ অনুভূতিক পছন্দৰ কথাও আছে। এলিয়েট কুৰি শতিকাৰ এজন ডাঙৰ সমালোচক। তেওঁ স্বীকাৰ কৰিছে যে নাটকীয় আৰু গীতিধৰ্মী কবিতাৰ প্ৰতি তেওঁৰ আনুভূতিক আকৰ্ষণ আৰু ঊনবিংশ আৰু কুৰি শতিকাৰ আৰম্ভণিৰ কবিতাৰ বিৰুদ্ধে তেওঁৰ প্ৰতিক্ৰিয়াৰ ফলতহে তেওঁ সমালোচনাত পৰম্পৰাৰ ওপৰত অধিক গুৰুত্ব দিছিল। শ্বেক্সপীয়েৰৰ 'হেমলেট' নাটক কলাত্মক দিশত বিফল বুলি ক'বলৈ যাওঁতে তেওঁ অবজেকটিভ ক'ৰিলেটিভ তত্ত্বৰ কথা কৈছিল। তাৰো কাৰণ তেওঁ এই বুলি কৈছিল যে তেওঁৰ বোধহয় শ্বেক্সপীয়েৰৰ বেছি পৰিপক্ক নাটক—টাইমন, এণ্টনি এণ্ড ক্লিওপেট্ৰা, কেৰিঅ'লেনাচ আদিৰ প্ৰতি পক্ষপাত আছিল। এলিয়টে আৰু কৈছিল যে তেওঁক কবিতা লিখাৰ ক্ষেত্ৰত প্ৰভাৱিত কৰাসকলৰ সৰহ সংখ্যকেই কবি আৰু তেওঁলোকৰ বিষয়ে লিখা ৰচনাবিলাকেই তেওঁৰ সমালোচনাৰ শ্ৰেষ্ঠ অংশ। যিসকল লেখকক তেওঁ হৃদয় ভৰি প্ৰশংসা কৰিব পাৰিছিল, যাৰ ওচৰত তেওঁ কৃতজ্ঞ আছিল, সেইসকলৰ বিষয়ে লিখা সমালোচনাতহে সময় বাগৰি যোৱাৰ পাছতো, তেওঁৰ বিশ্বাস সুদৃঢ় আছিল। এলিয়ট কবি-সমালোচক। সতীৰ্থই কবিতা সম্পৰ্কে কি কয় তাক শুনাত তেওঁ আগ্ৰহী আছিল। সাহিত্য সমালোচনাক তেওঁ সামাজিক, ধৰ্মীয় অথবা নৈতিক ক্ষেত্ৰত হোৱা সমালোচনাৰ পৰা নিলগাব বিচৰা নাছিল। নৈতিক কাৰণত গৰিহণাযোগ্য কিতাপ এখনক তাৰ সাহিত্য গুণৰ বাবেই সমৰ্থন কৰিব নোৱাৰি।


ৱিলফ্ৰেড এল গুৱেৰিন আৰু চাৰিজন পণ্ডিত সমালোচক লগ লাগি লিখা A Handbook of Critical Approaches to Literature গ্ৰন্থৰ আৰম্ভণিতে সাম্প্ৰতিক সাহিত্য সমালোচনা ক্ষেত্ৰৰ এটা সমস্যাৰ কথা আলোচনা কৰা হৈছে। সাহিত্যৰ প্ৰতি বিৰুদ্ধাচৰণ নকৰা বিদ্যালয়ৰ অনেক ছাত্ৰ-ছাত্ৰীয়ে সমালোচনাক বেয়া পায় আৰু ভয় কৰে। সাহিত্য সমালোচনাৰ এনে নেতিবাচক প্ৰভাৱৰ প্ৰতি কোনো কোনো প্ৰখ্যাত সমালোচকো সহানুভূতিশীল। বিখ্যাত আমেৰিকান লেখক-সমালোচক চুজান চানটাগে ১৯৬৪ত লেখিছিল Against Interpretation । এই ৰচনাত তেওঁ সমসাময়িক সমালোচনাক কঠোৰ সমালোচনা কৰিছিল। তেওঁ কৈছিল যে সাহিত্য সমালোচনাই কলাকৃতিৰ বাবে নিৰ্দিষ্ট হৈ থকা ঠাইক আত্মসাৎ কৰে। তেওঁ আচলতে সাহিত্য কলাৰ প্ৰতি প্ৰাক সমালোচনা সঁহাৰিক সমৰ্থন কৰে। তেওঁ সমালোচনাক নিৰস বৌদ্ধিক অনুশীলন বুলিহে গণ্য কৰিছিল। তেওঁৰ মতে সমালোচনাই কলা ৰূপক অপৰিত্ৰহে কৰে আৰু ব্যাখ্যাই কলাৰ সমৃদ্ধিক হ্ৰাস কৰে। কে'বাদশক ধৰি পেছাদাৰী আৰু শিক্ষায়তনিক সমালোচকসকলে কৰা কামে অনিষ্টহে কৰিছিল। তেওঁ ক'লে যে কলাৰ অৰ্থোদ্ধাৰতকৈ কলাই দিব পৰা উত্তেজনাহে প্ৰয়োজনীয়। (in place of hermeneutics we need an erotics of art)

চুজান চানটাগৰ নিচিনা মতামত দাঙি ধৰিছে আন এজন পণ্ডিত অধ্যাপক লেচ্‌লি ফিড্‌লাৰে। কলাৰ প্ৰতি সঁহাৰিত তেওঁ উত্তেজনাৰ কথা ক'লে। তেওঁৰ মতে পৰম্পৰাগতভাৱে মানি লোৱা ধ্ৰুপদী সাহিত্যৰ মান সমাজৰ প্ৰতিপত্তিশালী গোষ্ঠীটোৱে আন সকলোৰে ওপৰত জাপি দিয়ে। পাঠক সমাজে আনহাতে আবেগ সঞ্চাৰী, ভাবোদ্দীপক গল্প, উপন্যাস, ৰহস্য সাহিত্য আদি ভাল পাব পাৰে। জনপ্ৰিয় সাহিত্যই ঘাইকৈ পাঠকৰ আবেগ-অনুভূতিৰ ওপৰত দোলা দিয়ে। কৰুণ আৰু ভয়ানক ৰসাত্মক আৰু যৌন উত্তেজনা জগাব পৰা সাহিত্য সৰহ সংখ্যক পাঠকে ভাল পায়। লেচ্‌লি ফিড্‌লাৰৰ মতে পাঠকৰ ওপৰত এই সাহিত্যই পেলাব পৰা প্ৰভাবক বুজাবলৈ পৰম্পৰাগত গল্প এটাই নাই। এই সাহিত্যই মানুহক সাময়িকভাৱে যুক্তিবাদ আৰু অহং ভাৱৰ (ego) সীমাৰ বাহিৰলৈ লৈ যায়, সচেতনতাৰ ভাৱৰ পৰা মুক্তি দিয়ে। অৱস্থাটো বিশেষ অধিকাৰ হিচাপে লাভ কৰা অসুস্থতা। ইয়াৰ পৰম্পৰাগত নাম উন্মাদনা। জনপ্ৰিয় সাহিত্যৰ প্ৰসংগত নহ'লেও সকলো কলাৰে শ্ৰেষ্ঠ অযৌক্তিকতা প্ৰসংগত লনজাইনাচে তেওঁৰ এই প্ৰিয় শব্দটো ব্যৱহাৰ কৰিছিল। এই শব্দটো 'পৰমোল্লসিত'।

ফিড্‌লাৰে আৰু কৈছে যে কিতাপ এখনৰ সমালোচনাত্মক মূল্যায়নত পাঠকক দিয়া নিৰ্দেশনা বা আনন্দতকৈ ekstasisক কেন্দ্ৰত ৰাখিলে জনপ্ৰিয় নহ'ব। তেতিয়া বিশাল হাৰত উৎপাদিত আৰু পৰিৱেশিত জনপ্ৰিয় সাহিত্যৰ প্ৰতি অৱতৰণৰ ভাৱ লোৱাৰ প্ৰয়োজনো নাথাকিব। সাহিত্যক তেতিয়া উচ্চ আৰু নিম্ন বুলি দুভাগ কৰাৰ প্ৰয়োজন নাথাকিব।

প্ৰখ্যাত মাৰ্ক্সবাদী সমালোচক টেৰি ইগলটনৰ মতে সকলো সাহিত্যতে ৰাজনৈতিক দৰ্শন সোমাই থাকে আৰু মাৰ্ক্সবাদী তত্ত্বই যিকোনো সাহিত্য কৃতিকে ব্যাখ্যা কৰিব পাৰে। সাহিত্য কৃতি এটাৰ প্ৰতি যে বিভিন্ন ধৰণৰ সমালোচনাত্মক সঁহাৰি সম্ভৱপৰ সেই কথা চাণ্টাগ, ফিড্‌লাৰ আৰু ইগলটনৰ আলোচনাৰ পৰা জানিব পাৰি। এৰিষ্টটলৰ পৰা টেৰি ইগলটনলৈকে সাহিত্য সমালোচক আৰু তাত্ত্বিকসকলে অনেক তত্ত্বৰ প্ৰস্তাৱ কৰিছে।

ইংৰাজী সাহিত্য সমালোচনাৰ আদিকালৰ এজন তাত্ত্বিক ফিলিপ চিডনি। ১৫৯৫ত তেওঁৰ 'দ্য ডিফেঞ্চ অৱ পয়েছি' প্ৰকাশ পাইছিল। কবিতা, অৰ্থাৎ, সকলো মননশীল সাহিত্যিক ভ্ৰষ্টাচাৰ আৰু মিথ্যাই উদগোৱা বুলি কবিতাৰ বিৰুদ্ধে অহা অভিযোগক খণ্ডন কৰি আৰু কবিতাৰ পক্ষ সমৰ্থন কৰি চিডনিৰ কিতাপখন লিখা হৈছিল। এৰিষ্টটল প্লেটৰ অভিযোগৰ সন্মুখীন হোৱাৰ দৰে চিডনি পিউৰিটানৰ অভিযোগৰ সন্মুখীন হৈছিল। চিডনিৰ মতে, কবিতাই পূৰ্বৰে পৰাই মানুহক সভ্য কৰাৰ দায়িত্ব পালন কৰি আহিছে। কবিতা একধৰণৰ আবিষ্কাৰ। কবিতাৰ কথা আক্ষৰিক অৰ্থত সত্য নহ'ব পাৰে। কিন্তু জ্ঞানদানত অসত্যয়ো প্ৰয়োজনীয় ভূমিকা গ্ৰহণ কৰিব পাৰে। এইখিনিতে চিডনি এৰিষ্টটলৰ পৰা আঁতৰি আহিছে। কাৰণ এৰিষ্টটলে কেতিয়াও কবিতাক জ্ঞান দানৰ মাধ্যম বোলা নাছিল। তেওঁৰ মতে কবিতাই এক বিশেষ ধৰণৰ আনুভূতিক আনন্দহে দান কৰে। চিডনিৰ মতে মিছাও মংগলময় হয় যদিহে ই ৰূপকীয় বৰ্ণনাৰ সহায়ত নীতি শিক্ষা দান কৰিব পাৰে।




ৰিপাব্লিকৰ পৰা কবিক বহিষ্কাৰ কৰিব খোজা প্লেটৰ বিষয়েও চিডনিয়ে মৌলিক কথা কৈছে। প্লেটৰ ৰচনাৰ ভিতৰখন আৰু মূল কথা দৰ্শন হ'লেও তাৰ বাহিৰখন কবিতা। তেওঁৰ দাৰ্শনিক তত্ত্ববোৰ কথোপকথনৰ ওপৰত প্ৰতিষ্ঠিত। কথোপকথনত অংশগ্ৰহণ কৰা এথেঞ্চৰ নাগৰিকসকল কিন্তু কাল্পনিক চৰিত্ৰ। তেওঁলোক গোটখোৱা পৰিৱেশৰ বৰ্ণনা কাব্যিক। ভোজমেলৰ প্ৰসংগ আৰু প্ৰসংগক্ৰমে কোৱা দুই এটা সৰু-সুৰা কাহিনীও কাব্যিক কল্পনাৰ অন্তৰ্গত।

কবিতা কেৱল কাল্পনিক ঘটনাৰে বৰ্ণনা নহয়; ই প্ৰাণবন্ত ৰূপত পতিয়ন যাব পৰাকৈ কৰা বৰ্ণনা। চিডনিয়ে বুৰঞ্জীবিদ হিৰডটাচকো কবি বুলিছে। তাৰ কাৰণ হিৰডটাচ আৰু তেওঁৰ অনুগামীসকলে বীৰৰ আবেগ জড়িত বৰ্ণনাত কবিতাৰ ব্যৱহাৰ কৰিছে।

চিডনিৰ কবিতাৰ সংজ্ঞাই তিনিটা কথা সামৰিছে—কাল্পনিক কাহিনী, প্ৰাণৰ সঞ্চাৰ আৰু প্ৰচণ্ড আবেগ। আবেগময় প্ৰাণবন্ত কাল্পনিক কাহিনীৰ সহায়ত ঐতিহাসিক অথবা নৈতিক সত্য পাঠকক জনাব পাৰিলে কবিতা ন্যায্য। চিডনিৰ সীমাবদ্ধতা হ'ল যে কবিতাক তেওঁ জ্ঞানদানৰ আন মাধ্যমবোৰতকৈ উন্নত মাধ্যম বুলি স্বীকাৰ কৰিলেও ইয়াক তেওঁ ইতিহাস বা দৰ্শনৰ দৰে স্বয়ং সম্পূৰ্ণ বিষয় বুলি স্বীকাৰ কৰা নাই। কাজেই কবিতাৰ মূল্য নিৰ্ভৰ কৰিব কি কথা কোৱা হ'ল তাৰ ওপৰত। কবিতাৰ মূল্য নিৰূপনৰ বাবে ইতিহাস, দৰ্শন অথবা নীতি শাস্ত্ৰৰ সহায় ল'ব লাগিব।

কবিতাক ন্যায্য প্ৰমাণ কৰিবলৈ চিডনিয়ে ক'লে যে কবিতাই ইতিমধ্যে থকাটোক অনুকৰণ, প্ৰতিনিধিত্ব, প্ৰকাশ অথবা আলোচনা নকৰে, তেওঁ নতুন আবিষ্কাৰ কৰে। এই নতুন আবিষ্কাৰ কৰিবলৈ তেওঁ ধীশক্তিৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁৰ মতে কবিয়ে আবিষ্কাৰ কৰা পৃথিৱীখন বেছি সুন্দৰ। এই অধিক সুন্দৰ জগতখন আবিষ্কাৰ কৰিবলৈকে কবিয়ে কল্পনা আৰু ধীশক্তিক প্ৰয়োগ কৰে। আচল জগতখন কঠিন, কবিয়েহে সোণালী জগত এখন দিব পাৰে। (The real world is brasen, the poets only deliver a golden) কবিয়ে কল্পনাৰে প্ৰকৃতিকো অতিক্ৰম কৰিব পাৰে। কবি কল্পনাৰ প্ৰেমিক বাস্তৱৰ প্ৰেমিকতকৈ বেছি সত্য। সঁচা বাগিচাৰ ফুলতকৈ কবি কল্পনাৰ ফুলৰ সুবাস বেছি।

কবিৰ সৃষ্টিক বাস্তৱৰ পৰা দুঢাপ আঁতৰৰ বুলি প্লেটোই কবিক সমালোচনা কৰিছিল। এৰিষ্টটলে কবিৰ পক্ষ সমৰ্থন কৰি ক'লে যে কবিয়ে বাস্তৱক অনুকৰণ নকৰে, তেওঁ যি সম্ভৱপৰ তাকহে অনুকৰণ কৰে। কাৰ্য-কাৰণ নীতিত বান্ধ খাই থকা বাস্তৱক কবিয়ে অনুকৰণ নকৰে বাবেই তেওঁ বুৰঞ্জীবিদতকৈ সত্যৰ বেছি গভীৰলৈ সোমাব পাৰে। চিডনিয়ে কবি কল্পনাৰ জগতখনৰ ন্যায্যতা প্ৰমাণ কৰিবলৈ গৈ ক'লে যে কল্পনাই বাস্তৱৰ অভ্যন্তৰত সোমাবলৈ নিশিকায়, বাস্তৱৰ বিকল্প সৃষ্টি কৰে আৰু এই বিকল্প সকলো ক্ষেত্ৰতে বাস্তৱতকৈ সুন্দৰ। চিডনিয়ে আদৰ্শ অনুকৰণ তত্ত্ব উদ্ভাৱন কৰিলে। ইয়াৰ মৰ্ম হ'ল কবিয়ে দৃশ্যমানৰ সিপাৰে লুকাই থকা সত্যক অনুকৰণ কৰে। কবি কল্পনাৰ জগতখন বাস্তৱতকৈ সুন্দৰ কাৰণে পাঠকে তাক অনুকৰণ কৰিবলৈ বিচাৰে। কবিৰ সৃষ্টিক পাঠকে অনুকৰণ কৰে। সেই ফালৰ পৰা কবি এজন শিক্ষক।

*ফোন ঃ ৯৮৬৪২৩২০৮৬*


## য়েট্‌চৰ গল্পত ধৰ্মীয় ভণ্ডামিৰ নগ্ন চিত্ৰণ



**ৱিলিয়াম** বাট্‌লাৰ য়েট্‌চক আমি সকলোৱে এগৰাকী কবি হিচাপেহে চিনি পাওঁ। সৰহভাগেই খুব কম জানে যে তেওঁ এগৰাকী নাট্যকাৰ,গল্পকাৰ আৰু শিল্পী। আয়াৰলেণ্ডৰ এইগৰাকী স্বনামধন্য কবি ১৯২৩ৰ ন'বেল বঁটা প্ৰাপক। ডাবলিনৰ কাষৰীয়া অঞ্চলত ১৮৬৫ত তেওঁৰ জন্ম। তেওঁৰ পিতৃ এগৰাকী প্ৰখ্যাত চিত্ৰশিল্পী (land-scape painter) আছিল। তেওঁৰ সৃষ্টিশীল ৰচনাৰাজিৰ ভেটি তেওঁৰ জীৱনৰ প্ৰাৰম্ভিক কালছোৱাতে নিৰ্মিত হৈছিল যেতিয়া তেওঁ মাতৃকুল বংশীয়সকলৰ সান্নিধ্যত পাৰ কৰিছিল। আইৰিচ লোকসংস্কৃতিৰ প্ৰতি আকৃষ্ট য়েট্‌চৰ মনে সেই লোকসম্পদসমূহৰ মাজতেই সৃষ্টিৰ সমল বিচাৰি পাইছিল। সৃষ্টিৰ কঠীয়াতলিত খোজ দিয়াৰ আগতে এগৰাকী জ্যোতিষী আৰু ঘোঁৰাশালৰ মালিকে তেওঁক প্ৰভাৱিত কৰিছিল। সেই সংস্পৰ্শই তেওঁৰ পৰৱৰ্তী জীৱনৰ সৃষ্টিশীল কৰ্মত প্ৰভাৱ পেলাইছিল।

আইৰিচ মুক্তি সংগ্ৰামত যোগদান কৰা এই গৰাকী কবি-শিল্পীয়ে জাতীয় ভাৱৰ দ্বাৰা উদ্বুদ্ধ হৈ তেওঁৰ ল'ৰালিৰ ঐশ্বৰ্যময় অভিজ্ঞতাৰ আধাৰত আইৰিচ লোকসংস্কৃতিৰ সমলেৰে খচিত ৰচনাৰাজি The Celtic Twilight হিচাপে ১৮৯৩ত প্ৰকাশ কৰিছিল। এই নামটো তাৎপৰ্যপূৰ্ণ কাৰণ প্ৰাচীন আইৰিচ সংস্কৃতিৰ নৱজাগৰণৰ বাবে লেখকসকলে আৰম্ভ কৰা পৰম্পৰাটো এই বিশেষ নামটোৰে নামাংকিত হৈছিল। তেওঁৰ কাব্য সৃষ্টিৰ নিচিনাকৈ তেওঁৰ গদ্য সৃষ্টিসমূহো অপাৰ্থিৱ মনোমোহা বিষয়ৰ পৰা ভয়াৱহ, শিহৰণকাৰী মৃত্যু আৰু নিষ্ঠুৰতাৰ লগত জড়িত আখ্যানলৈকে বিস্তৃত। আলোচ্য চুটিগল্প The Crucifixion of the Outcast তেনে এক মৰ্মস্পৰ্শী, শিহৰণকাৰী ঘটনাৰ বিৱৰণি।

পৰিভ্ৰমী মনোৰঞ্জন প্ৰদানকাৰী গায়ক (gleeman) কামহলে দক্ষিণৰ পৰা শ্লিগ' নগৰলৈ আহিছিল। নিশা গভীৰ হোৱাত তেওঁ বাটত পোৱা ধৰ্মীয় মঠটোলৈ ঢাপলি মেলিলে। সেই সময়ছোৱাত (অৰ্থাৎ মধ্যযুগত) খ্ৰীষ্টিয়ান মঠ (Abbey) সমূহে দীন-দুখীসকলৰ লগতে পৰিব্ৰাজকসকলক আশ্ৰয় প্ৰদান কৰিছিল। মঠৰ প্ৰৱেশ দ্বাৰত উপস্থিত হৈ কামহলে দুৱাৰখনত ঢকিওৱাত দুৱাৰখন খোল খালে। সেৱক ভিক্ষুজনে পৰিব্ৰাজক কামহলক মঠৰ জৰাজীৰ্ণ অতিথিশালালৈ লৈ গ'ল। তাত তেওঁ আশ্ৰয় প্ৰাৰ্থীজনক এটুকুৰা পাওৰুটি, পানী আৰু গাত ল'বলৈ কম্বল এখন দি তাৰ পৰা আঁতৰি যায়। ক্ষুধাত আতুৰ পৰিব্ৰাজকজনে মুখ-হাত নোধোৱাকৈ পাওৰুটিত একামোৰ মাৰি মুখত লোৱা পাওৰুটি অংশটো মুখৰ পৰা উলিয়াই পেলাই দিলে। তাৰ পাছত পানীয়খিনি মুখত দিওতে তেওঁ আশা কৰা সুস্বাদু পানীয়ৰ সলনি তিতা, বেয়া গোন্ধৰ পানীহে আছিল। তেওঁ খঙত পানীৰ পাত্ৰটো দূৰলৈ দলিয়াই দিলে। তাৰ পাছত পৰিশ্ৰান্ত লোকজনে এঘুমুটি মাৰো বুলি ভাবি কম্বলখন গাত মেৰিয়াই লও বুলি ভাবি সেইখন মেলি ধৰোতে তাৰ পৰা ভালেসংখ্যক উৰহ সৰি পৰা অনুমান কৰিলে। এইবাৰ তেওঁৰ



**সাহিত্যৰ ৰূপৰেখা**

**ড° নিভাৰাণী ফুকন**

ধৈৰ্যচ্যুতি ঘটিল আৰু বাহিৰলৈ গৈ তেওঁক সেই 'অভিশপ্ত অতিথিশালা' টোলৈ আগবঢ়াই অনা ভিক্ষুজনৰ কোঠাৰ দুৱাৰত আহি জোৰ জোৰকৈ ঢকিয়াবলৈ ধৰিলে। ভিক্ষুজনে প্ৰত্যুত্তৰ নিদি নিজৰ কোঠাতে শুই থাকিল। তেতিয়া কামহলে এটা অভিনৱ পন্থা গ্ৰহণ কৰিলে। তেওঁ সুৰ ধৰি ভিক্ষু আৰু তেওঁ কামহলৰ প্ৰতি আগবঢ়োৱা 'আতিথ্য'ৰ সমালোচনা কৰিবলৈ আৰম্ভ কৰিলে। তেওঁ সুৰীয়া ভাষাৰে কৰা তিৰস্কাৰ এনে ধৰণৰ আছিল—

" O cowardly and tyrannous race of friars, persecutors of the bard and the gleeman, haters of life and joy! O race that does not draw the sword and tell the truth! O race that melts the bones of the people with cowardice and with deceit!"

কামহলৰ এই তিৰস্কাৰৰ অৰ্থ ভিক্ষুৱে বুজি নোপোৱাকৈ নাথাকিল। তেওঁ মঠাধিকাৰক গৈ সেই কথা জনালে। লগতে তেওঁ ইয়াকো জনালে যে পৰিব্ৰাজক গায়কে এইদৰে মঠাধিকাৰক তেওঁক ভালদৰে আতিথ্য প্ৰদান নকৰাৰ বাবে অভিশাপ দিবলৈ ওলাইছে, লগতে ভিক্ষুৱে তেওঁৰ অধিকাৰীক এইটো পৰামৰ্শ দিলে যে কামহলক ভালদৰে খোৱা-বোৱা কৰিবলৈ দিলে তেওঁ নিশ্চয় অভিশাপ নিদিয়ে। পিছে মঠাধিকাৰৰ হৃদয় লৌহ নিৰ্মিত আছিল। তেওঁৰ দৃষ্টিত কামহলে মঠৰ পৱিত্ৰতাৰ বিৰুদ্ধে গৈ এটা 'পাপাচৰণ' কৰিছে। গতিকে কামহল শাস্তি লাভৰযোগ্য। 'পাপী' কামহলৰ সেই সুৰীয়া অভিশাপ পিছদিনা পুৱালৈ চহৰত প্ৰতিটো চুবুৰিত থকা শিশু, যুৱতীবৃন্দ আৰু বে'ন বালবে'নত আশ্ৰয় লৈ থকা ডকাইতবোৰৰো মুখে মুখে হ'ব। গতিকে কামহলক অতি সোনকালে দণ্ড বিধান কৰিব লাগিব।

পৱিত্ৰ গিৰ্জা আৰু তাৰ মঠাধিকাৰ (abbot)ক 'অপমানিত' কৰাৰ বাবে কামহল ভয়ংকৰ শাস্তিৰ সন্মুখীন হ'ল। সেই নিশাই মঠৰ ভিক্ষুসকলে তেওঁক বাহিৰলৈ নি নদীখনৰ গভীৰতলৈ নি তাত তেওঁক পানীত ডুবাই পুনৰ তুলি আনি মঠত হাত-ভৰি বান্ধি পেলাই থ'লে। প্ৰচণ্ড শীতত তেওঁৰ দাঁত দুপাৰীৰ পৰা কট্‌কট্ শব্দ ওলোৱাৰ বাহিৰে তেওঁৰ সাৰ-সুৰ নোহোৱা হ'ল। পিছদিনা পুৱা তেওঁক ওচৰৰ হাবিখনলৈ নি তাত থকা জীপাল গছৰ গা গছ এডাল কাটিবলৈ আদেশ দিলে। তাৰ পাছত অন্য এডাল চুটিকৈ কাটিবলৈ আদেশ দিলে আৰু কটা গছ দুডাল এটা ক্ৰছৰ আকাৰে গজাল মাৰিবলৈ দি পাহাৰৰ টিলাত থকা অন্যান্য ক্ৰছবিদ্ধ 'পাপী'ক শাস্তি দিয়াৰ নিচিনাকৈ তেওঁকো ক্ৰছবিদ্ধ কৰিবলৈ লৈ যোৱা হ'ল।

মঠৰ বাহিৰত ভিৰ কৰি থকা ভিক্ষাৰীৰ দলটোৱে ক্ৰছবিদ্ধ কৰিবলৈ নিয়া 'পাপী'ক অনুসৰণ কৰিলে। সিহঁতৰ এটাই ইচ্ছা- কি জানিবা 'পাপী'ক ক্ৰছবিদ্ধ কৰাৰ আগতে ইহ জগতত পাপৰ প্ৰায়শ্চিত্ত হিচাপে 'পাপী'য়ে সিহঁতৰ বাবে কিবা বস্তু এৰি থৈ যায় বা দান কৰি যায়। এফালৰ পৰা বিচাৰ কৰিলে সিহঁতৰ সেই আশা পূৰণ হৈছিল কাৰণ মৃত্যুদণ্ডৰে দণ্ডিত হোৱা পূৰ্বে কামহলে ভিক্ষাৰী দলটোৰ ফালে নিজৰ লগত থকা অৱশিষ্ট খাদ্যৰ টুকুৰাবোৰ দলিয়াই দিলে। ক্ষুধাৰ্ত দলটোৱে নিজৰ মাজতে হেতা-ওপৰা কৰি সেই খাদ্য ভক্ষণ কৰিলে। কিন্তু ক্ৰছবিদ্ধ কামহলে অতি কষ্টৰে সিহঁতক কিছু সময় তেওঁৰ ওচৰত থাকি তেওঁৰ কাষলৈ যাতে শিয়াল-শগুন আহিব নোৱাৰে আৰু জীৱন্তে তেওঁৰ শৰীৰৰ মাংসৰ টুকুৰা বখলিয়াই নিব নোৱাৰে তাক চাবলৈ অনুৰোধ কৰিলে। কিন্তু ভিক্ষাৰীহঁতে তেওঁ সিহঁতক 'অস্পৃশ্য' বুলি আখ্যা দিয়াৰ কাৰণে সিহঁতে তেওঁৰ প্ৰতি কৃতজ্ঞ হোৱাৰ পৰিৱৰ্তে তেওঁক গালি-শপনি পাৰি তাৰ পৰা আঁতৰি গৈছিল। তাৰ পাছত ক্ৰছবিদ্ধ কামহলৰ মূৰৰ ওপৰত চৰাইবোৰে মল ত্যাগ কৰিছিল আৰু তেওঁৰ বাহু আৰু হাতত খুটিয়াবলৈ আৰম্ভ কৰিছিল। জোপ লৈ থকা শিয়ালকেইটাই তেওঁৰ ভৰি দুখনৰ মাংসত দাঁত বহুৱাই খাবলৈ আৰম্ভ কৰিছিল। কামহলে বিষ-বেদনাত জৰ্জৰিত হৈ দুৰ্বল কণ্ঠেৰে মাথোন কৈছিল—

"অস্পৃশ্যহঁত!! তহঁতো বাৰু অস্পৃশ্যজনৰ বিৰুদ্ধে যাব পাৰ নে?"

(And presently the birds lighted all at once upon his head and arms and shoulders, and began to peck at him, and the wolves began to eat his feet. "Outcasts", he moaned, "have you also turned against the outcast ?" *(আগলৈ)*

neevarani11@ gmail.com

## ছাঁ-পোহৰৰ ৰহস্য ঘনতাই

**ড° বসন্ত কুমাৰ ভট্টাচাৰ্য**

ছাঁ-পোহৰৰ ৰহস্য ঘনতাই
আৱৰিছে এই ঠাই
আনন্দ আৰু বিষাদৰ
ভৰপক সময়তো
শিয়ৰি উঠিছে
মোৰ গা

নৈখনৰ সিপাৰৰ
পানী-যুঁৰলিত
এবাহ ডৰিকনা মাছৰ
জাক
ৰহস্য ঘনতাই
আৱৰিছে এই ঠাই
আনন্দ আৰু বিষাদৰ

মৌন-ম্লান আন্ধাৰতো
শিয়ৰি উঠিছে মোৰ গা
ছাঁ-পোহৰৰ
ৰহস্য ঘনতাই
আৱৰিছে এই ঠাই

তোমাৰ মোৰ
বিচ্ছেদৰ বেলিকা
চকু পানীৰে
ওপচা মোৰ দুগাল
তোমাৰ হাঁহিৰে
বুকু মোৰ ভৰিছে
চেতনাত দুখ নাই
অপাৰ।

## তুমি অপৰাজেয় বিষ্ণু ৰাভা

**ডাঃ হৰেন চৌধুৰী**

হে কিৰাট সন্তান
দেশৰ মানুহৰ বিপন্ন বিষণ্ণ কালত
আকৌ আহিবা তুমি
দুহাতত লৈ স্বাধীনতাৰ পতাকা
তুমি অপৰাজেয় বিষ্ণু ৰাভা

তোমাৰ পদধ্বনিত সাৰ পায়
শোষিত ত্ৰাসিত নিষ্পেষিত জনতা
তোমাৰ সাহসৰ কথা মনত পৰিলে
আমাৰ সপোনৰ বাগিচাত উৰে
এজাক বাসনাৰ পখিলা

'দীন সমাজৰ হীন পৰিচয়' দেখি

তোমাৰ গীত কবিতাই জগায় তোলে
মুক্তিকামী মানুহৰ প্ৰাণ
হিয়াৰ গভীৰত নীৰৱে বাজে
মুকুতিৰ সুৰেৰে বিপ্লৱৰ তেজাল গান

আজি কি দৰে পাহৰো তোমাক
আমাক তুমিয়ে শিকাইছিলা
কি ভাল পাব লাগে
দেশৰ মানুহ আৰু মানৱতা
কিয় মানুহক লাগে
প্ৰেম প্ৰতিবাদ ভৰা মাতৃভূমিৰ
স্বাধীনতা।

## মুক্তি দেউলৰ আৰাধনা

*ৰাভা দিৱস উপলক্ষে*

**ঋষভ (চিফুং) বশিষ্ঠ**

সুৰৰ শিকলি ছিঙি সুন্দৰৰ পৰা নামি
আহিছে কলাৰ গুৰু;
অগ্নি দেউলৰ বন্দনা গাবলৈ আহিছে
বিপ্লৱী সৈনিক শিল্পী।
উঠিছে তৰংগ সুন্দৰৰ কল্লোলিত কৰি
চৌদিশ;
নামিছে বৃষ্টি নতুনৰ ।
জাগ্ জাগ জাগ্ -- ৰাইজ আজি
জাগ আহিছে সুন্দৰৰ পূজাৰী।
সমন্বয়ৰ চানেকি ধৰি
নামিছে ধৰালৈ কলাৰগুৰু
প্ৰজ্বলিত কৰি শিখা নতুনৰ
আলোকিত কৰি কেউদিশ ।
জাগ্ বৰ অসম লগন যে উকলিবৰ
হ'ল ,
কৃষক শক্তি জাগ আহিছে বিশ্বৰ
ছন্দে ছন্দে নাচোঁতা।
খোলা দুৱাৰ মন্দিৰৰ
লগন যে হ'ল আহিবৰ কলাগুৰুৰ।
জাগিছে অসম
জাগিছে বিপ্লৱী বীৰ
জাগিছে ৰণুৱা- বনুৱা- হালুৱা-হজুৱা।
নতুন সূৰুযৰ
নতুন উদ্‌গিৰণ
আনিবলৈ আকৌ আহিব যে
কলাগুৰু।
গাব জয়গান সমন্বয়ৰ।।।

## জয়ন্ত ৰাজবংশীৰ মই এজন পুৰুষে কৈ আছো

**অসমীয়া** কাব্য সাহিত্যত ইতিমধ্যে আঠখনকৈ কাব্যগ্ৰন্থ কাব্যপ্ৰেমীৰ হাতত তুলি দিয়া জয়ন্ত ৰাজবংশীৰ শেহতীয়াকৈ প্ৰকাশ পাইছে এখনি অনবদ্য কাব্যগ্ৰন্থ 'মই এজন পুৰুষে কৈ আছোঁ'। মেজাংকৰি প্ৰকাশনৰ পৰা প্ৰকাশিত এই কাব্যগ্ৰন্থখনিত ৫২ টাকৈ ভিন্নধৰ্মী কবিতা সন্নিৱিষ্ট আছে ।


শব্দ সংযোজন আৰু বাক্য বিন্যাসত সংযমতাৰে ব্যৱহাৰ কৰি প্ৰতিটো কবিতাতেই একো একোটা সুন্দৰ বাৰ্তা পাঠক সমাজলৈ উপহাৰ দিব পাৰিছে বুলি ক'ব পৰা যায় । ইতিমধ্যে ইংৰাজী, হিন্দী, বাংলা ভাষালৈ জয়ন্তৰ কবিতা অনুবাদ হোৱাৰ লগতে ২০২১ শিক্ষাবৰ্ষৰ পৰা বড়ো মাধ্যমৰ সপ্তম আৰু অষ্টম-শ্ৰেণীৰ পাঠক্ৰমত জয়ন্তৰ কবিতা অন্তৰ্ভুক্ত হোৱাটো এক সুখৰ বাৰ্তা।

জয়ন্তৰ সদ্যপ্ৰকাশিত 'মই এজন পুৰুষে কৈ আছো' এই কাব্যগ্ৰন্থখনিৰ কবিতাসমূহৰ ভিতৰত মাটিৰ মানুহ, পানীৰ মানুহ, জুইৰ মানুহ, কাগজৰ মানুহ এই কবিতাকেইটাত মানুহৰ ভিতৰত থকা এখন নিপোতল সংগ্ৰামৰ দস্তাৱেজ প্ৰকাশাই তুলিবলৈ সাৰ্থক হৈছে। পত্নী-১, পত্নী-২, পত্নী-৩, তিৰোতা হোৱাৰ কথাৰে, আপোনাৰ আপোন হ'ব পৰাকৈ এই কবিতাকেইটাত নাৰীৰ মানসিক স্থিতি আৰু আপোনজনৰ বাবে কাংক্ষিতেই হওক বা অনাকাংক্ষিতেই হওক কিমানখিনিলৈ এগৰাকী নাৰীয়ে জীৱনক জীৱনৰ বাবে উৎসৰ্গিত হ'বলগীয়া সেই ছৱিও অনন্য দৃষ্টিৰে প্ৰকাশত জয়ন্তই সহজেই পাঠকৰ ওচৰ চাপিব পাৰিছে—

উপমা আৰু প্ৰতীক ব্যৱহাৰত জয়ন্তই এই কাব্যগ্ৰন্থখনত উপলব্ধি আৰু বাস্তৱিকতাক প্ৰাধান্য দিয়া দেখা গৈছে। নিশ্চিতভাৱে জয়ন্ত ৰাজবংশীৰ মই এজন পুৰুষে কৈ আছোঁ এখন সুখপাঠ্য কাব্যগ্ৰন্থ । তেওঁ ব্যৱহাৰ কৰা শব্দ সংযোজন অতি সহজ সৰল। পাঠকেও সহজেই হৃদঙ্গম কৰিব পৰা এই কাব্যগ্ৰন্থখনিয়ে অসমীয়া কাব্যসাহিত্যত কাব্যপ্ৰেমী সকলৰ বাবে অলপ সময়ৰ কাৰণে হ'লেও হৃদয়ত বিমল প্ৰশান্তি কঢ়িয়াই তোলাত সাৰ্থক হ'ব বুলি ক'ব পৰা যায় ।

**মনীষা শৰ্মা**

## এখন আপুৰুগীয়া গ্ৰন্থৰ সন্ধানত বেজবৰুৱা সম্পাদিত হাঁহি ধেমালিৰ প্ৰসংগ




**বিশিষ্ট** গৱেষক, লেখক, পুৰাতত্ত্ব অনুৰাগী ড° সতীশ চন্দ্ৰ ভট্টাচাৰ্যৰ একুৰি বছৰীয়া অক্লান্ত পৰিশ্ৰম আৰু অনুসন্ধানৰ ফচল 'হাঁহি ধেমালিৰ প্ৰসংগ' গ্ৰন্থখন। 'হাসি খুসি',-যিখন শিশু উপযোগী পুথি বংগীয় সাহিত্যিক যোগীন্দ্ৰ নাথ সৰকাৰে ৰচনা কৰিছিল; ধীৰেশ্বৰ ভট্টাচাৰ্যই অনুবাদ আৰু ৰসৰাজ বেজবৰুৱাই সম্পাদনা কৰিছিল— সেই গ্ৰন্থখন আজি লুপ্তপ্ৰায়। এই লুপ্তপ্ৰায়, অমূল্য পুথিখনকে উদ্ধাৰ কৰিবলৈ গৱেষক ড° ভট্টাচাৰ্যই কুৰি বছৰ কাল পৰিশ্ৰম কৰিছিল। 'হাঁহি ধেমালি' পুথিখনৰ অনুবাদ আৰু সম্পাদনাক লৈয়ো বেজবৰুৱাৰ পৰৱৰ্তী কালত চৰ্চা অব্যাহত আছে। এখন অনূদিত গ্ৰন্থৰ সম্পাদনাৰ প্ৰয়োজন ক'ত?

অসমৰ বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পুথিভঁৰালৰ উপৰি কলিকতাৰ কিছু স্থানত অনুসন্ধান কৰিও ড° ভট্টাচাৰ্যই 'হাঁহি ধেমালি' পুথিখনৰ সম্ভেদ উলিয়াবলৈ সক্ষম নহ'লেও অনুসন্ধান আৰু গৱেষণাৰ পথ মুকলি কৰিছে। লগতে বিদগ্ধ পণ্ডিত ধীৰেশ্বৰ ভট্টাচাৰ্যৰ লিখনিৰ স'তে অসমীয়া পাঠকক পৰিচয় কৰাই দিছে। ইয়াৰ উপৰি পোন প্ৰথমবাৰৰ বাবে বেজবৰুৱাৰ সকলো গ্ৰন্থৰ নাম আৰু প্ৰকাশকাল শুদ্ধভাৱে প্ৰকাশৰ যত্ন কৰাটো প্ৰশংসনীয় কাম। 'চন্দ্ৰ প্ৰকাশে' প্ৰকাশ কৰা ১২২ পৃষ্ঠাৰ সৰু পুথিখনে অনুসন্ধিৎসু পাঠক আৰু গৱেষকৰ বাবে এক নতুন চিন্তাৰ উন্মেষ কৰিব পাৰিছে।

**ড° ভূপেন শইকীয়া**

## অৰ্পণা বুজৰবৰুৱাৰ চক্ৰবেহু

**ড° অৰ্পণা** বুজৰবৰুৱা এগৰাকী সুপৰিচিত গল্পকাৰ। তেওঁৰ বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত ১৩টা গল্প সন্নিৱিষ্ট কৰি অলপতে প্ৰকাশ হৈছে 'চক্ৰবেহু' নামৰ গল্প সংকলন।

ড° বুজৰবৰুৱাৰ গল্পৰ পটভূমি, তথা চৰিত্ৰ নিৰ্মাণত কল্পনাশ্ৰীত কৃত্ৰিমতা নাই। গল্পৰ উপস্থাপন, টেকনিকৰ বাহিৰে গল্প একোটাৰ সকলোখিনি সমল নিজস্ব অভিজ্ঞতা, পৰ্যবেক্ষণৰ পৰা আহৰিত বাস্তৱ সমাজৰ কাহিনী। গল্পবোৰ পঢ়িলে পাঠকৰ এনে লাগিব যেন তেওঁৰ সন্মুখত ঘটনাবোৰ ঘটি আছে। লেখকে যেন গোপন পৰ্যবেক্ষকৰ দৰে গল্পৰ কাহিনী চৰিত্ৰৰ কাৰ্যকলাপ আৰু অনুভূতিৰ যোগেদি মুকলি কৰি গৈছে। প্ৰতিটো গল্প এটাৰ পৰা আনটো গল্পসমূহত এনেকৈ কৌতূহল বজাই ৰাখিছে সংকলনটোৰ গল্প 'চক্ৰবেহু'ত নায়িকা প্ৰভাই কেনেকৈ তাইৰ মদপী স্বামী আৰু পুতেকৰ হাতত লাঞ্ছিত হৈ বাগানৰ মহাজনৰ হাতত বিক্ৰী হ'ব লগাত পৰিল আৰু কি পাকচক্ৰত সোমাই তাই নিজক বচাবলৈ কৰা প্ৰচেষ্টাত বিফল হ'ল, শেষত আকৌ চক্ৰবেহুত সোমাই পৰিল আৰু মৰ্মস্পৰ্শী বৰ্ণনাই পাঠকক গল্পটো শেষলৈকে পঢ়িবলৈ ধৰি ৰাখিব পাৰিছে। 'অলপ জোনাকৰ সন্ধান'ত গল্পটোত গল্পকাৰে গাঁৱলীয়া দুখীয়া পৰিয়াল এটাৰ কাহিনী বৰ্ণনা কৰিছে। ইয়াত জীৱনক জীয়াই ৰখাৰ ঘাত-প্ৰতিঘাতত পৰিয়ালটোৱে পদে পদে কেনেকৈ উজুটি খাই আন্ধাৰে আৱৰি ৰাখি থকা জীৱনত অকণমান জোনাকৰ সন্ধানৰ বাবে হামৰাও কাঢ়ি জীয়াই আছে তাক হৃদয়স্পৰ্শীকৈ তুলি ধৰিছে। ঠিক সেইদৰে 'মোৰ নাম চন্দন পৰাশৰ' নামৰ গল্পটোক সমাজৰ নাৰীৰ বিৰুদ্ধে ক্ৰমবৰ্ধমান ঘৰুৱা নিৰ্যাতন, অপহৰণ আৰু ধৰ্ষণৰ




ঘটনাই সমাজত মানৱীয়তা মানুহৰ বিবেকত কেনেকৈ অৱক্ষয় ঘটিছে তাৰ ভয়াৱহতা তুলি ধৰিছে। এনেদৰে প্ৰতিটো গল্প আজিৰ অৱধাৰিত সমাজ ব্যৱস্থাৰ বাস্তৱ সময়ত পোহৰ পেলাইছে গল্পকাৰে। গল্পসমূহৰ ভাষা সৰল, প্ৰকাশভংগী সবল এইখন তেওঁৰ দ্বিতীয় গল্প সংকলন। সুন্দৰ ছপাবন্ধাৰ গল্প সংলনটো প্ৰকাশ কৰিছে পূৰ্বায়ন প্ৰকাশনে। ১০৮ পৃষ্ঠাৰ গল্প সংকলনটোৰ মূল্য ১৮০টকা।

**নিমানন্দ দাস**



ফণী শৰ্মাৰ স'তে বিষ্ণুপ্ৰসাদ ৰাভা।

## কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ছাত্ৰ জীৱন

পংকজা দাস

**ধৰালৈ** মানুহৰ অহা যোৱাৰ অন্ত নাই। ইয়ালৈ অহা প্ৰত্যেকজনকে মানুহে যুগ যুগান্তৰলৈ মনত নাৰাখে। সেইসকলকহে মনত ৰাখে যিসকলে নিজৰ কৰ্ম আৰু সাধনাৰে দেশ মাতৃৰ নাম পৃথিৱীৰ বুকুত উজলাই তোলে। ধৈৰ্য, সাহস, কষ্ট সহিষ্ণুতা আৰু অধ্যৱসায়ৰ বলেৰে সমাজক এখোজ আগুৱাই লৈ যায়। তেনে এগৰাকী ব্যক্তি হৈছে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা।

যিগৰাকী জাতীয় প্ৰেমত উদ্বুদ্ধ হৈ আক্ষেপ কৰি কৈছিল 'আজি আমাৰ সকলোৱে তানচেনকহে বিশ্বাস কৰে, কিন্তু আমাৰ শ্ৰীশ্ৰী শংকৰদেৱৰ গায়নৰ অসীম ক্ষমতাক বিশ্বাস কৰিবলৈ টান পায়।'

বৃহত্তৰ অসম গঢ়াৰ সপোন দেখা, জনমভূমিৰ বাহিৰত থাকিলেও জনমভূমিৰ ছবি গৌৰৱেৰে বুকুত কঢ়িয়াই লৈ ফুৰা মহান শিল্পীগৰাকীৰ জন্ম হৈছিল ১৯০৯ৰ ৩০ জানুৱাৰীত। শুক্লপক্ষৰ পঞ্চমী তিথিত ঢাকা নগৰৰ লাইন বেৰাকত। তেওঁৰ পিতৃৰ নাম চৰ্দাৰ গোপাল চন্দ্ৰ ৰাভা আৰু মাতৃৰ নাম গেথীবালা ৰাভা। বিষ্ণুপ্ৰসাদ ৰাভাৰ পিতৃ গোপাল চন্দ্ৰ ৰাভাই চুবেদাৰ মেজৰ হিচাপে ঢাকাৰ লাইন বেৰাকত থাকোতেই এটি শুভ লগনত বিষ্ণু প্ৰসাদৰ জন্ম হৈছিল। লাইন বেৰাকৰ সামৰিক শিবিৰত বজোৱা শিঙাৰ ধ্বনিয়ে শিশু অৱস্থাতে বিষ্ণু প্ৰসাদ ৰাভাৰ অন্তৰত এক অবুজ সুৰৰ সৃষ্টি কৰিছিল।

বিষ্ণু প্ৰসাদৰ শিক্ষা জীৱন আৰম্ভ হয় বঙলা প্ৰাইমেৰী স্কুল ঢাকাত। ১৯১৩ত বিষ্ণু প্ৰসাদৰ দেউতাকে সামৰিক বিভাগৰ চাকৰিৰ পৰা অৱসৰ পায়। ব্ৰিটিছ চৰকাৰৰ পৰা দুহেজাৰ বিঘা খেতিৰ মাটি লাভ কৰি সপৰিয়ালে তেওঁলোক তেজপুৰত থাকিবলৈ লয়। সাংস্কৃতিক নগৰী তেজপুৰৰ চৰকাৰী হাইস্কুলত বিষ্ণু প্ৰসাদক চতুৰ্থ শ্ৰেণীত নাম ভৰ্তি কৰি দিয়ে। ইংৰাজী শিক্ষাৰ পাঠ আৰম্ভ হয় ঘৰত। শিক্ষাৰ মাধ্যমৰ বাবে চতুৰ্থ শ্ৰেণীত তেওঁৰ শিক্ষা জীৱন সাময়িকভাৱে বাধাপ্ৰাপ্ত হয় যদিও হতাশ নহৈ অধিক মনোযোগেৰে পঢ়া-শুনা কৰি দোপত দোপে আগবাঢ়ি সপ্তম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ প্ৰথম হৈ পাছ কৰে। তেওঁৰ কৃতকাৰ্যতাই সকলো শিক্ষকৰ দৃষ্টি আকৰ্ষণ কৰে। সুন্দৰ স্বাস্থ্য, খেল ধেমালিত নিপুণতা, স্কুলৰ বঁটা বিতৰণী সভা আদিত পৰিৱেশন কৰা গীত-মাত, লগ সমনীয়াৰ লগত সহজে মিলিব পৰা স্বভাৱ, ডাঙৰৰ প্ৰতি অমায়িক ব্যৱহাৰ আদি গুণ ৰাশিয়ে সময়ত তেওঁক এজন লেখত ল'বলগীয়া ছাত্ৰ কৰি গঢ়ি তুলিছিল।

হাইস্কুলৰ পাছৰ দুটা বছৰ শ্ৰেণীত প্ৰথম স্থান লাভ কৰি দশমমান শ্ৰেণীলৈ আগবাঢ়ে। লগে লগে ফুটবল, হকীখেল, সংগীত চৰ্চাতো পাৰদৰ্শিতা দেখুৱালে। ১৯২৬ত তেওঁ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি কলিকতাৰ ছেণ্টপল কলেজৰ আই এছ চি শ্ৰেণীত নাম ভৰ্তি কৰে। তেতিয়াই কলিকতা মহানগৰী সংগীত কলা-সাহিত্যৰ এটি ডাঙৰ কেন্দ্ৰ। তেওঁ তাত ক'লা চৰ্চাত মনোযোগ দিলে। কলেজত ক্ৰিকেট কেপ্তেইন নিৰ্বাচিত হয়। ১৯২৮ ত দুবছৰীয়া আই এছ চি পাছ কৰি তেওঁ কলিকতাৰ ৰিপন কলেজত বি, এছ চিত নাম লগায়। তাতো তেওঁ ছাত্ৰসকলৰ মাজত জনাজাত হৈ পৰে। ছাত্ৰসকলে তেওঁক ফুটবল কেপ্তেইন নিৰ্বাচিত কৰে। সেই সময়ত কলিকতীয়া কলেজত এনে সন্মান অসমীয়া ছাত্ৰ হিচাপে প্ৰথম সন্মান আছিল।

বাণিজ্য-ব্যৱসায়, শিক্ষা-সংস্কৃতি, সাহিত্য সংগীত, সমাজসেৱা, ধৰ্ম সকলো বিষয়ত উখল-মাখল কলিকতাত বিষ্ণু প্ৰসাদ ৰাভাই যেন এটি নতুন জীৱন পালে। বিষ্ণু প্ৰসাদৰ ভৱিষ্যতৰ মহৎ জীৱনৰ অনেক সমল কলিকতা মহানগৰতেই লাভ কৰে।

জাতিৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি সেৱাৰ অৱদান তেওঁ পিতৃ-পুৰুষৰ পৰাই পাইছিল। পিতৃ গোপাল চন্দ্ৰ ৰভাই তেজপুৰত স্থায়ীভাৱে থাকিবলৈ লোৱাৰ পাছত ৰাজহুৱা পুথিভঁৰাল, বাণ-ৰংগমঞ্চ আৰু কংগ্ৰেছ কাৰ্যালয় স্থাপনত বৰঙণি আগবঢ়ায়। বাণ-ৰংগমঞ্চখনক এটি দেৱ মন্দিৰৰ দৰেই তেওঁ শ্ৰদ্ধাৰ চকুৰে চাইছিল। অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ প্ৰতি তেওঁৰ অগাধ ভালপোৱা আৰু শ্ৰদ্ধা আছিল। তেজপুৰীয়া সকলো শ্ৰেণীৰ লোকে তেওঁক ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। সুন্দৰ স্বাস্থ্যৰ অধিকাৰী গোপাল চন্দ্ৰ ৰাভাৰ ১৯১৭ত পৰলোক প্ৰাপ্তি ঘটে। পিতৃ বিয়োগত বিষ্ণু প্ৰসাদ ৰাভা নিথৰুৱা হৈ পৰিছিল; কিন্তু তেওঁৰ উৎসাহ সাহস ছাত্ৰ জীৱনত ব্যাঘাত পৰিব দিয়া নাছিল। কলাৰ সাধনাও পাহৰি যোৱা নাছিল। তেজপুৰ নগৰৰ অ'ত ত'ত পৰি থকা শিলৰ প্ৰাচীন ঐতিহ্যমণ্ডিত মূৰ্তি বিলাকে তেওঁক সৰু কালৰে পৰাই আকৰ্ষণ কৰিছিল।

১৯২৯ত বি এছ চি প্ৰথম বাৰ্ষিকৰ পৰীক্ষা দি দ্বিতীয় বাৰ্ষিকলৈ প্ৰমোচন পোৱাৰ সময়তে কলিকতাত স্বাধীনতা আন্দোলনে ছাত্ৰ সমাজৰ মাজত অস্থিৰতাৰ সৃষ্টি কৰিছিল। গোপন ষড়যন্ত্ৰৰ বতাহ তলে তলে বৈ আহি এচাম যুৱকক উদ্বুদ্ধ কৰিছিল। চোৰাংচোৰাবিলাক কলেজৰ বাহিৰে ভিতৰে পিয়াপি দি ফুৰিছিল। যেতিয়াই তেতিয়াই পুলিচৰ তদন্তই এচাম ছাত্ৰক অতিষ্ঠ কৰি তুলিছিল। সন্ত্ৰাসবাদীৰ কাৰ্যকলাপো ইংৰাজ বিষয়াৰ প্ৰাণৰ শংকাৰ কাৰণ হৈছিল বিষ্ণু প্ৰসাদ ৰাজা সন্ত্ৰাসবাদীৰ লগত কোনো প্ৰকাৰে জড়িত হোৱা নাছিল; কিন্তু পুলিচৰ চোকা নজৰ বহুমুখী প্ৰতিভাৰ বিষ্ণু প্ৰসাদ ৰাভাৰ ওপৰত পৰিছিল। এদিন তেওঁ থকা হোষ্টেলৰ কোঠাটো পুলিচে আহি খানাতালাচ কৰিলে। তেতিয়া তেওঁ কলেজৰ জেনেৰেল কেপ্তেইন। ক্ৰমাৎ তেওঁৰ ওপৰত চলা পুলিচৰ তদন্ত বেছি হৈ আহিল। বিষ্ণু প্ৰসাদ ৰাভাই অতিষ্ঠ হৈ ট্ৰেন্সফাৰ-চাৰ্টিফিকেট লৈ ৰিপন কলেজ এৰিলে।

তেওঁ আহি কোচবিহাৰত অধ্যয়নৰ বাবে সাজু হ'ল। কলিকতাত তেওঁ বিজ্ঞান পঢ়িছিল, কিন্তু কোচবিহাৰৰ ভিক্টোৰিয়া কলেজত বিজ্ঞান বিভাগ নথকাৰ বাবে এবছৰ পিছুৱাই বি-এ শ্ৰেণীৰ প্ৰথম বাৰ্ষিকত নাম লগালে। পঢ়া আৰম্ভ হ'ল, খেল-ধেমালিতো লাগিলি, তেওঁৰ গীতৰ সুৰে অনেকক মুগ্ধ কৰিলে।

১৯২১ৰ পাছত মহাত্মা গান্ধীৰ নেতৃত্বত চলা অহিংস অসহযোগ আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিলে। ১৯৩০ত মহাত্মা গান্ধীয়ে সৱৰমতী আশ্ৰমৰ পৰা দুশ মাইল খোজ কাঢ়ি গৈ আৰৱ সাগৰৰ পাৰৰ দাণ্ডিৰ ওচৰৰ কৰাদি গাঁৱত লোণ তৈয়াৰ কৰি লোণ আইন ভংগ কৰিলে। লোণ আইন ভংগৰ অপৰাধত ১৮২৭ৰ ৩৫ ধাৰামতে ব্ৰিটিছ চৰকাৰে মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰে। মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰে ভাৰতবৰ্ষত জনজাগৰণৰ সৃষ্টি কৰিলে। স্বাধীনতাৰ কাৰণে বিষ্ণু প্ৰসাদৰ প্ৰাণতো অদম্য অগনি জ্বলি উঠিল। তেওঁ অকলে ৰাতি গোপনে ভিক্টোৰিয়া কলেজ জেনকিন্স হাইস্কুল, ৰাজপ্ৰাসাদৰ সন্মুখতে, ৰিজেণ্ট হাটচিনচন চাহাবৰ চৰকাৰী বঙলাৰ গেটত ত্ৰিবৰ্ণ পতাকা উৰুৱালে। ৰাতিপুৱা কোচবিহাৰ চহৰত হুলস্থূল লাগিল। চোৰাংচোৰা বাহিনী আৰু পুলিচ মিলিটেৰী সকলোৱে হৃষ্ট-পুষ্ট চেহেৰাৰ বিষ্ণু প্ৰসাদ ৰাভাক সন্দেহ কৰিলে; কিন্তু প্ৰমাণ নোপোৱাকৈ সন্দেহৰ ওপৰত তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ পুলিচৰ সাহস নহ'ল।

মহাত্মা গান্ধী গ্ৰেপ্তাৰ হোৱাত সমগ্ৰ ভাৰত জুৰি বিদ্ৰোহৰ অগনি দেখা দিলে। বিষ্ণুপ্ৰসাদে বি-এৰ বাৰ্ষিক পৰীক্ষা দি তেজপুৰলৈ গুচি আহিল। স্বাধীনতাৰ বা তেতিয়া তেজপুৰতো লাগিছে। বিষ্ণুপ্ৰসাদ ৰাভাই তেজপুৰলৈ আহি স্বাধীনতাৰ অগনি ছাত্ৰসকলৰ জৰিয়তে সাধাৰণ ৰাইজৰ মাজত জগাই তুলিলে। এসপ্তাহৰ পাছতে খবৰ আহিল কোচবিহাৰৰ পৰা চৰকাৰে তেওঁক বহিষ্কাৰ কৰিছে। কলেজ কৰ্তৃপক্ষই তেওঁক বাধ্যতামূলক ট্ৰেন্সফাৰ চাৰ্টিফিকেট দিবলৈ থিৰাং কৰিছে। পাছত তেওঁ জানিব পাৰিলে বি-এ চতুৰ্থ বাৰ্ষিকলৈ চতুৰ্থ স্থান লাভ কৰি প্ৰমোচন পাইছে। কৃতকাৰ্যতাত তেওঁৰ মন আনন্দৰে ভৰি পৰিল; কিন্তু পিছ মুহূৰ্ততে চিন্তা আহিল ছাত্ৰ জীৱনৰ বাকী সময় ক'ত কটাব? তেওঁৰ মনত পৰিল কোচবিহাৰৰ ৰাজ-ভৱনৰ চৌহদৰ দুৱাৰ মুখত নিজে লিখি আঁৰি দিয়া ৰিজেণ্ট হাটচিনচন আৰু দেৱান খাস্তগীৰ বিৰুদ্ধে চাৰি শাৰী বাংলা কবিতালৈ—

ৰাজ্যে আছে দুইটি পাঠা  
একটি কালো একটি সাদা।  
ৰাজ্যেৰ যদি মংগল চাও  
দুইটি পাঠা বলি দাও।।

শিক্ষাৰ অদম্য হেঁপাহে তেওঁক ভাটিৰ ৰংপুৰ পোৱালে। এসময়ত ৰংপুৰৰ লগত অসম কামৰূপৰ আছিল নিবিড় সম্পৰ্ক। তেওঁ ৰংপুৰৰ কাৰমাইকেল কলেজৰ বি-এ শ্ৰেণীৰ চতুৰ্থ বাৰ্ষিকত নাম লগালে। আৰম্ভণিৰে পৰা অধ্যয়নত মনোযোগ দিলে। খেলা-ধূলা গীত-মাতটো কলেজত অলপ দিনৰ ভিতৰতে তেওঁ জনাজাত হৈ পৰিল। কলেজ ক্ৰিকেট খেলৰো কেপ্তেইন হ'ল।

বিষ্ণু প্ৰসাদ ৰাভাই তাতো শান্তিৰে থাকিব নোৱাৰিলে। বংগদেশৰ সন্ত্ৰাসবাদী দলে ব্ৰিটিছ অস্ত্ৰাগাৰ লুণ্ঠন কৰিলে। পুলিচ চোৰাংচোৰাই বিষ্ণু প্ৰসাদক সন্দেহ কৰি তেওঁ থকা কলেজ বোৰ্ডিংখন কে'বাবাৰো তালাচী কৰিলে। তেওঁ বাৰুকৈয়ে বিৰক্ত হ'ল। আইন বিৰোধী ৰাষ্ট্ৰদ্ৰোহী কাৰ্যত তেওঁক সন্দেহ কৰাৰ বাবে সহজ সৰল আবেগ প্ৰৱণ ৰাভাই মনত বৰ দুখ পালে। তেওঁ কলিকতালৈ গৈ পঢ়াৰ কথা ভাবিলে। তেতিয়াৰ কলিকতা মহানগৰী পশ্চিমীয়া জগতৰ সাহিত্য-সংস্কৃতি সভ্যতাৰ প্ৰৱেশৰ সিংহ দুৱাৰ। কলিকতালৈ দ্বিতীয়বাৰ আহি বিষ্ণু প্ৰসাদৰ মন পঢ়া শুনাতকৈ সুকুমাৰ কলা সাধনাৰ প্ৰতিহে ঢাল খালে। কলাৰ সাধনাৰ বাবে সেইসময়ত বংগদেশৰ সংগীতজ্ঞই সংগীতৰ বিষয়ে প্ৰৱন্ধ পাতি লিখা 'সংগীত বিদ্যা প্ৰৱেশিকা' নামৰ আলোচনী এখন নিয়মীয়াকৈ অধ্যয়ন কৰিছিল। কলাৰ বিকাশৰ বাবে চিনেমাৰ কোম্পানী এটা খোলাৰ চিন্তাও কৰিছিল; কিন্তু তাতো তেওঁৰ ওপৰত পুলিচ আৰু চি আই-ডিৰ নজৰ পৰিল।

সুভাষ চন্দ্ৰ বসুৰ দ্বাৰা পৰিচালিত স্বেচ্ছাসেৱী অনুষ্ঠান 'বেংগল ভলণ্টিয়াৰ্ছ' সেই সময়ত কলিকতাত ইংৰাজ চৰকাৰৰ বাবে এটি আতংকিত অনুষ্ঠান। ইফালে চট্টগ্ৰামত সশস্ত্ৰ পুলিচ চিপাহীৰ লগত বিপ্লৱী দলৰ সংঘৰ্ষ হ'ল। বিপ্লৱী দলক নেতৃত্ব দিয়া সূৰ্য সেনে 'বেংগল ভলণ্টিয়াৰ্ছ'ৰ লগত গোপন সংযোগ কৰা বুলি চি আই ডিয়ে সন্দেহ কৰিলে। তালাচী চলিল। তেতিয়া সম্পূৰ্ণৰূপে কলাৰ সাধনাত মগ্ন থকা বিষ্ণু প্ৰসাদ ৰাভাৰ কোঠাটো খানাতালাচ কৰিলে। তেওঁ মনত বৰ দুখ পালে, কলাৰ সাধনাত ব্যাঘাত জন্মিল। সেই সময়ত চাকৰি কৰি থকা বিষ্ণু প্ৰসাদৰ ককায়েক নন্দলাল ৰাভাই (পুলিচ বিষয়া) বিষ্ণু প্ৰসাদক ঢাকালৈ মাতি পঠালে। বিষ্ণুপ্ৰসাদে ঢাকালৈকে যোৱাটো থিৰাং কৰিলে। ঢাকা নগৰী বিষ্ণু প্ৰসাদে য'ত পৃথিৱীৰ প্ৰথম পোহৰ দেখিছিল। আঠ বছৰ বয়সতে অভিনয় কৰি কলাৰ সাধনাৰ প্ৰথম খোজ দিছিল। দ্বিতীয়বাৰ কলিকতা এৰি যোৱাৰ লগে লগে তেওঁৰ ছাত্ৰ সংগ্ৰামী জীৱনৰো সামৰণি ঘটিছিল।

*ফোন ঃ ৮৮৭৬৭৬২৩৮৫*

## গণশিল্পী সাম্যবাদী নেতা বিষ্ণু প্ৰসাদ ৰাভা

শৈলেন দাস

**গণনাট্য** জগতৰ গণশিল্পী, সাম্যবাদী বাওঁপন্থী চিপিআই নেতা তথা প্ৰাক্তন বিধায়ক, এটা সময়ৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টীৰ নেতা প্ৰয়াত বিষ্ণু প্ৰসাদ ৰাভাৰ বিষয়ে লিখিবলৈ লোৱা মানে হিমালয় পৰ্বতখনক বাঢ়নী কাঠিৰে হেঁচুকিবলৈ যোৱা যেনহে লাগিছে। তথাপিতো হাতী মাৰি ভুৰুকাত সোমোৱাৰ দৰে জ্ঞাতখিনি উল্লেখ কৰিবলৈ বা লিখিবলৈ চেষ্টা কৰিছো।

প্ৰয়াত ৰাভাৰ লগত মোৰ তেনে কোনো ব্যক্তিগত জীৱনত আদান-প্ৰদান বা পৰিচয় হোৱা নাছিল। তেওঁৰ নামটোহে শুনিছিলো। নামে মানুহে দেখা নাছিলো। মই তেতিয়া সম্ভৱ নৱম কি দশম শ্ৰেণীৰ ছাত্ৰ। ১৯৬৪ মান হ'ব। আন্তৰ্জাতিক ফুটবল খেলুৱৈ 'চিউ মেওলালে' গোৱালপাৰা ক্ৰীড়া সন্থাৰ আমন্ত্ৰণ মৰ্মে তেওঁ গোৱালপাৰা চহৰত ১৫ দিন থাকি পুৱা আৰু আবেলি আমাক প্ৰায় ৬০-৭০ গৰাকী ন-পুৰণি ফুটবল খেলুৱৈক ফুটবল খেলৰ প্ৰশিক্ষণ দিছিল। তেওঁক ৰখা হৈছিল অসম ক্লাবৰ সন্মুখৰ গণ্যমান্য ব্যক্তি তথা জনপ্ৰিয় নেতা প্ৰয়াত মণিকান্ত দাসৰ ঘৰটোত। পাছত ক্ৰীড়া বিভাগৰ অফিচটো তাত চলি আছিল। বৰ্তমান বেলেগ ব্যক্তিয়ে ঘৰটো ক্ৰয় কৰিছে। আমাৰ ফুটবল প্ৰশিক্ষণৰ সময়ত বিষ্ণু প্ৰসাদ ৰাভাই 'কিয়' নাটকখন চহৰৰ কিছুমান শিল্পীৰ সহায় আৰু সহযোগত স্থানীয় অসম ক্লাবত মঞ্চস্থ কৰিছিল। আমি যিহেতু প্ৰশিক্ষক মেওলালক অসম ক্লাবৰ সন্মুখৰ ঘৰটোত ৰাখিছিলো, সেয়ে পুৱা আবেলি আমি কিছুমানে তাত লগ হৈ প্ৰশিক্ষক মেওলালৰ স'তে পি আৰ চৰকাৰী উচ্চতৰ মাধ্যমিক হাইস্কুল আৰু গোৱালপাৰা কলেজৰ খেলপথাৰলৈ খেলৰ প্ৰশিক্ষণৰ কাৰণে যাওঁ। কিছুমানে আকৌ বাহিৰে বাহিৰে যায়। সেই সময়ত মই বিষ্ণু প্ৰসাদ ৰাভাক অসম ক্লাবৰ সন্মুখত থিয় হৈ থকা দেখিছিলো। মস্ত শকত-আৰত ওখ মানুহজন। সেয়া আছিল মোৰ বাস্তৱত নামে মানুহে দেখা মানুহজন 'বিষ্ণু প্ৰসাদ ৰাভা'।



অৱশ্যে তেওঁৰ বিষয়ে শুনিছিলো প্ৰাক্তন চিপিআই বিধায়ক শৰৎ চন্দ্ৰ ৰাভা, ধীৰেণ বোস, মদন ৰায়, বিধায়ক মোহম্মদ আলী, কৰুণা নাথ আৰু বহুজনৰ মুখত।

শৰৎ ৰাভাই কৈছিল— বিষ্ণু প্ৰসাদ ৰাভাই হেনো তেওঁক বিপ্লৱী কমিউনিষ্ট পাৰ্টীলৈ অনা গুৰু। অৰ্থাৎ দ্বিতীয় মহাসমৰৰ সময়ত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ বেনাৰত অসমত 'কৃষক বনুৱা পঞ্চায়ত' নামৰ এটা গণ সংগঠন কৰিছিল। সেই সংগঠনটোৰ নেতৃত্বত ১৯৪৫ৰ জানুৱাৰীত দক্ষিণ কামৰূপৰ ভাঙুৰী পাৰাত অসম ৰাজ্যিক সন্মিলন অনুষ্ঠিত কৰে। সেই সন্মিলনখনত গোৱালপাৰাৰ পৰা প্ৰতিনিধিত্ব কৰিছিল ক্ৰমান্বয়ে—কাণ্টাৰাম ৰাভা-ছোটমাটিয়া, বৈকুণ্ঠ ৰাভা শালপাৰা, সুৰথ ৰাভা, শালপাৰা। সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ প্ৰস্তুতিৰ কাৰণে শৰৎ চন্দ্ৰ ৰাভাই প্ৰায় ১০ দিনমান আগত গৈছিল। সেইখন সমিতিতেই শৰৎ চন্দ্ৰ ৰাভাই বিষ্ণু প্ৰসাদক দেখে। যি নহওঁক সভাৰ শেষত বেলেগৰ হতুৱাই বিষ্ণু ৰাভাই শৰৎ ৰাভাক মাতি পঠিওৱাত শৰৎ ৰাভাই সোঁ-শৰীৰে বিষ্ণু ৰাভাৰ সন্মুখত উপস্থিত হয়। তেতিয়া বিষ্ণু ৰাভাই কৈছিল—'গোৱালপাৰাৰ এজন ৰাভা ছাত্ৰ অহা বুলি জানি তোমাক মাতিছো।' মই কোনো ৰাজনৈতিক দলত যোগ দিয়া নাই, স্বাধীনতা সংগ্ৰামতহে যোগ দিছো। দুখীয়া, শোষিত মানুহৰ মুক্তিৰ বাবে ভাৰতৰ বিপ্লৱী সাম্যবাদী দলেই উপযুক্ত হ'ব। মই এই দলত যোগ দিম। তুমিও এই দলত থাকিব লাগিব। শৰৎ ৰাভাই তেওঁৰ কথাত উৎসাহিত হ'ল। লগে লগে ইতিবাচক সিদ্ধান্ত ব্যক্ত কৰিলে আৰু অৱশেষত ১৯৪৫ৰ ফেব্ৰুৱাৰীত বিষ্ণু ৰাভাৰ লগতে শৰৎ ৰাভায়ো বিপ্লৱী কমিউনিষ্ট পাৰ্টীত যোগ দিয়ে। ফলত শৰৎ ৰাভা, বিষ্ণু ৰাভাৰ অন্যতম সতীৰ্থ হৈ পৰে। অৱশ্যে পাছত তেওঁলোকে বিপ্লৱী কমিউনিষ্ট পাৰ্টী ত্যাগ কৰি ১৯৫৫ত ভাৰতৰ কমিউনিষ্ট পাৰ্টীত যোগদান কৰে।

এইখিনিতে উল্লেখ কৰিব খুজিছো যে , ভাৰতীয় সাংস্কৃতিক সহযোগিতা আৰু মৈত্ৰী সংঘৰ অসম ৰাজ্যিক সাংস্কৃতিৰ তিনিমহীয়া মুখপত্ৰ 'সম্প্ৰীতি' দ্বিতীয় বছৰ ষষ্ঠ সংখ্যাত বিপ্লৱী কমিউনিষ্ট তথা ভাৰতৰ কমিউনিষ্টৰ নেতা চিপিআই বিধায়ক তথা গুৱাহাটী পৌৰ নিগমৰ প্ৰথমগৰাকী চিপিআই দলৰ উপাধ্যক্ষ গোবিন্দ কলিতাই কোৱা মতে ১৯৪৫ৰ আঠ জুনত তেওঁ জেলৰ পৰা মুক্ত হৈ পুনৰ কৃষক আন্দোলনত নামি পৰে। সেই সময়ত প্ৰথমা পত্নীৰ বিয়োগত শোকাতপ্ত ৰাভাই কামাখ্যাৰ নামনিত এটা ভাড়াঘৰত বাস কৰিছিল। গোবিন্দ কলিতাই শান্তিপুৰৰ উপেন শৰ্মাৰ লগত গৈ ৰাভাক সাক্ষাৎ কৰে আৰু ৰাজনৈতিক আলাপ-আলোচনা কৰে। পাছত বিভিন্ন সভা-সমিতিলৈ তেওঁলোকৰ লগত যাবলৈ আহ্বান জনায়। ৰাভাই সন্মতি দিলে। সোমাই পৰিল ৰাভা সক্ৰিয় ৰাজনৈতিক জীৱনৰ আৰম্ভণিত। অৰ্থাৎ গোবিন্দ কলিতাই আছিল ৰাভাৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টীত যোগদান দিয়া গুৰু। প্ৰাক্তন বিধায়ক শৈলেন মেধি ৰাভাৰ গা-ৰক্ষী হিচাপে থাকি ৰাভাক বিভিন্ন সভা-সমিতি আদিলৈ অনা নিয়া কৰিছিল। তৰুণ সেন ডেকা, লোহিত চন্দ্ৰ দাস, কামিনী মোহন শৰ্মা, অৰোবিন্দ ঘোষ আৰু বহুতো আছে। তেওঁলোকেও সাম্যবাদী সমতাৰ বাবে যুঁজ দিছিল ৰাভাৰ সহযোগী হৈ।

শৰৎ ৰাভাৰ মুখৰ পৰা শুনা বেদনাদায়ক যদিও হাস্যকৰ ঘটনা, অৰ্থাৎ বিধায়ক হৈ থকাৰ সময়ত (১৯৬৭ত বিধায়ক হয়) তেতিয়া শ্বিলঙত অসমৰ ৰাজধানী। গিৰীয়েক ঘৈণীয়েকৰ খুটুং-খাটাং কিবা লাগে। হ'ব আৰু কি? ৰাভাই ঘৈণীয়েকৰ ওপৰত খং কৰি গুচি আহি একেধাপে ছোটমাটিয়া শৰৎ ৰাভাৰ ঘৰ পায়। আহিয়েই আৰম্ভ কৰে—'বুজিছানে শৰৎ তোৰ বৌ মোহিনীটো বৰ বেয়া। মই আৰু ঘৰত নাযাওঁ। মই ইয়াতেই থাকিম' শৰৎ ৰাভাও জানো কম? বিষ্ণু ৰাভাৰ হিয়া ভৰা দুখৰ কথা শুনে যদিও তেওঁ মনে মনে থাকে। কোনো উত্তৰ নিদিয়ে। মাথোঁ কয়—'দাদা আপুনি দুখে-ভাগৰে আহি পাইছে। মুখ-হাত ধুই অকণমান জিৰণি লওঁক। খাই বই উঠাৰ পাছত সেইবোৰ শুনিম। দুদিনমান তেনেকৈয়ে যায়। ওচৰে-পাজৰে গৈ মেল-মিটিং কৰে। ঘৰত জিৰণি লোৱাৰ সময়ত পৰিৱেশ পৰিস্থিতি বুজি শৰৎ ৰাভাই লাহেকৈ উলিয়ায় 'দাদা, ঘৈণীয়েকে যদি স্বামীৰ ওচৰত অবদাৰ বা অভিমান নকৰে তেতিয়াহ'লে কাৰ ওচৰত কৰিব? বৌৱে কিবা হয়তো ক'ব পাৰে, সেই বুলি তাকেই ধৰি থাকিব লাগেনে? হ'ব দে, কাইলৈ ময়ে আপোনাৰ লগতে আপোনাৰ ঘৰলৈ যাম। বৌক কি ক'ব লাগে মই বুজাই পৰাই ক'ম। আপুনি একো চিন্তা কৰিব নালাগে।' সেই মতে পাছদিনা দুয়ো যায়। যি নহওঁক শৰৎ ৰাভাই দুয়োকে বুজাই পৰাই মিল কৰি থৈ নিজ ঘৰলৈ উভতি আহে।

এই হ'ল বিষ্ণু ৰাভাৰ বেদনাদায়ক যদিও হাস্যকৰ ঘটনা।

প্ৰয়াত ধীৰেণ বোসৰ মুখৰ পৰা শুনা মতে বিষ্ণু ৰাভা গোৱালপাৰালৈ আহিলে বোসৰ ঘৰতেই প্ৰায় থাকে যদিও তেওঁৰ নিজা মানুহো আছে। পাৰ্টিৰ গোপন বৈঠকসমূহো বিভিন্ন ঠাইলৈ গৈ কৰে। প্ৰখ্যাত নৃত্য শিল্পী মুকুন্দ ভট্টাচাৰ্যও ৰাভাৰ লগত অহাত দুয়ো বোসৰ ঘৰতেই থাকিছিল। বিষ্ণু ৰাভাই মাজে মাজে বোসৰ গণ-সাহিত্য ভৱনতো ৰাতিটো কটাই যাবলগীয়া হয়। সেই কথা বোসে কয়।

প্ৰয়াত মোহম্মদ আলীৰ পৰা শুনামতে 'যিহেতু বিষ্ণু ৰাভা কমিউনিষ্ট। সেয়ে কমিউনিষ্ট কমৰেড সকলোক গোৱালপাৰালৈ আহিলেই লগ ধৰি পাৰ্টিৰ কাম-কাজৰ ওপৰত আলোচনা কৰে। এবাৰ 'কিয়' নাটকখন গোৱালপাৰা চহৰৰ অসম ক্লাবত মঞ্চস্থ কৰে। নাটকখনৰ খৰচৰ কাৰণে টিকটৰ ব্যৱস্থা কৰিছিল। আলী কমিউনিষ্ট কাৰণে তেওঁক মাতি লৈ গৈ টিকট বিক্ৰী কৰিবলৈ দিছিল। অৱশ্যে আন আন নাটকৰ সহযোগীসকলেও টিকট বিক্ৰী কৰিছিল। যি নহওঁক আলীয়ে দায়িত্ব লৈ টিকটখিনি সম্পূৰ্ণ বিক্ৰী কৰি টকা জমা দিয়ে। আন আন দিশতো সহায়-সহযোগ কৰে। শেষত আলীয়ে নাটকো উপভোগ কৰে।

মদন ৰায় আৰু কৰুণা নাথৰ পৰা শুনা মতে যেতিয়া বিষ্ণু ৰাভা সভা সমিতি কৰিবলৈ গোৱালপাৰালৈ আহে। আহিলেই প্ৰায় ছোট মাটিয়ালৈ গৈ শৰৎ ৰাভাৰ ঘৰত থাকে। আমিও যাওঁ। যদিও আমি কনিষ্ঠ তথাপিতো কমৰেড হিচাপে আমাক সমান অধিকাৰ দিছিল। সেয়ে আমি দুয়ো সভা-সমিতিত সহায় কৰাৰ উপৰি তেওঁৰ কাৰণে ঘৰুৱা জোগাৰ যোগান ধৰিবলগীয়া হৈছিল। ইত্যাদি ইত্যাদি।



তেওঁৰ বিষয়ে লিখিবলগীয়া আছে যদিও আৰম্ভণিতেই উল্লেখ কৰি আহিছো হাতী মাৰি ভুৰুকাত সোমোৱাৰ কথা ৰাভাই চিপিআইৰ ৰূপালী জয়ন্তীলৈ লিখা অন্তিম চিঠিখন পাঠক তথা ৰাইজৰ জ্ঞাতাৰ্থে তলত হুবহু উল্লেখ কৰা হ'ল।

**বিষ্ণু ৰাভাৰ অন্তিম চিঠি**

ৰাইজৰ অসীম বল। সীমাহীন শক্তি। এই জোৰাল কথাষাৰকে বুজা নাছিলো। ভাবিছিলো চহৰ-নগৰৰ ভেমপুৰীয়া সকলেই দেশৰ, সমাজৰ আৰু ৰাইজৰ নেতা। দৰাচলতে অসমৰ সীমা মূৰলীয়া ঠাইত যেতিয়া দ্বিতীয় মহাসমৰৰ কামান গৰজি উঠিল, সৌমাৰ সীমান্ত অঞ্চলত জাপানৰ জাকে জাকে উৰাজাহাজ আহি ডেউকা মেলি আকাশ ছানি পেলালে আৰু সীমান্ত ভূমিত জয়াল জাপানী বোমাৰ বিস্ফোৰণ হ'ল, তেতিয়া মোৰ মনত কোটিকলীয়া অসমৰ লাখ লাখ বছৰীয়া সংস্কৃতি আৰু সভ্যতা জানোচা যায়, এই চিন্তাই মোৰ হিয়া খুলি খুলি খাইছিল।

অসমীয়া কৃষ্টি সংস্কৃতি আৰু সভ্যতাৰ সঁচাকৈয়ে যিসকল ধাৰক আৰু বাহক সেইসকলৰ পৰা যদি মই অসমীয়া সংস্কৃতি আৰু সভ্যতাৰ কিছু সমল ধৰি ৰাখিব পাৰো, তেন্তে মোৰ টোপোলাত হয়তো অসমীয়া ৰাইজৰ কাৰণে কিছু সমল থাকিব পাৰে আৰু ধ্বংসৰ মাজতো অসমীয়া কৃষ্টি-সংস্কৃতি বাচিব পাৰে এনে বলিষ্ঠ প্ৰাণত লৈয়েই অসমীয়া ৰাইজৰ মাজত জঁপিয়াই পৰো।

ৰাইজেই গণ দেৱতা। এই গণ দেৱতাৰ অতীত হিয়াত কিমান দয়া, কিমান কৃপা। অথচ সেই প্ৰাণৰো প্ৰাণ অজেয়। এই ৰাইজৰ হিয়া কোঁহৰ পৰা কৃষ্টি অমৃতৰ সুৰৰ টোপোলাবোৰ বুটলি আনি মই মোৰ নিজৰ মনকোঁহত ভৰাই লওঁ। সেই মন মৌকোঁহতে ৰহঘৰা মৌচাক সাজি তাৰ পৰা নিজৰি নিগৰি ওলোৱা ৰসৰ টোপোলাবোৰ বিলাই দিবলৈ ধৰো।

যিসকল অসমীয়াৰ প্ৰাণস্বৰূপ, যিসকল অসমীয়া সংস্কৃতিৰ ধাৰক আৰু বাহক সেইসকল হালোৱা হজুৱা বনুৱা তল মজলীয়া ৰাইজ ক্লিষ্ট, শোষিত, দলিত নিষ্পেষিত আৰু নিপীড়িত। এই ৰাইজৰে দুখত সমদুখী হৈ ৰাইজৰ হিয়াৰ মৰম চেনেহৰ অঠাই সাগৰৰ পানীত সাঁতুৰি উমলি ফুৰিছিলো।

১৯৪৫ৰ পৰা ৰাইজৰ মাজত জঁপিয়াই পৰি বহু সভা-সমিতিৰ যোগে ৰাইজৰ প্ৰতি মোৰ কৃতজ্ঞতা যাজিছিলো। তেতিয়াৰ পৰাই ভাৰতৰ বিপ্লৱী সাম্যবাদী দলৰ লগত সংশ্লিষ্ট থাকি মাৰ্ক্সীয় দৰ্শন, মাৰ্ক্সীয় অৰ্থনীতি, দ্বন্দ্ববাদৰ লগত পৰিচিত হৈ আৰু লেনিনবাদৰ সম্যক জ্ঞানৰ উপলব্ধিৰ আশাত প্ৰকৃত কমিউনিষ্ট হোৱাৰ আশাত ৰাইজৰ হিয়াৰ আমঠু, ৰাইজৰ প্ৰাণৰ লগৰী আৰু ৰাইজৰ লগত একেলগে মিলিজুলি ৰাইজক মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি উদ্বুদ্ধ কৰাৰ কাৰণে নিজৰ সকলো শক্তি নিয়োগ কৰো।

১৯৪৬ৰ শেহৰ ফালে প্ৰসিদ্ধ অসমীয়া বোলছবি 'ছিৰাজ'ৰ পৰিচালনাৰ একাংশত অসমৰ বাহিৰত ব্যস্ত থকাত সেই কাম প্ৰায় ১০ মাহৰ পাছত সমাধা কৰি স্বাধীনতাৰ পাছত অসমলৈ আহি দলীয় ৰাজনীতিত ব্যস্ত থাকি সভাই সমিতিয়ে ঘূৰি ফুৰোতে কংগ্ৰেছ চৰকাৰৰ শেন চকুত পৰি অজ্ঞাতবাসৰ 'বিৰাট পৰ্ব'ৰ বিৰাট সাধনাত অংশগ্ৰহণ কৰিছিলো। সেই বিৰাট সাধনা জনসাধাৰণৰ সেৱাত থাকোতেই ধৰা পৰি এবছৰ কাৰাবাস খাটি ওলাই আহি কিছুদিনৰ পাছত সেই বিৰাট সাধনাৰ স্বাভাৱিক পথেই মোক লৈ আহে ভাৰতৰ কমিউনিষ্ট পাৰ্টি লৈ, বিশ্বজুৰি মহামানৱৰ মুক্তি যি অভিযান, সেই অভিযানৰ অংশ হ'বলৈ। সেই কথা ১৯৫৫ৰ। তেতিয়াৰ পৰা বিশ্বভ্ৰাতৃত্বৰ শ্ৰমিক, কৃষক, সৃষ্টিকাৰী জনতাৰ শান্তিৰে দুখকাৰী পাৰ্টি কমিউনিষ্ট পাৰ্টিৰ সভ্যৰূপে ৰাইজৰ সেৱা কৰি আহিছো।

১৯৬২ত চীনা আক্ৰমণৰ আশংকাত তেজপুৰবাসী যেতিয়া সন্ত্ৰস্ত হৈ পৰিছিল দেশৰক্ষা আৰু ৰাইজক সাধ্য অনুসৰি অভয় দিয়াৰ চেষ্টা কৰাৰ দোষতে মাতৃহীন দুটা শিশুক বুকুত লৈ শুই থকাৰ পৰা কংগ্ৰেছ চৰকাৰৰ পুলিচে তেজপুৰৰ পৰা গুৱাহাটীলৈ পঘাৰে বান্ধি সাত মাহ সুদূৰ উৰিছাত কাৰাৰুদ্ধ কৰি ৰখা ৰাইজৰ সেৱাৰ পৰা বঞ্চিত কৰিবলৈ বিচাৰিছিল। কিন্তু বিচলিত হোৱা নাছিলো। পাইছিলো, পাইছিলো নতুন নতুন বল।

আজি মই ৰোগশয্যাত। মোৰ মনত অসীম প্ৰেৰণা যোগোৱা পাৰ্টি আৰু জনসাধাৰণৰ পৰা মই আঁতৰত থাকিব লগা হৈছে। তথাপি মোৰ মন সদায় ৰাইজৰ মাজত। যি আদৰ্শৰ সাধনাত জীৱনৰ সামৰ্থ আগবঢ়াইছিল সেই আদৰ্শৰ পাৰ্টিৰ অসমত ৰূপালী জয়ন্তী উপলক্ষে ৰোগ শয্যাৰ পৰাই অভিনন্দন জনাইছো।

**বিষ্ণু প্ৰসাদ ৰাভা**  
**১৫/০৫/১৯৬৯**

**দ্ৰষ্টব্য ঃ (১৯৬৯ৰ মে'ত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ৰূপালী জয়ন্তী অনুষ্ঠিত হৈছিল। কমৰেড ৰাভাই ৰোগশয্যাৰ পৰাই উক্ত অভিনন্দন বাণী প্ৰেৰণ কৰিছিল।)**

ফোন ঃ ৬০০৩০০৬১০০, ৯৪৩৫৭৫৬৭১৮

## বিষ্ণু ৰাভাৰ সান্নিধ্যত অসমৰ প্ৰথম সহ অভিনেত্ৰী বিনদা গগৈ

মীৰা দত্ত চৌধুৰী

**১৯৩০চন**। সৈনিক শিল্পী ব্ৰজনাথ শৰ্মাৰ পৰিচালনাত 'ডি আসাম ইউনিয়ন কোহিনুৰ অপেৰা পাৰ্টি' নামেৰে অসমৰ প্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ দল গঠন হয়। সেই সময়ছোৱাত ছোৱালীয়ে মঞ্চত অভিনয় কৰাটো একেবাৰে দোষণীয় আছিল। ভ্ৰাম্যমাণ দল গঠন কৰি ব্ৰজ শৰ্মা নামিল মহিলা শিল্পীৰ সন্ধানত। বহু বিচাৰ খোচাৰ কৰিও ছোৱালী গোটাব নোৱাৰি চেমনীয়া চন্দ্ৰ চৌধুৰীকে (নাট্য সম্ৰাট চন্দ্ৰ চৌধুৰী) ছোৱালীৰ অভিনয় কৰাই গ'ল। য'লৈকে থিয়েটাৰ দল গৈছে তাতেই মহিলা শিল্পীৰ অনুসন্ধান কৰিছে। দুখনমান গাঁৱৰ পৰা তিনিজনী ছোৱালী পাইছিল যদিও তেওঁলোকৰ দ্বাৰা অভিনয় কৰাব পৰা নাছিল। তেওঁলোকক থিয়েটাৰ দলতে ৰাখি শিকাই বুজাই ল'বলৈ চেষ্টা কৰিছিল। ব্ৰজ শৰ্মাই যি তিনিগৰাকী ছোৱালী আনিছিল, তেওঁলোক আছিল— গোলাপী নাথ, সৰ্বেশ্বৰী নাথ আৰু ফুলেশ্বৰী হাজৰিকা। এই তিনিগৰাকীৰ বাহিৰেও ৰক্ষণশীল সমাজৰ বাধা-ভাঙি আৰু দুজনী ছোৱালী আনিছিল। তেওঁলোক হ'ল— যোৰহাটৰ ৰজা মৈদামৰ শৈল্যবালা দেৱী আৰু উত্তৰ গুৱাহাটীৰ লাৱণ্য দাস। এওঁলোকক পাৰ্টি চলি থকা সময়তে দুবছৰ ধৰি প্ৰশিক্ষণ দিয়া হৈছিল। ১৯৩৩ৰ অক্টোবৰত কোহিনুৰ থিয়েটাৰ পাৰ্টিয়ে নাজিৰাৰ নাট্যমন্দিৰত ১৫ নিশাৰ বাবে নাট্যাভিনয় প্ৰদৰ্শন কৰিবলৈ গৈছিল। তাতেই নাজিৰাৰ অৱসৰী পুলিচ বিষয়া লক্ষীকান্ত গগৈৰ কন্যা বিনদা গগৈক আনিছিল এই অপেৰা পাৰ্টিত অভিনয় কৰাবলৈ। ১২ বছৰীয়া বিনদা গগৈয়ে সুন্দৰকৈ গীত-নৃত্য, অভিনয় প্ৰদৰ্শন কৰিছিল। তেতিয়াই চেমনীয়া চন্দ্ৰ চৌধুৰী আৰু বিনদা গগৈৰ চাৰি চকুৰ মিলন হয়। ব্ৰজ শৰ্মাই কথাটো গম পাই দুয়োৰে বিবাহৰ সিদ্ধান্ত ল'লে।

১৯৩৭ত ৰক্ষণশীল সমাজৰ বাধা নেওচি ডুমডুমা নাট্যমন্দিৰত বৈদিক প্ৰথাৰে বিয়া পাতি এখন সুখৰ সংসাৰ গঢ়াৰ সপোন দেখিছিল চন্দ্ৰ চৌধুৰীয়ে। নাটক কৰা ছোৱালীৰ স'তে বিয়া পাতি মানুহৰ মনত থকা মনোভাৱক প্ৰত্যাহ্বান জনাইছিল। বিনদা গগৈ আৰু চন্দ্ৰ চৌধুৰীৰ এই ঐতিহাসিক অগতানুগতিক বিয়াখন ডুমডুমাবাসী ৰাইজে উপভোগ কৰিছিল।

১৯৩৭ৰ পৰা ১৯৪৬ লৈ বিনদা গগৈ আৰু চন্দ্ৰ চৌধুৰীয়ে ডিব্ৰুগড়ত স্থায়ীভাৱে থাকিবলৈ লয়। সেই সময়খিনিতে বিনদা গগৈ আৰু চন্দ্ৰ চৌধুৰীয়ে গীত-নৃত্য, অভিনয় শিকাই পেট প্ৰৱৰ্তাইছিল। ১৯৩৮ত প্ৰাচীন কামৰূপী নৃত্য সংঘই ডিব্ৰুগড়লৈ নৃত্য প্ৰদৰ্শন কৰিবলৈ আহিছিল। লগত আছিল বিষ্ণু ৰাভা। ৰাভাই আহি বিনদা গগৈ আৰু চন্দ্ৰ চৌধুৰীৰ ঘৰত ওলাল। হঠাৎ ৰাভাক এনেদৰে দেখি তেওঁলোক আচৰিত হ'ল। তাতেই কেইদিন থাকি ৰাভাই পুনৰ দলটোৰ লগত উভতি যায়।

১৯৪৩ৰ জুন মাহত হঠাৎ ৰাভা উপস্থিত হ'ল বিনদা গগৈৰ ঘৰত। এনেদৰে ৰাভাই তেওঁলোকৰ ঘৰত চাৰিমাহ থাকি তাতেই নাটক, গীত, বুৰঞ্জী লিখিবলৈ আৰম্ভ কৰে। গধূলি হোৱাৰ লগে লগে সংগীত প্ৰেমী সকলে তেওঁলোকৰ ঘৰত উপস্থিত হয়। ৰাভাই শিকোৱা গীত চন্দ্ৰ চৌধুৰী আৰু বিনদা গগৈয়ে গাই সন্ধিয়াটো জিপাল কৰি তোলে। প্ৰতি সন্ধিয়া তেওঁলোকৰ ঘৰত জলচা হয় শেষ নিশালৈকে। তেওঁলোকৰ ঘৰত থাকিয়েই ৰাভাই 'মটক বুৰঞ্জী' লিখিছিল আৰু গান ৰচনা কৰি সুৰ দি দুয়োকে শিকাইছিল।

মোৰ জীৱনৰ আকাশতে  
ইন্দ্ৰধনু গঢ়িম।।  
মোৰ কবিতাৰ ছন্দ লাগি  
স্পন্দন তোৰ জাগেনে

বিনদা গগৈৰ সুন্দৰ কণ্ঠেৰে নিগৰিছিল এই দুটি গান।

ৰাভা বিনদা গগৈৰ ঘৰত থকা বুলি গম পাই নগৰৰ পৰা সম্ভ্ৰান্ত ঘৰৰ ল'ৰাকেইজনমানে তেওঁলোকৰ ঘৰলৈ নিবলৈ আহিল। তেতিয়া ৰাভাই তেওঁলোকৰ অনুৰোধ প্ৰত্যাখ্যান কৰি হাঁহি হাঁহি ক'লে— 'মই ইয়াতে বেচ আৰামত আছো। আপোনালোকে মোক বেয়া নাপাব। মই যিকেইটাদিন থাকিম ইয়াতেই থাকিম। আন ক'লৈকো নাযাওঁ।' ডেকা ল'ৰাকেইটাই দুখ মনেৰে উভতি গৈছিল। তাকে দেখি বিনদা গগৈ আৰু চন্দ্ৰ চৌধুৰীয়ে ৰাভাক সুধিলে, 'ককাইদেউ আপুনি মানুহ কেইজনৰ মনত দুখ দি কিয় ঘূৰাই পঠিয়াইছে? ধনী মানুহ, তেওঁলোকৰ লগত থাকি আপুনি খোৱা-লোৱা, থকা-মেলাত আৰাম পালেহেঁতেন।' তেতিয়া তেওঁ হাঁহি মাৰি কৈছিল— 'চোৱা মই সেই আৰাম নিবিচাৰো। তেওঁলোকৰ ৰাজ অট্টালিকাতকৈ তোমালোকৰ এই পঁজাটোৱে মোৰ বাবে 'ইন্দ্ৰৰ নন্দন-কানন।' তেওঁলোকৰ ৰাজভোগতকৈ পুটিৰ (বিনদা গগৈক ৰাভাই পুটি বুলি মাতিছিল) হাতৰ ঢেঁকীয়া শাক, মাছ পোৱা, জলকীয়া পোৱা, কচু পিতিকা আদি অমৃত সমান। এই গাঁৱৰ হোজা খেতিয়কখিনিৰ মৰম চেনেহে মোৰ মনত উদ্দীপনাৰ সৃষ্টি কৰিছে। তেওঁলোকৰ সোণৰ সজাত বন্দী হৈ অশান্তিত দিন কটোৱাতকৈ এই গাঁৱৰ মুক্ত বতাহ খাই মই অপাৰ আনন্দ লাভ কৰিছো।' তেতিয়া দুয়োৰে মুখত হাঁহি বিৰিঙি উঠিছিল।

১৯৪১ত বিনদা গগৈৰ কোলালৈ আহিছিল কণমানি এজনী। তাৰ মাজতে বিনদা গগৈয়ে ওচৰৰে স্কুল এখনত চাকৰি পাইছিল আৰু সুন্দৰ, সংসাৰ গঢ়িছিল। ৰাভা ডিব্ৰুগড়লৈ গ'লে তেওঁলোকৰ ঘৰতেই থাকিছিল।

১৯৪৩ত চন্দ্ৰ চৌধুৰীৰ জীৱনলৈ কাল অমানিশা নামি আহিছিল। অকস্মাত বিনদা গগৈৰ মৃত্যু। দুবছৰীয়া কন্যা অমিয়াক লৈ চন্দ্ৰ চৌধুৰীয়ে চকুৰে ধোঁৱা কোঁৱা দেখিবলৈ ধৰিলে। সেই সময়তে ৰাভাই খবৰটো পাই চন্দ্ৰ চৌধুৰীৰ ওচৰত থিয় হ'ল। চৌধুৰীয়ে কিছু সাহস পালে। কণমানীজনীক লৈ পাঠশালাৰ ঘৰলৈ উভতি যাবলৈ তেওঁ পৰামৰ্শ দিলে আৰু কেইটামান টকা হাতত গুজি দি তেওঁ বিদায় ল'লে। বিনদা গগৈৰ চিন স্বৰূপে কণমানী অমিয়াক লৈ চৌধুৰী পাঠশালাৰ নিজা ঘৰলৈ গুচি আহি মাক আৰু ভায়েকৰ হাতত কণমানীজনীৰ দায়িত্ব দি তেওঁ বজালী অঞ্চলৰ গাঁৱে গাঁৱে যাত্ৰা পাৰ্টি শিকাই জীৱিকা নিৰ্বাহ আৰম্ভ কৰে।

বিনদা গগৈৰ সেই কণমানি অমিয়া এতিয়া মৃত্যুৰ দুৱাৰডলিত। লক্ষীমপুৰৰ গগামুখত ল'ৰা-বোৱাৰী, নাতি-নাতিনীৰ স'তে এখন ভৰা সংসাৰ। তেওঁৰ খবৰ লওঁতা আজি কোনো নাই। ৰক্ষণশীল সমাজৰ বেহু ভাঙি মঞ্চত অভিনয় কৰিবলৈ অহা বিনদা গগৈৰ জীয়াৰী আজি শয্যাগত। এই চেগতে চৰকাৰ তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ আহ্বান জনাব খোজো বিনদা গগৈৰ কন্যা অমিয়াৰ খবৰ কৰি অন্ততঃ অকমান সন্মান জনাওঁক।

*ফোন ঃ ৭০০২৮০৭৬১৫*

## ফৰকাটিং মহাবিদ্যালয়ত অসামৰিক সেৱাৰ পৰামৰ্শ শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১৯ জুন ঃ** অসামৰিক সেৱাৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দিয়াৰ উদ্দেশ্যে যোৱা ১৬ জুনত ফৰকাটিং মহাবিদ্যালয়ৰ কেৰিয়াৰ পৰামৰ্শৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে এক পৰামৰ্শ শিবিৰ অনুষ্ঠিত হয়। শিবিৰত গোলাঘাটৰ আৰক্ষী অধীক্ষক সুমিত শৰ্মা আৰু উপ-আৰক্ষী অধীক্ষক মাধুৰ্যপ্ৰসাদ বৰুৱা সমল ব্যক্তি হিচাপে উপস্থিত থাকে। শিবিৰ মুকলি কৰে ফৰকাটিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অপূৰ্ব শইকীয়াই। অসম আৰু কেন্দ্ৰীয় লোকসেৱা আয়োগে অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ সন্দৰ্ভত দুয়োগৰাকী সমল ব্যক্তিয়ে সবিশেষ তথ্য দাঙি ধৰাৰ লগতে পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ আগবঢ়োৱাৰ লগতে কেৰিয়াৰ সম্পৰ্কে বক্তব্য আগবঢ়াই নিজ নিজ লক্ষ্যত উপনীত হ'বলৈ পৰামৰ্শ দিয়ে।

## খালৈগাঁৱত চাইক'মেট্ৰিক যোগ কেন্দ্ৰ মুকলি



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৯ জুন ঃ** নগাঁও জিলাৰ যোগ সন্থাৰ সৌজন্যত হাতীচোং মৌজাৰ খালৈগাঁৱত অৱস্থিত চৰ্দাৰ বল্লভভাই পেটেল প্ৰাথমিক বিদ্যালয় প্ৰাংগণত কালি যোগ সন্থাৰ সৌজন্যত হাতীচোং মৌজাৰ খালৈগাঁৱত অৱস্থিত চৰ্দাৰ বল্লভভাই পেটেল প্ৰাথমিক বিদ্যালয় প্ৰাংগণত কালি মাইক'মেট্ৰিক যোগ কেন্দ্ৰ নামৰে যোগ কেন্দ্ৰ নামৰে যোগ, প্ৰাণায়ম আৰু প্ৰাকৃতিক চিকিৎসা অনুষ্ঠান এটি খাগৰিজান খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সিদ্ধাৰ্থ কুমুদ গগৈয়ে গগৈয়ে আনুষ্ঠানিকভাৱে মুকলি কৰে। এই কেন্দ্ৰটোৰ শুভাৰম্ভণি উপলক্ষে সমাজকৰ্মী শিৱজ্যোতি মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত খাগৰিজান খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সিদ্ধাৰ্থ কুমুদ গগৈ, হাতীচোং মহাবিদ্যালয়ৰ অধ্যক্ষ লুইত হাজৰিকা, আন্তঃৰাষ্ট্ৰীয় যোগ ৰেফাৰী, অসম যোগ সংস্থাৰ সাধাৰণ সম্পাদক তথা যোগ গুৰু প্ৰভাত চন্দ্ৰ বৰা, অসম যোগ গুৰু প্ৰভাত চন্দ্ৰ বৰা, অসম যোগ সংস্থাৰ যুটীয়া সম্পাদক তথা নগাঁও জিলা খো খো সন্থাৰ সম্পাদক সমীৰ হাজৰিকা, নগাঁও জিলা যোগ সন্থাৰ সম্পাদক তথা অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষয়িত্ৰী লিলি সন্দিকৈ, কাকমাৰী গাঁও পঞ্চায়তৰ সভাপতি লক্ষ্যজ্যোতি হাজৰিকা, কাকমাৰী মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ৰামানন্দ গোস্বামী, প্ৰধান শিক্ষয়িত্ৰী মীনা মহন্ত, হাতীচোং মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক নেকিবুৰ ৰহমান আদিয়ে সাম্প্ৰতিক সময়ত যোগৰ প্ৰয়োজনীয়তাৰ ওপৰত বিস্তাৰিত আলোকপাতৰে ভাষণ ৰাখে। যোগ প্ৰশিক্ষক বিমানৰঞ্জন মেধি আৰু ৰুমি হাজৰিকাৰ ঐকান্তিক প্ৰচেষ্টাত গঢ়ি উঠা এই যোগ কেন্দ্ৰটোৰ শুভাৰম্ভণি সভাখন সামগ্ৰিকভাৱে আঁত ধৰি আগবঢ়াই নিয়ে আলিবাট প্ৰকাশনৰ স্বত্বাধিকাৰ প্ৰাঞ্জল কুমাক মহন্তই। বিশিষ্ট কবি কেশৱ বৰা, অৱসৰপ্ৰাপ্ত অভিযন্তা বিষ্ণু বৰা, ৰাষ্ট্ৰীয় যোগি বিচাৰক বিচিত্ৰৰঞ্জন বৰা, সংবাদ কৰ্মী প্ৰিয়ংকা দেৱী, সমাজ সংগঠক মহীন্দ্ৰ মহন্ত, টিকেন মেধি, শিৱপ্ৰসাদ মহন্ত, চন্দ্ৰ শৰ্মা, বকুল মহন্ত, দিপু ডেকা আদিকে ধৰি ভালে সংখ্যক লোকে ভাগ লোৱা সভাখনত ক্ষিৰোদ মহন্তই গীত পৰিবেশনৰে গাম্ভীৰ্যতা প্ৰদান কৰে। উল্লেখ্য যে খালৈগাঁৱত অঞ্চলবাসী উপকৃত হ'ব পৰাকৈ এই যোগ কেন্দ্ৰটো স্থাপন কৰাৰ বাবে গ্ৰামাঞ্চলটোৰ ৰাইজে উদ্যোক্তাসকলক প্ৰশংসা কৰিছে।

## সোণতলীৰ মথাউৰিৰ বৰষুণে খহাই নিয়া অংশ পৰিদৰ্শন বিধায়িকাৰ



**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ১৯ জুন ঃ** বিগত কে'বাদিন ধৰি হৈ থকা মুষলধাৰ বৰষুণৰ প্ৰভাৱত সোণতলী শেলেসূতি চাৰিআলিৰ পৰা পশ্চিম দিশত ঠায়ে ঠায়ে মথাউৰি খহি গৈ প্ৰচণ্ড গাঁতৰ সৃষ্টি কৰাত মথাউৰিৰ দুয়োপাৰে বসবাস কৰা লোকসকলে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। উল্লেখ্য যে প্ৰায় এবছৰ আগতে এক কোটি ৪৭ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মথাউৰিৰ এই অংশত বৰষুণৰ পানীৰ ধলে খহাই দিয়ে। আজি বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাসে উক্ত খহনীয়া অংশ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। পৰিদৰ্শন কালত সাংবাদিকৰ স'তে বাৰ্তালাপত বিধায়িকাগৰাকীয়ে কয় যে মথাউৰিৰ দুয়ো পাৰৰ লোকসকলে চিন্তা কৰিবলগীয়া কোনো কাৰণ নাই কিয়নো ইতিমধ্যে বিভাগীয় কৰ্তৃপক্ষই উক্ত খহনীয়া অংশত উপস্থিত হৈ কাম অব্যাহত ৰাখিছে। বাঁহ আৰু মাটিৰে বস্তা পাৰি খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰা হৈছে। লগতে মথাউৰিৰ খহনীয়াৰ স্থায়ী সমাধান কল্পে আঠকোটি ৮১ লাখ টকাৰে মথাউৰিৰ ওপৰেৰে পকী ৰাস্তা নিৰ্মাণ কৰাৰ বাবে চৰকাৰীভাৱে টকা আবণ্টন দিছে। তাৰ কামৰ আৰম্ভ কৰি ৰাইজৰ যাতায়াতৰ সু-ব্যৱস্থা কৰিবলৈ এছডিআৰএফ আঁচনিৰ জৰিয়তে কামৰ প্ৰাৰম্ভিকতা কৰা হৈছে। ইয়াৰ উপৰি বকোৰ পৰা ছমৰীয়া সত্ৰলৈ ১০ কিলোমিটাৰ পকী পথৰ বহলকৰণৰ কাম আৰু ছমৰীয়াৰ পৰা সোণতলী হৈ কামৰূপ জিলাৰ সীমান্ত মহচৰালৈ ৰাস্তাটোৰ পুনৰ মেৰামতিৰ কামৰ যাৱতীয় ভাৱে ব্যৱস্থা চৰকাৰীৰ আবণ্টন দিছে। পৰিদৰ্শন কালত বিধায়িকাৰ লগত উপস্থিত থাকে মিৰ্জাস্থিত জলসম্পদ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা চাহিদুজ জামান, সহকাৰী অভিযন্তা ছাইফুদ্দিন আহমেদ, বকো উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা জিতু শইকীয়াই।

## মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৯ জুন ঃ** সমগ্ৰ দেশৰ লগতে মাজুলীতো জিলা আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচী পালনৰ প্ৰস্তুতি চলোৱা হৈছে। অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশনা অনুযায়ী ২১ জুনৰ দিনা পূব মাজুলী মহাবিদ্যালয়ত পুৱা সাত বজাৰ পৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচী আৰম্ভ হ'ব। যোগ দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ইউনিটৰ প্ৰগ্ৰেম অফিচাৰ তথা পূব মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক উত্তম শইকীয়াৰ নেতৃত্বত থকা এশগৰাকী সদস্যৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ লগতে অন্যান্য ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব তথা মুখ্য ন্যায়িক দণ্ডাধীশ বংকিম শৰ্মাই আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচী সফল কৰিবলৈ সকলোৰে প্ৰতি এক বিবৃতিৰ জৰিয়তে আহ্বান জনাইছে।

## জাঁজীমুখ পঞ্চায়তত পথ নিৰ্মাণৰ এমজিএনৰেগা আঁচনিৰ ধনৰ লুণ্ঠন

**■ কাম সম্পূৰ্ণ নকৰাকৈয়ে আঁচনিৰ ধন উলিয়াই নিয়াৰ অভিযোগ**



**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৯ জুন ঃ** টীয়কৰ কলীয়াপানী উন্নয়ন খণ্ডৰ চৰকাৰী আঁচনি ৰূপান্তৰিত হৈছে এটা ধন ঘটা আঁচনিলৈ। চৰকাৰে গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে কোটি কোটি টকা ব্যয় কৰিছে, কিন্তু প্ৰকৃততে গ্ৰামাঞ্চলৰ বাট-পথৰ কোনো উন্নয়ন নোহোৱাৰে অভিযোগ উঠিছে। বহু সময়ত এমজিএনৰেগা আঁচনিৰ ধন লুটিপুটি খাইছে খণ্ড উন্নয়ন বিষয়াৰে মিলি একাংশ গ্ৰাম ৰোজগাৰ সহায়কে। অভিযোগ অনুসৰি, টীয়কৰ জাঁজীমুখ পঞ্চায়তৰ 'বৰমথাউৰী মাজৰ পথ' নামৰ এই পথটোৰ উন্নয়নৰ বাবে এমজিএনৰেগা আঁচনিৰ অধীনত ন লাখ ৩০ হেজাৰ ৪১৫ টকা ধাৰ্য কৰা হয় আৰু সেই অনুসৰী কামো আৰম্ভ কৰা হয়। এই ন লাখ ৩০ হেজাৰ ৪১৫ টকাত পথটোৰ কেৱল দুশ মিটাৰ মান অংশত কিছু মাটি পেলায়েই দায়িত্ব সামৰিলে পঞ্চায়তে। যাৰ ফলত এতিয়া সেই পথেৰে বোকাৰ বাবে যাব নোৱৰা এক অৱস্থা। তাতকৈও গুৰুত্বপূৰ্ণ বিষয়টো হ'ল যিখন তথ্যফলক তাত সংস্থাপিত কৰিলে, তাত কেৱল পথ নিৰ্মাণৰ ধনৰাশিটোৰ বাহিৰে কোনো ধৰণৰ তথ্য সন্নিবিষ্ট নকৰিলে। এই বিষয়ে স্থানীয় যুৱকে কলীয়াপানী উন্নয়ন খণ্ডত যোগাযোগ কৰাত পথটিত প্ৰায় ৭৫০ মিটাৰ নিৰ্মাণ কৰিব লাগিছিল যদিও মাত্ৰ দুশ মিটাৰ নিৰ্মাণ কৰিয়ে আঁচনিৰ ধনৰ আঠ লাখ ৭৫ হেজাৰ টকাৰ লুণ্ঠন চলাই পঞ্চায়তৰ গ্ৰাম ৰোজগাৰ সহায়ক (জিআৰএছ) আৰু খণ্ড উন্নয়ন বিষয়াজনে। এই আঁচনিত মাথো ৫৫ হেজাৰ টকা জমা থকা অৱস্থাত কিদৰে বাকী ৫৫০ মিটাৰ কাম কৰিব সেয়া এক সাঁথৰত পৰিণত হৈছে। এই আঁচনিৰ প্ৰায় দুশ মিটাৰ কামৰ বাবদ বুঢ়াগোহাঁই উপাধিৰ জিআৰএছজনে প্ৰায় ৩,৫০,০০০ টকা মুকলি কৰি দিয়ে যদিও বাকী আঁচনিৰ ধন কাম নকৰাকৈয়ে দাস উপাধিৰ এজন জিআৰএছে কলীয়াপানী খণ্ড উন্নয়ন বিষয়াজনৰ স'তে মিলি লুণ্ঠন চলোৱাৰ অভিযোগ উত্থাপন হৈছে। দাস উপাধিৰ এই জিআৰএছজন সম্প্ৰতি কলীয়াপানী উন্নয়ন খণ্ডত উঠি ৰজা বহি ৰজা বুলিও অভিযোগ উঠিছে। টীয়কত বিভিন্ন পঞ্চায়তত এনেকৈয়ে গো-গ্ৰাসে একাংশই লুণ্ঠন কৰিছে উন্নয়নৰ ধন। উন্নয়নৰ আঁচনি ধন লুণ্ঠনৰ এক তদন্ত বিচাৰিছে স্থানীয় ৰাইজে।



*মৰিয়ণিত অনুষ্ঠিত কেৰিয়াৰ কাউন্সিলিঙৰ দৃশ্য।*

## বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচী বাতিল

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৯ জুন ঃ** কামৰূপ জিলাৰ সাহিত্য সভাৰ উদ্যোগত আৰু বৰন্বে শাখা সাহিত্য সভাৰ সহযোগত বৰন্বে আঞ্চলিক হাইস্কুল প্ৰাংগণত অহা ২০ জুনত অনুষ্ঠিত হ'বলগীয়া বিষ্ণুৰাভা দিৱসৰ কাৰ্যসূচী বাতিল কৰা হৈছে। ৰাজ্যখনত বিগত কিছুদিন ধৰি অব্যাহত থকা নেৰানেপেৰা বৰষুণৰ ফলত বিভিন্ন ঠাইত হোৱা বানপানীৰ তাণ্ডৱ তথা কামৰূপ জিলাৰ সাহিত্য সভাৰ অন্তৰ্গত বিভিন্ন শাখা সভা পানীৰ সমস্যাৰ অভূতপূৰ্ব পৰিবেশৰ সন্মুখীন হোৱাৰ পৰিপ্ৰেক্ষিতত উক্ত অনুষ্ঠানৰ মূল কাৰ্যসূচী বাতিল কৰা হৈছে। উল্লেখ্য যে কেৱল মাত্ৰ পতাকা উত্তোলন আৰু কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্য প্ৰদানেৰে অনুষ্ঠান সম্পন্ন কৰা হ'ব বুলি কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতী আৰু সাধাৰণ সম্পাদক ৰাজেন মহন্তই এক বিবৃতিযোগে জনাইছে।

## কাকজানত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

**অগ্ৰদূত বাৰ্তা**

**কাকজান, ১৯ জুন ঃ** কাকজান এমঅ'বিচিপ্ৰি ছিনিয়ৰ মাদ্ৰাছাত কালি সদ্য ঘোষিত হাইস্কুল আৰু হাইমাদ্ৰাছা পৰীক্ষাত সফলতা লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা কৃতি ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। এই উপলক্ষে আয়োজন কৰা সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক জাহিদুল ইছলাম হাজৰিকা। ৰাহিদুৰ ৰহমানে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পঞ্চম স্থান লাভ কৰা কাকজানৰ গৌৰৱ চেহনাজ আঞ্জুম য়াছমিনক গামোচা, সঁফুৰা আৰু এখন অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। লগতে এমঅ'বিছিপ্ৰি ছিনিয়ৰ মাদ্ৰাছাৰ কে'বাগৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনায়। অনুষ্ঠানত সাংবাদিক মানৱজ্যোতি বৰদলৈ, ডাঃ মহানন্দ নেওগ, শিক্ষক আজমল হুছেইন, আনোৱাৰ হুছেইন, নুৰুল খান আদি কৰি কে'বাগৰাকী ব্যক্তিয়ে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ ওপৰত বক্তব্য আগবঢ়ায়।

## অভয়াপুৰীত বোৱাৰীৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তাল প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৯ জুন ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী আৰক্ষী থানাৰ অন্তৰ্গত দেওহাটীত এগৰাকী বোৱাৰীৰ ৰহস্যজনকভাৱে অগ্নিদগ্ধ হৈ মৃত্যু হোৱা মৃত্যুৰ ঘটনাত কালি ব্যাপক উত্তেজনাৰ সৃষ্টি হয়। কালি পুৱা বোৱাৰীগৰাকীৰ ৰহস্যজনক স্থিতিত অগ্নিদগ্ধ হৈ মৃত্যু হয়। মহিলাগৰাকীৰ মৃত্যুৰ বাবে তেওঁৰ স্বামীক জগৰীয়া কৰি আজি স্থানীয় মহিলাই পৰিস্থিতি উত্তপ্ত কৰি তোলে। শতাধিক মহিলাই হাতে-হাতে প্লেকাৰ্ড লৈ বিভিন্ন শ্ল'গানেৰে এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। বোৱাৰীগৰাকীৰ পিতৃগৃহ দুৰামাৰী গাঁৱৰ পৰা যোৱা মহিলাসকলে দেওহাটীৰ একাংশ মহিলাৰ স'তে মৃত কংকনা নাথৰ স্বামীগৃহত উপস্থিত হৈ এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি অভিযোগ কৰি তেওঁৰ স্বামীক ফাঁচিৰ দাবী জনায়। ইয়াৰ পাছতে আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। স্থানীয় লোকে জনোৱা মতে, অভয়াপুৰীৰ নিকটৱৰ্তী শ্ৰীৰাম নাথৰ কন্যা কংকনাৰ স'তে প্ৰায় এবছৰৰ পূৰ্বে দেওহাটী দ্বিতীয় খণ্ডৰ বিমল নাথৰ লগত বিবাহ কাৰ্য সম্পন্ন হয়। অৱশ্যে বিবাহৰ পাছৰে পৰা মজুমদাৰ উপাধিৰ মহিলা এগৰাকীৰ লগ লাগি স্বামী বিমলে কংকনাক বিভিন্ন ধৰণে শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতন চলাই আহিছিল। যোৱা ১৩ জুনৰ নিশা মজুমদাৰ উপাধিৰ মহিলাগৰাকী আৰু স্বামী বিমলে পূৰ্বপৰিকল্পিতভাৱে কংকনাক ৰন্ধা-বঢ়াত নিয়োজিত কৰি তেওঁৰ গাত কেৰাচিন ঢালি অগ্নিসংযোগ কৰে। দাও-দাওকৈ জুই জ্বলি থকা অৱস্থাত স্বামী বিমলে কংকনাক ধৰিবলৈ যায়। ফলত কংকনাৰ স্বামী বিমলৰ হাত এখন অগ্নিদগ্ধ হয়। কংকনাৰ পৰিয়ালে অভিযোগ কৰা মতে, মজুমদাৰ উপাধিৰ মহিলাগৰাকী আৰু বিমলৰ মাজত বহু দিনৰ পৰা চলি থকা পৰকীয়া প্ৰেমৰ বাবেই উক্ত ঘটনা সংঘটিত হয়। অতি সংকটজনক অৱস্থাত অগ্নিদগ্ধ কংকনাক বঙাইগাঁও ল'ৱাৰ আছাম হাস্পতালত ভৰ্তি কৰায় যদিও অৱস্থা গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰে। অৱশ্যে কালি পুৱা কংকনাই চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। কংকনাৰ মৃত্যুৰ বাতৰি সদৰী হোৱাৰ লগে-লগে তেওঁৰ পিতৃগৃহ দুৰামাৰী গাঁৱৰ লগতে দেওহাটীৰ ৰাইজ তথা মহিলাসকলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কংকনাৰ মৃত্যুক ৰহস্যজনক বুলি অভিযোগ তোলে।

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ দুলাখ পাৰিষদৰ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৯ জুন ঃ** বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ সমষ্টিৰ পাৰিষদ সজল কুমাৰ সিংহই মুখ্যমন্ত্ৰীৰ ত্ৰাণ তহবিলত দুলাখ টকা জমা দিছে। সম্প্ৰতি প্ৰাকৃতিক দুৰ্যোগৰ ফলত দেখা দিয়া পৰিস্থিতিত ৰাইজে চৰম দুৰ্ভোগ ভুগি আছে। দুৰ্গত ৰাইজৰ সাহায্যৰ বাবে মুখ্যমন্ত্ৰীৰ হাতত পৰিষদ সিংহই দুলাখ টকাৰ চেক তুলি দিয়াত মুখ্যমন্ত্ৰীয়ে তেওঁক টুইটাৰযোগে অভিনন্দন জনায়। উল্লেখ্য যে সিংহই নিজৰ গাঁঠিৰ ধনেৰে দুৰ্গতক সহায় কৰি আহিছে।

## সমাজক সেৱা আগবঢ়োৱাৰ বাবে শিক্ষানুষ্ঠানসমূহ আধাৰ ঃ দীপক কুমাৰ

**■ নগাঁও মহাবিদ্যালয়ত পানী, অনাময় - স্বচ্ছতা সম্পৰ্কত এদিনীয়া কৰ্মশালা**

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ জুন ঃ** উত্তৰ-পূব এন এছ এছ সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত আৰু নগাঁও কলেজ (অট'নমাছ)ৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান আশ্বাসন কোষৰ সহযোগত 'পানী, অনাময় আৰু স্বচ্ছতা' সম্পৰ্কীয় এখন কৰ্মশালা কালি অনুষ্ঠিত হয়। কৰ্মশালাৰ আঁত ধৰে নগাঁও কলেজ আভ্যন্তৰীণ মান আশ্বাসন কোষৰ সমন্বয়ক তথা এনএছ গোটৰ কাৰ্যসূচী বিষয়া ড° ভুৱন চন্দ্ৰ চুতীয়াই। কৰ্মশালাত আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে। এই কৰ্মশালাত উপস্থিত থাকে উত্তৰ-পূবৰ ভাৰতৰ এনএছএছৰ সঞ্চালক দীপক কুমাৰ। তেওঁ এনএছএছৰ কাৰ্যপন্থা সম্পৰ্কে উল্লেখ কৰে। সমাজক সেৱা আগবঢ়াবৰ বাবে শৈক্ষিক অনুষ্ঠান এখন উপযুক্ত ক্ষেত্ৰ। যিসকল ছাত্ৰ-ছাত্ৰী এনএছএছৰ লগত জড়িত তেওঁলোক আন ছাত্ৰ-ছাত্ৰীতকৈ এখোপ আগত আছে বুলি দীপক কুমাৰে উল্লেখ কৰে। ছাত্ৰ-ছাত্ৰীসকলে সপ্তাহত ন্যূনতম দুঘন্টা সময় সমাজৰ হকে প্ৰদান কৰিবলৈ তেওঁ উল্লেখ কৰে।



কৰ্মশালাখনত সমল ব্যক্তিৰূপে উপস্থিত থাকি ৰাচ বিশেষজ্ঞ বৰ্ণালী ঘোষে পানী, অনাময় আৰু স্বচ্ছতা সম্পৰ্কত এক মনোজ্ঞ বক্তৃতা প্ৰদান কৰে। অনাময় শৌচাগাৰ নিৰ্মাণৰ যোগেদি এখন সুন্দৰ সমাজ আৰু পৰিৱেশ গঠন কৰিব পাৰি। পানী, অনাময় আৰু স্বচ্ছতা কেনেদৰে অৰ্থনীতিৰ লগত জড়িত সেই সম্পৰ্কেও উল্লেখ কৰে। ফ্লৰাইডযুক্ত পানী ব্যৱহাৰৰ ফলত হ'ব পৰা হাড়, দাঁত, ছাল আদি বিভিন্ন বেমাৰৰ কথা উল্লেখ কৰি মাৰাত্মক কৰ্কট ৰোগৰ সম্ভাৱনীয়তা উল্লেখ কৰে। সেয়ে পানী পৰীক্ষা কৰিহে পান কৰিব লাগে বুলি উল্লেখ কৰে। ঋতুস্ৰাৱ সম্পৰ্কীয় স্বচ্ছতাৰ ক্ষেত্ৰত মনোনিৱেশ কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলক গাঁৱে-ভূঁৱে সজাগতা সৃষ্টি কৰিবৰ বাবে আহ্বান জনায়। লগতে শিক্ষানুষ্ঠানসমূহক 'পেড বেংক' গঠন কৰি ঋতুস্ৰাৱ সম্পৰ্কীয় সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে অনুৰোধ জনায়।

কৰ্মশালাৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা শ্ৰমদান কাৰ্যসূচীত নগাঁও পৌৰসভাৰ সহযোগত অংশগ্ৰহণকাৰীসকলে কে'বাটাও বাণিজ্যিক অঞ্চলৰ পৰা জাবৰ-জোঁথৰ সংগ্ৰহ কৰি পেলোৱাৰ ব্যৱস্থা কৰে। আজিৰ এই কৰ্মশালাত নগাঁও কলেজ (অট'নমাছ), নগাঁও ছোৱালী কলেজ, ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ৫০ গৰাকী এনএছএছ সদস্য আৰু কাৰ্যসূচী বিষয়াই অংশগ্ৰহণ কৰে আৰু নগাঁও কলেজ (অট'নমাছ)ৰ এন এছ এছ-২ গোটৰ কাৰ্যসূচী বিষয়া ড° মানস জ্যোতি নিৰ্মলীয়াই শলাগৰ শৰাই আগবঢ়ায়।

## ভুৱা গোচৰৰ পৰিৱৰ্তে আমি সঁচা গোচৰ তৰিম ঃ ৰকিবুল হুছেইন

### চামগুৰিত প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই আঁচনি উদ্বোধন



**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ১৯ জুন ঃ** নগাঁও জিলাৰ চামগুৰি গ্ৰাণ্টত কালি প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা আঁচনিখনৰ উদ্বোধন কৰে প্ৰাক্তন মন্ত্ৰী তথা চামগুৰি সমষ্টিৰ বিধায়ক ৰকিবুল হুছেইনে। আঁচনিখন উদ্বোধন কৰি বিধায়ক হুছেইনে কয়, 'এই আঁচনিখনৰ দ্বাৰা কৃষক ৰাইজ উপকৃত হ'ব আৰু বতৰৰ কাৰণে খেতি কৰিবলৈ ৰৈ থাকিব নালাগে।' অনুষ্ঠানৰ শেষত ৰাজীৱ ভৱনত গণতান্ত্ৰিক প্ৰতিবাদৰ বিৰুদ্ধে আৰক্ষী বিষয়াই ভুৱা গোচৰ তৰা বুলি অভিযোগ কৰি প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক হুছেইনে সংবাদ মাধ্যমৰ আগত কয়, 'অসম আৰক্ষীৰ ঐতিহ্য আছে। সিদিনা ৰাজীৱ ভৱনৰ প্ৰতিবাদস্থলীত মই, ৰাণা গোস্বামী আৰু বিধায়ক নুৰুল হুদা উপস্থিত নথকাৰ পাছতো ষড়যন্ত্ৰমূলক ভাৱে গোচৰ তৰিছে।' এগৰাকী অসমীয়া আৰক্ষী বিষয়াৰ টুইট, মুখ্যমন্ত্ৰীৰ উত্তৰ আদিত ৰহস্যৰ গোন্ধ পাই বিধায়ক হুছেইনে পুনৰ কয়, 'জিগনেশ মেৱানীৰ কাষত পুৰুষ আৰক্ষীৰ পৰিৱৰ্তে মহিলা আৰক্ষীক বহুৱাই ভুৱা গোচৰ ৰুজু কৰিছে। যাৰ দ্বাৰা উত্তৰ প্ৰদেশ, বিহাৰৰ দৰে আৰক্ষীয়ে ভুৱা গোচৰ ৰুজু কৰি গণতান্ত্ৰিক আন্দোলনক দমন কৰিব বিচাৰিছে চৰকাৰে। চৰকাৰৰ ভুৱা গোচৰৰ পৰিৱৰ্তে আমি সঁচা গোচৰ তৰিম।' অনুষ্ঠানত নগাঁও চক্ৰৰ জলসিঞ্চন বিভাগৰ অধীক্ষক অভিযন্তা ৰাজীৱ গগৈ, কাৰ্যবাহী অভিযন্তা ধ্ৰুৱজ্যোতি বৰা, চামগুৰি উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা চন্দন বৈশ্য আৰু চামগুৰি ৰাজহ চক্ৰ বিষয়া ৰিপনজ্যোতি নাথৰ লগতে জলসিঞ্চন বিভাগৰ বহুকেইজন বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। শাখা সহায়ক ভাস্কৰজ্যোতি বৰাই আঁতধৰা উক্ত উদ্বোধনী সভাত স্থানীয় বহুকেইজন লোক উপস্থিত থাকে।

## আজানপীৰ বঁটা ঘোষণা ঃ মুখ্যমন্ত্ৰীৰ পদক্ষেপক আদৰণি আজানপীৰ দৰগাহ পৰিচালনা সমিতিৰ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৯ জুন ঃ** অসমৰ সমাজ জীৱনৰ উত্তৰণৰ বাবে নিৰৱচ্ছিন্ন প্ৰচেষ্টা হাতত লোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৱল নেতৃত্বত জাতি, ধৰ্ম, ভাষা, ভিন্নতাৰ উৰ্দ্ধত বৃহৎ অসমীয়া জাতি নিৰ্মাণ প্ৰক্ৰিয়া সদায় আদৰণীয়। বিগত ২০১৪ৰ পৰা বিভিন্ন কাৰণত স্থগিত হৈ থকা আজানপীৰ বঁটা পুনৰ প্ৰৱৰ্তন কৰাত উৎফুল্লিত হৈছে শিৱসাগৰবাসী। অসমীয়া সমাজ জীৱনত সাম্প্ৰীতিৰ বৰভেটি নিৰ্মাণ কৰা হদৰত আজানপীৰ চাহাবৰ আদৰ্শৰ প্ৰতি শ্ৰদ্ধাশীল হৈ চৰকাৰী পৃষ্ঠপোষকতাত এইবাৰৰ পৰা পুনৰ বঁটা আগবঢ়োৱাৰ বাবে প্ৰতিজন অসমীয়াই বৰ্তমানৰ চৰকাৰখন বদান্যতাৰ প্ৰতি কৃতজ্ঞ হৈ ৰ'ল। আজানপীৰ বঁটা পুনৰ প্ৰৱৰ্তন কৰাত শিৱসাগৰৰ হজৰত আজানপীৰ দৰগাহ পৰিচালনা সমিতিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনোৱাৰ লগতে এনে পদক্ষেপক আদৰণি জনাইছে।

## যোৰহাট জিলা অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ সতীৰ্থ সন্মিলন



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১৯ জুন ঃ** যোৰহাট জিলাৰ বিভিন্ন চৰকাৰী বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰা কৰ্মচাৰীসকলৰ সতীৰ্থ সন্মিলন যোৱা ১৭ জুনত অনুষ্ঠিত হয়। যোৰহাট আৱৰ্ত ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত পৌৰোহিত্য কৰে সন্মিলনৰ সভাপতি তিলেশ্বৰ ফুকনে। জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনে সভা উদ্বোধন কৰে। সম্পাদক ৰাতুল চৰণ বৰাই আদৰণি ভাষণ দিয়াৰ পাছতে বিশিষ্ট অতিথিৰূপে ক্ৰমে অসম প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া ইন্দ্ৰজিৎ কুমাৰ বৰুৱা, দেৱ কুমাৰ বৰুৱা আৰু অনুজ গোস্বামীয়ে ভাষণ দিয়ে। বিশিষ্ট ব্যক্তিসকলে সতীৰ্থ সন্মিলনৰ উদ্দেশ্য ব্যক্ত কৰে। জিলাখনৰ জীৱিত থকা প্ৰায় সংখ্যক অৱসৰপ্ৰাপ্ত কৰ্মচাৰীয়ে উপস্থিত থকা সন্মিলনত তেওঁলোকৰ মাজত অনুষ্ঠিত আলাপ অনুষ্ঠানত অংশ লৈ সকলোৱে উৎফুল্লিত হৈ পৰে। এই সভাতে আগন্তুক বৰ্ষৰ কাৰণে অৱনী সোণোৱালক সভাপতি আৰু ৰাতুল চৰণ বৰাক সম্পাদক হিচাপে লৈ সন্মিলনৰ কাৰ্যকৰী সমিতিখন নতুনকৈ গঠন কৰা হয়।


## ডিমৌ দিচাং ৰজাবাৰীত শিক্ষাগুৰুৰে মত বিনিময় পথিকৃতৰ



**অগ্ৰদূত বাৰ্তা**


**ডিমৌ, ১৯ জুন ঃ** ডিমৌৰ সমীপৰ দিচাং ৰজাবাৰী এ ক্লাছ প্ৰাথমিক বিদ্যালয়ত শিৱসাগৰ জিলাৰ অন্যতম স্বেচ্ছাসেৱী সংস্থা পথিকৃতৰ উদ্যোগত ১২ খন বিদ্যালয়ৰ শিক্ষক সমাজৰ স'তে এটি বিশেষ মনবিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। পথিকৃতৰ সমন্বয়ক মনুস্মিতা মজুমদাৰে আঁত ধৰা অনুষ্ঠানত থাওৰাক মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক শেখৰজ্যোতি দুৱৰী উপস্থিত থাকে। তেওঁ কয় যে পথিকৃতে যি ধৰণে বিদ্যালয় বিলাকত শিশু উপযোগী বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে ই সঁচাকৈ প্ৰশংসনীয়। সকলো শিক্ষকে কাৰ্যসূচীসমূহত সহযোগিতা আগবঢ়োৱাটো নিতান্তই প্ৰয়োজনীয়। অনুষ্ঠানত বিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সমস্যা সম্পৰ্কত আলোচনা কৰা হয়। লগতে সামাজিক সংস্থা শিক্ষক, মাতৃগোট, পৰিচালনা সমিতিৰ মাজত সমিলমিলৰ বিদ্যালয় উন্নয়নৰ বাবে কাম নকৰিবলৈ যথেষ্ট অসুবিধা হয় বুলি উল্লেখ কৰে থাওৰা মাজগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিনন্দ গগৈয়ে। আনহাতে অহা ২৫ জুনত শিক্ষাগুৰুসকলৰ মাজত এদিনীয়া কৰ্মশালা আয়োজনৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। সকলো শিক্ষকে নিজৰ মতামত ব্যক্ত কৰে। মন-বিনিময় অনুষ্ঠানত এ ক্লাছ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নগেন চেতিয়া, জামুগুৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জীৱন গগৈ, মাজগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিনন্দ গগৈ, বৰুৱা লাইন মানৱজ্যোতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাধানাথ চুড়ী আৰু পথিকৃতৰ সঞ্চালক নিয়ৰ গগৈৰ লগতে পথিকৃতৰ কে'বাজনো বিষয়ববীয়া উপস্থিত থাকে। উল্লেখ্য যে পথিকৃতে আটাইকেইখন বিদ্যালয়ত বছৰজোৰা বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে।

## এদিনত নতুনকৈ আক্ৰান্ত প্ৰায় ১৩ হেজাৰ, ১৫ জনৰ মৃত্যু



নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুন ঃ পুনৰ কৰ'নাৰ সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি হ'বলৈ ধৰিছে। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ১২,৮৯৯ জন লোক। কেৰল মহাৰাষ্ট্ৰতে আক্ৰান্তৰ সংখ্যা হৈছে বিগত এদিনত চাৰি হেজাৰৰো অধিক। ৰাজধানী দিল্লীত বিগত চাৰিদিন ধৰি দৈনিক আক্ৰান্তৰ সংখ্যা এহেজাৰৰ ঊৰ্ধ্বত আছে। যোৱা ২৪ ঘণ্টাত ভাৰতত পুনৰ ১৫ জন লোকৰ ক'ভিডত মৃত্যু হ'ল।

## চাইকেলৰ পৰা বাগৰি পৰিল ৰাষ্ট্ৰপতি বাইডেন



নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৯ জুন ঃ আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে কালি চাইকেল চলাবলৈ গৈ অঘটনৰ সন্মুখীন হ'ল। চাইকেল চলাই থকাৰ সময়তে হঠাতে সন্তুলন ৰক্ষা কৰিব নোৱাৰাত বাইডেন চাইকেলৰ স'তে পথত বাগৰি পৰে। লগে লগে ৰাষ্ট্ৰপতিৰ স'তে থকা নিৰাপত্তাৰক্ষীয়ে বাইডেনক থিয় হ'বলৈ সহায় কৰে। দৰাচলতে বাইডেনে পৰিধান কৰা বাইকিং শ্বু হঠাতে চাইকেলৰ পেডেলত আবদ্ধ হোৱাত ৰাষ্ট্ৰপতিয়ে ভাৰসাম্যতা ৰক্ষা কৰিব নোৱাৰাত পথত চাইকেলসহ বাগৰি পৰিছিল। লগে লগে পথৰ পৰা থিয় হৈ বাইডেনে কয়, 'মই ভালে আছো। মোৰ জোতা পেডেলত লাগি ধৰাত বাগৰি পৰিছিলো।' ৭৯ বছৰীয়া বাইডেনে সম্প্ৰতি আমেৰিকাৰ ডেলাৱেয়াৰত ছুটীৰ দিন উপভোগ কৰিছে। পত্নীসহ বাইডেনে নিজৰ বিবাহ বাৰ্ষিকী উদ্‌যাপনৰ বাবে ডেলাৱেয়াৰত উপস্থিত হৈছিল। বাইডেনে পত্নীৰ স'তে ষ্টেট পাৰ্কত চাইকেল চলোৱাৰ সময়তে হঠাতে অঘটনৰ সন্মুখীন হ'ল। এই ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে।



## এসপ্তাহতে দেশত ৬০ শতাংশ বৃদ্ধি পালে ক'ভিডৰ সংক্ৰমণ, বিশেষজ্ঞৰ শংকা

নিউজ ব্যুৰ'
নতুন দিল্লী, ১৯ জুন ঃ ক'ভিড-১৯ৰ শেহতীয়া দ্ৰুত সংক্ৰমণ বৃদ্ধিয়ে বিশেষজ্ঞসকলক চিন্তিত কৰি তুলিছে। পৰিসংখ্যা অনুসৰি বিগত এসপ্তাহত ভাৰতত ক'ভিডৰ নতুন সংক্ৰমণ ৬০ শতাংশ বৃদ্ধি পালে। দেশত বৰ্তমানে অ'মিক্ৰনৰ দুটা উপপ্ৰজাতি বিএ.২ আৰু বিএ.২.৩৮ৰ সৰ্বাধিক সংক্ৰমণ ঘটিছে। যোৱা ১৩ জুনত দেশত ক'ভিডৰ দৈনিক সংক্ৰমণ আছিল ৮,০৮৪ জন। এসপ্তাহ পাছত আজি দেশত দৈনিক সংক্ৰমণ ১২,৮৯৯ জনলৈ বৃদ্ধি পালে। অৰ্থাৎ মাত্ৰ এসপ্তাহৰ ভিতৰতে দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ৬০ শতাংশ বৃদ্ধি পালে। ক'ভিডৰ সংক্ৰমণ বৃদ্ধিৰ এই হাৰ বৰ্তমানৰ হাৰত অব্যাহত থাকিলে ভাৰতত সংক্ৰমণৰ নতুন ঢৌৰ আগমন ঘটাৰ শংকা প্ৰকাশ কৰিলে বিশেষজ্ঞই।

## অগ্নিবীৰক কোনে বিয়া কৰাব ঃ শংকা কংগ্ৰেছ নেতা কানহাইয়াৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুন ঃ** অগ্নিবীৰসকল চাৰি বছৰৰ চাকৰিৰ পাছতে অৱসৰপ্ৰাপ্ত হ'লে তেওঁলোকক কোনে বিয়া কৰাব? অগ্নিপথ প্ৰকল্পৰ সন্দৰ্ভত দেশজুৰি অব্যাহত থকা ব্যাপক বিক্ষোভৰ প্ৰসংগত এই মন্তব্য প্ৰকাশ কৰিলে কংগ্ৰেছৰ নেতা কানহাইয়া কুমাৰে। কেন্দ্ৰই সেনাত নিযুক্তিৰ বাবে গ্ৰহণ কৰা অগ্নিপথ আঁচনিৰ তীব্ৰ আলোচনা কৰিলে বিৰোধীয়ে। কালি কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমেলত কানহাইয়াই কেন্দ্ৰৰ এই আঁচনিখনৰ বিৰোধিতা কৰি কয়, 'প্ৰধানমন্ত্ৰীয়ে নিজকে 'ডক্টৰ ডং' (জিয়াং-ডিয়াং-ওৱাং) বুলি ভাবে। আমি জনগণ যেন পিঞ্জৰাত বন্দী এন্দুৰ! তেওঁ যেতিয়াই বিচাৰে, বেজী দিয়ে। লক্ষ্য কৰে, এইবাৰ কিমান ছটফটাব? তাৰ পাছত পৰীক্ষা কৰা হয়।' উল্লেখ্য যে অগ্নিপথ প্ৰকল্পৰ বিৰুদ্ধে বিহাৰত প্ৰথমে বিক্ষোভ আৰম্ভ হৈছিল আৰু পাছত দেশজুৰি এই বিক্ষোভ বিয়পি পৰিছে। এই সন্দৰ্ভত বিহাৰৰ বেগুচৰাইৰ বাসিন্দা কানহাইয়াই কয়, 'মই বিহাৰৰ পৰা আহিছো। এনে এটা পৰিয়ালৰ পৰা আহিছো যি পৰিয়ালত ১৫-১৬ জন লোকে সেনাত চাকৰি কৰে। যুদ্ধৰ সময়ত মোৰ এজন ভ্ৰাতৃ আৰু এজন আত্মীয়ই দেশৰ বাবে প্ৰাণ দিছিল। দেশত যেতিয়া সেনা বাহিনীত নিয়মিত নিয়োগ প্ৰক্ৰিয়া চলি আছে, সেই প্ৰক্ৰিয়া বন্ধ কৰি নতুন আঁচনি লোৱাৰ কাৰণ কি? মাত্ৰ চাৰি বছৰ চাকৰি কৰি যুৱকে অৱসৰ লাভ কৰিলে তেনে যুৱকক কোন যুৱতীয়ে বিয়া কৰাব?'



## পয়গম্বৰক অপমানৰ প্ৰতিশোধ ল'বলৈ কাবুলৰ গুৰুদ্বাৰত আক্ৰমণ আইছিছৰ



নিউজ ব্যুৰ', কাবুল, ১৯ জুন ঃ কাবুলত গুৰুদ্বাৰত আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিলে ইছলামিক ষ্টেট (আইছিছ)-এ। সন্ত্ৰাসবাদী সংগঠনটোৱে প্ৰকাশ কৰা অনুসৰি বিশ্বনবী হজৰত মহম্মদক অপমানৰ প্ৰতিশোধ ল'বলৈকে গুৰুদ্বাৰত আক্ৰমণ সংঘটিত কৰা হ'ল। আইছিছৰ স্থানীয় শাখাই প্ৰকাশ কৰা অনুসৰি পয়গম্বৰৰ অপমানৰ প্ৰতিশোধ ল'বলৈ হিন্দু আৰু শিখসকলক আক্ৰমণ কৰা হ'ব। উল্লেখ্য যে কালি পুৱা কাবুলৰ কাৰ্টে পাৰৱান অঞ্চলত এটা গুৰুদ্বাৰত দুটাকৈ বিস্ফোৰণ সংঘটিত হৈছিল। বিস্ফোৰণৰ পাছত গুৰুদ্বাৰৰ নিৰাপত্তাৰক্ষীক হত্যা কৰি ভিতৰত প্ৰৱেশ কৰি সন্ত্ৰাসবাদীয়ে জধে-মধে গুলিবৰ্ষণ কৰিছিল। এই ঘটনাত এজন আফগান শিখৰ মৃত্যু হৈছিল। এই আক্ৰমণৰে দায়িত্ব স্বীকাৰ কৰিলে আইছিছ খোৰাছানে।

### ইন্ধনৰ অভাৱত ভয়াৱহ সংকট দ্বীপৰাষ্ট্ৰত, বিদ্যুৎ উৎপাদন বাধাগ্ৰস্ত

# বিদ্যুৎ ৰাহি কৰিবলৈ এইবাৰ নতুন পদক্ষেপ, শিক্ষানুষ্ঠান-কাৰ্যালয় বন্ধৰ সিদ্ধান্ত শ্ৰীলংকাত


**নিউজ ব্যুৰ' কলম্বো, ১৯ জুন ঃ** শ্ৰীলংকাৰ আৰ্থিক দুৰৱস্থাই চৰম সীমাত উপনীত হৈছে। এনে পৰিস্থিতিত দেশৰ স্কুল-কলেজ আৰু কাৰ্যালয় বন্ধ কৰাৰ সিদ্ধান্ত ল'লে শ্ৰীলংকা চৰকাৰে। ইন্ধনৰ অভাৱত ভয়াৱহ সংকটে দেখা দিছে দ্বীপৰাষ্ট্ৰখনত। ফলত বিদ্যুৎ উৎপাদন বাধাগ্ৰস্ত হৈছে। যানবাহন চলোৱাৰ বাবেও সম্প্ৰতি দেশখনত ইন্ধনৰ যথেষ্ট অভাৱ ঘটিছে। সকলো দিশ বিবেচনা কৰি সাময়িকভাৱে চৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠান বন্ধ ৰখাৰ সিদ্ধান্ত ল'লে দেশখনৰ চৰকাৰে। সোমবাৰৰ পৰাই এই নিৰ্দেশনা কাৰ্যকৰী কৰা হ'ব। অৱশ্যে শিক্ষকসকলক অনলাইনত পাঠদান কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। শ্ৰীলংকাত সম্প্ৰতি বৈদেশিক মুদ্ৰাৰো অভাৱ ঘটিছে। এই কাৰণত বিদেশৰ পৰা ইন্ধন আমদানি কৰিবলৈ অসমৰ্থ হৈছে



দেশখন। বিদ্যুৎ উৎপাদন বন্ধ থকাৰ ফলত সম্প্ৰতি প্ৰায় দৈনিক ১৩ ঘণ্টা সময় বিদ্যুৎ সৰবৰাহ কৰ্তন কৰা হৈছে। দেশখনৰ শিক্ষা বিভাগে জাৰি কৰা নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি দিনৰ অধিকাংশ সময় বিদ্যুতৰ যোগান নথকা হেতুকে বৰ্তমানে শিক্ষানুষ্ঠান বন্ধ ৰখা হ'ব। বৰ্তমানে দেশখনত খুব কম সংখ্যক কৰ্মচাৰীৰে কাৰ্যালয়ৰ কাম-কাজ সম্পন্ন কৰিবলৈকো শ্ৰীলংকা চৰকাৰে নিৰ্দেশনা জাৰি কৰিছে। তদুপৰি কৰ্মচাৰীসকলক প্ৰতি শুকুৰবাৰে অতিৰিক্ত ছুটী প্ৰদান কৰা হৈছে।

## টেছলাৰ কাৰখানা স্থাপনৰ সন্দৰ্ভত ভাৰতক কঠোৰ উত্তৰ দিলে মাস্কে

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৯ জুন ঃ** কেন্দ্ৰীয় মন্ত্ৰী মহেন্দ্ৰ নাথ পাণ্ডেয়ে মন্তব্য কৰি কয় যে এলন মাস্ক আৰু তেওঁৰ প্ৰতিষ্ঠান টেছলাক আমি ভাৰতলৈ স্বাগতম জনাও যদিও চৰকাৰে আত্মনিৰ্ভৰ ভাৰত নীতিক লৈ কোনো ধৰণৰ বুজাপৰা নকৰে। দৰাচলতে আমেৰিকাৰ বৈদ্যুতিক গাড়ী নিৰ্মাতা প্ৰতিষ্ঠান টেছলাৰ



প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া মাস্কে যোৱা মাহত কৈছিল যে টেছলাক ভাৰতক নিজৰ গাড়ী বিক্ৰীৰ বাবে অনুমতি প্ৰদান কৰিলেহে ইয়াৰ পাছত স্থানীয়ভাৱে টেছলাৰ কাৰখানা ভাৰতত স্থাপন কৰাৰ সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব। টেছলাই ভাৰতত নিজৰ উৎপাদিত গাড়ীৰ বিক্ৰীৰ বাবে আমদানি শুল্ক হ্ৰাস কৰিবলৈকো দাবী জনাইছে। মাস্কে ভাৰতত টেছলাৰ উৎপাদন কাৰখানা প্ৰতিষ্ঠাৰ সম্ভাৱনাৰ সন্দৰ্ভত উত্থাপিত এই প্ৰশ্নৰ উত্তৰ দি টুইটাৰত কয়, 'টেছলাই এনে কোনো দেশতে নিজৰ উৎপাদন কাৰখানা স্থাপন নকৰে যি দেশত প্ৰথমে টেছলাৰ গাড়ীৰ বিক্ৰী আৰু মেৰামতি সেৱাৰ অনুমতি দিয়া নহয়।' এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী পাণ্ডেয়ে কয়, 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে আত্মনিৰ্ভৰ ভাৰত নীতিক অগ্ৰাধিকাৰ দি আহিছে আৰু আমি এই ক্ষেত্ৰত কোনো ধৰণৰ বুজা-পৰা নকৰো। দেশৰ নীতিৰ প্ৰতি ধ্যান ৰাখি আমি টেছলা আৰু এলন মাস্কক ভাৰতলৈ স্বাগতম জনাও।'

## নাইজেৰিয়াত লাছা জ্বৰত মৃতকৰ সংখ্যা ১৫৫লৈ বৃদ্ধি



নিউজ ব্যুৰ', লাগ'ছ, ১৯ জুন ঃ নাইজেৰিয়াৰ চেণ্টাৰ ফৰ ডিজিজ কণ্ট্ৰ'লে প্ৰকাশ কৰা তথ্য অনুসৰি চলিত বৰ্ষত দেশখনত লাছা জ্বৰত আক্ৰান্ত হৈ ১৫৫ জন লোকে প্ৰাণ হেৰুৱালে। দেশজুৰি এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ পাছতো লাছা জ্বৰৰ সংক্ৰমণ বৃদ্ধি অব্যাহত আছে। চলিত বৰ্ষৰ আৰম্ভণিতে দেশখনত ৪,৯৩৯ জন লোকৰ শৰীৰত লাছা জ্বৰৰ উপসৰ্গ প্ৰকট হৈছিল আৰু এইসকল লোকৰ ৭৮২ জনৰ শৰীৰত এই ভাইৰাছৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। চেণ্টাৰ ফৰ ডিজিজ কণ্ট্ৰ'লৰ তথ্য অনুসৰি চলিত বৰ্ষত জুনৰ আৰম্ভণিলৈকে নাইজেৰিয়াৰ বিভিন্ন অঞ্চলত ১৫৫ জন লোকৰ লাছা জ্বৰত মৃত্যু হ'ল। এই ৰোগত দেশখনত মৃত্যুৰ হাৰ হৈছে ১৯.৮ শতাংশ। ২০২১ বৰ্ষত নাইজেৰিয়াত এই ৰোগত মৃত্যুৰ হাৰ আছিল ২০.২ শতাংশ। লাছা ভাইৰাছত আক্ৰান্ত হ'লে শৰীৰত পাতল জ্বৰ, অৱসাদ, দুৰ্বলতা আৰু মূৰৰ বিষৰ দৰে উপসৰ্গই দেখা দিয়ে।



## জম্মু-কাশ্মীৰত সেনাৰে সংঘৰ্ষত নিহত এজন পাকিস্তানী সন্ত্ৰাসবাদী

নিউজ ব্যুৰ'
**শ্ৰীনগৰ, ১৯ জুন ঃ** জম্মু-কাশ্মীৰৰ কুপৱাড়া জিলাত নিৰাপত্তা বাহিনীৰ স'তে হোৱা এক সংঘৰ্ষত প্ৰাণ হেৰুৱালে এজন সন্ত্ৰাসবাদীয়ে। নিৰাপত্তা বাহিনীয়ে আজি সন্ত্ৰাসবাদীৰ সন্ধানত উক্ত অঞ্চলত তালাচী অভিযান চলোৱাৰ সময়তে আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে সেনালৈ গুলিবৰ্ষণ কৰিছিল। উভয় পক্ষৰ মাজত হোৱা সংঘৰ্ষত নিৰাপত্তা বাহিনীৰ গুলিত এজন সন্ত্ৰাসবাদী ধৰাশায়ী হয়। মৃত সন্ত্ৰাসবাদীজন পাকিস্তানী নাগৰিক আছিল আৰু তেওঁ সন্ত্ৰাসবাদী সংগঠন লস্কৰ ই তৈবাৰ স'তে জড়িত আছিল বুলি সেনাই তথ্য নিশ্চিত কৰিছে।

## মধ্যপ্ৰাচ্যই নহয়, পয়গম্বৰ বিতৰ্কত অসন্তুষ্ট দক্ষিণ এছিয়াৰ দেশো ঃ জয়শংকৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুন ঃ** হজৰত মহম্মদৰ সন্দৰ্ভত বিজেপিৰ প্ৰাক্তন মুখপাত্ৰ নূপুৰ শৰ্মাই কৰা বিতৰ্কিত মন্তব্যৰ পৰিস্থিতিত বিদেশতো অশান্তিৰ সৃষ্টি হৈছে। ভাৰতৰো নানা ৰাজ্যত এই মন্তব্যক লৈ হিংসাকাণ্ডৰ ঘটনা সংঘটিত হৈছে। ইয়াৰ ফলত ভাৰতে আন্তৰ্জাতিক ক্ষেত্ৰত যথেষ্ট চাপৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত পয়গম্বৰ বিতৰ্কত প্ৰথমবাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰে। কেৱল উপসাগৰীয় দেশেই নহয়, দক্ষিণ এছিয়াৰ কে'বাখনো ৰাষ্ট্ৰই নূপুৰৰ বক্তব্যৰ বিৰোধিতা কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। একাংশ দেশে এই বিতৰ্কৰ সুযোগ গ্ৰহণ কৰি ভাৰতক শ'লঠেকত পেলাবলৈ অপচেষ্টা চলাইছিল যদিও তেওঁলোক সফল নহ'ব বুলি দাবী কৰিলে ভাৰতৰ বৈদেশিক মন্ত্ৰীয়ে। জয়শংকৰে এই বিতৰ্কৰ প্ৰসংগত মন্তব্য কৰি কয়, 'সংশ্লিষ্ট দেশসমূহে এই কথা বুজিব পাৰিছে যে উক্ত মন্তব্য আমাৰ চৰকাৰৰ দৃষ্টিভংগী নাছিল, এগৰাকী নেতাৰহে মন্তব্য আছিল। কেৱল মধ্যপ্ৰাচ্যতে নহয়, দক্ষিণ এছিয়াৰ কে'বাখনো দেশেও পয়গম্বৰ বিতৰ্কত তীব্ৰ নিন্দা কৰিছিল। অৱশ্যে চৰকাৰৰ অৱস্থানত এইসমূহ দেশ সন্তুষ্ট হৈছে। বিতৰ্কৰ সুযোগ লৈ একাংশ দেশে পানী ঘোলা কৰিবলৈ অপচেষ্টা চলাইছিল। কিন্তু এই ক্ষেত্ৰত তেওঁলোক সফল হ'ব নোৱাৰিলে।'



## নিজৰ জন্মদিন পালন নকৰিবলৈ অনুৰাগীক আহ্বান জনালে ৰাহুলে




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুন ঃ কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে আজি তেওঁৰ জন্মদিন উদ্‌যাপন নকৰিবলৈ দলৰ নেতা-কৰ্মীসকলক আহ্বান জনালে। ৰাহুলে দলীয় নেতা-কৰ্মীক উদ্দেশি কয় যে দেশৰ যুৱ প্ৰজন্ম সম্প্ৰতি যথেষ্ট সমস্যাগ্ৰস্ত হৈছে আৰু ৰাজপথত তেওঁলোকে বিক্ষোভ প্ৰদৰ্শন কৰিছে, এনে পৰিস্থিতিত কংগ্ৰেছৰ নেতা-কৰ্মীয়ে তেওঁৰ জন্মদিন পালনৰ পৰিৱৰ্তে এইসকল যুৱ প্ৰজন্মৰ স'তে থিয় দিয়া উচিত। টুইটাৰত ৰাহুলে আজি এইদৰে আহ্বান জনাই লগতে কয়, 'মই দেশজুৰি সকলো কংগ্ৰেছ কৰ্মকৰ্তা আৰু মোৰ শুভাকাংক্ষীক অনুৰোধ জনালো যে মোৰ জন্মদিনত যাতে কোনো ধৰণৰ উদ্‌যাপন কৰা নহয়।'**

## নিজৰ বিবাহত উপস্থিত নহ'ল বিজেডিৰ বিধায়ক, থানাত গোচৰ

**নিউজ ব্যুৰ', ভুবনেশ্বৰ, ১৯ জুন ঃ** ওড়িছাত বিজু জনতা দল (বিজেডি)ৰ বিধায়ক বিজয় শংকৰ দাসে নিজৰ বিবাহত উপস্থিত নথকাৰ সন্দৰ্ভত আৰক্ষীয়ে এক গোচৰ ৰুজু কৰিলে। আৰক্ষীয়ে জনোৱা অনুসৰি তিৰতুলৰ বিধায়ক ৩০ বছৰীয়া দাসৰ বিৰুদ্ধে জগতসিংপুৰ সদৰ থানাত এগৰাকী মহিলাই এক গোচৰ ৰুজু কৰিছে। মহিলাই বিধায়কজনৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগ অনুসৰি প্ৰতিশ্ৰুতি দিয়াৰ পাছতো যোৱা শুকুৰবাৰে দাসে তেওঁক বিয়া কৰাবলৈ বিবাহ পঞ্জীয়কৰ কাৰ্যালয়ত উপস্থিত নহ'ল। জগতসিংপুৰ সদৰ থানাৰ প্ৰভাৰী নিৰীক্ষক প্ৰবাচ চাহুৱে প্ৰকাশ কৰা অনুসৰি, অভিযুক্ত বিধায়কৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ একাধিক ধাৰাত গোচৰ তৰা হৈছে। উক্ত মহিলা আৰু বিধায়ক দাসে যোৱা ১৭ মে'ত বিবাহ পঞ্জীয়কৰ কাৰ্যালয়ত বিবাহ সম্পন্ন কৰিবলৈ আবেদন দাখিল কৰিছিল। উক্ত মহিলাই পৰিয়ালৰ আন সদস্যৰ স'তে ৩০ দিনৰ নিৰ্ধাৰিত সময়ৰ পাছত যোৱা শুকুৰবাৰে বিবাহৰ আনুষ্ঠানিকতা সম্পন্ন কৰিবলৈ বিবাহ পঞ্জীয়কৰ কাৰ্যালয়ত উপস্থিত হৈছিল। কিন্তু বিধায়ক দাস কাৰ্যালয়ত উপস্থিত নহ'ল। এই সন্দৰ্ভত বিধায়কজনে প্ৰকাশ কৰা অনুসৰি তেওঁ উক্ত মহিলাক বিয়া কৰাবলৈ অস্বীকাৰ কৰা নাই আৰু ৬০ দিনৰ ভিতৰত বিবাহৰ পঞ্জীয়ন কৰাব পাৰে। দাসে কয়, 'বিবাহ পঞ্জীয়নৰ বাবে ৬০ দিন বাকী আছে। সেয়েহে মই যোৱা নাছিলো। মোক বিবাহ পঞ্জীয়কৰ কাৰ্যালয়লৈ যাবলৈ কোৱা হোৱা নাছিল।'




## আমাজনৰ সন্ধানহীন ব্ৰিটিছ সাংবাদিকৰ মৃত্যু হ'ল ঃ জনালে আৰক্ষীয়ে



**নিউজ ব্যুৰ', ব্ৰাছিলিয়া, ১৯ জুন ঃ** আমজনৰ গভীৰ অৰণ্যত যোৱা পাঁচ জুনৰ পৰা সন্ধানহীন হৈ থকা ব্ৰিটিছ সাংবাদিক ডম ফিলিপছৰ মৃত্যু হ'ল। ব্ৰাজিল আৰক্ষীয়ে কালি আনুষ্ঠানিকভাৱে এই কথা ঘোষণা কৰে। যোৱা পাঁচ জুনত ৫৭ বছৰীয়া ফিলিপছ আৰু তেওঁৰ সংগী ৪১ বছৰীয়া ব্ৰন' পেৰেৰা আমাজনৰ গভীৰ অৰণ্যত হঠাতে সন্ধানহীন হৈছিল। বুধবাৰে আৰক্ষীয়ে এজন সন্দেহজনক লোকক গ্ৰেপ্তাৰ কৰি জেৰা কৰাৰ পাছত অৰণ্যৰ তিনি কিলোমিটাৰ গভীৰত দুটা মৃতদেহৰ অৱশিষ্ট আৰু কিছু সামগ্ৰী উদ্ধাৰ কৰিছিল। মৰণোত্তৰ পৰীক্ষাত দেহাৱশেষৰ এটাৰ দাঁতৰ গঠনৰ স'তে ফিলিপছৰ সাদৃশ্য চিনাক্ত হোৱাৰ পাছত আৰক্ষীয়ে সাংবাদিক ফিলিপছৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে। আনটো মৃতদেহৰ চিনাক্তকৰণৰ কাম অব্যাহত আছে।

## 'ধূসৰ' তালিকাৰ পৰা মুক্ত হ'বলৈ চেষ্টা পাকিস্তানৰ, এফএটিএফৰ বিশেষজ্ঞক দিছে হেঁচা

**নিউজ ব্যুৰ' ইছলামাবাদ, ১৯ জুন ঃ** ফাইনেঞ্চিয়েল একচন টাস্ক ফ'ৰ্চ (এফ এ টি এফ)-এ পাকিস্তানক 'গ্ৰে' (ধূসৰ) তালিকাতে বাহাল ৰখাত আকৌ এবাৰ দেশখনে সমস্যাৰ সন্মুখীন হ'ল। পাকিস্তানে এতিয়া এফ এ টি এফৰ ধূসৰ তালিকাৰ পৰা মুক্ত হ'বলৈ নতুন নতুন কৌশল অৱলম্বন কৰিব ধৰিছে। বিশেষকৈ দেশখনে এফ এ টি এফৰ বিশেষজ্ঞৰ বিশ্বাস অৰ্জন কৰিবলৈ নতুন কূটকৌশল প্ৰয়োগ কৰিব বিচাৰিছে। এফ এ টি এফৰ সদ্যসমাপ্ত বৈঠকত পাকিস্তানত 'ধূসৰ' তালিকামুক্ত কৰাৰ সম্ভাৱনা আছিল যদিও বাস্তৱত এনে কোনো সিদ্ধান্ত গ্ৰহণ নকৰিলে সংগঠনটোৱে। ফলত 'ধূসৰ' তালিকাতে বাহাল




থাকিল পাকিস্তান। উল্লেখ্য যে সন্ত্ৰাসবাদীক বিত্তীয় পৃষ্ঠপোষকতা প্ৰদানৰ অভিযোগত এফ এ টি এফে পাকিস্তানক ধূসৰ তালিকাভুক্ত কৰিছিল। পাকিস্তানে সন্ত্ৰাস দমনত সফলতা অৰ্জন কৰিলে দেশখনত এই তালিকাৰ পৰা অব্যাহতি দিয়া হ'ব বুলি এফ এ টি এফে ঘোষণা কৰিছিল। কিন্তু সন্ত্ৰাসবাদীৰ উত্থান পাকিস্তান চৰকাৰে ৰোধ কৰিব নোৱাৰাত এফ এ টি এফে দেশখনক ধূসৰ তালিকাতে অন্তৰ্ভুক্ত ৰাখিলে।

## হিন্দুস্তানত জুই লাগিব, চিন্তন শিবিৰত কৈছিল ৰাহুলে ঃ ভিডিঅ' ফাদিল কৰিলে বিজেপি নেতাই

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জুন ঃ** সেনাত নিযুক্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা অগ্নিপথ আঁচনিৰ বিৰুদ্ধে বিহাৰ, উত্তৰ প্ৰদেশসহ দেশৰ কে'বাখনো ৰাজ্যত একাংশ যুৱ প্ৰজন্মই হিংসাত্মক বিক্ষোভ প্ৰদৰ্শন অব্যাহত ৰাখিছে। প্ৰতিবাদকাৰীয়ে ৰেল, বাছ আদিত অগ্নিসংযোগ কৰি ৰাজহুৱা সম্পত্তি হানি কৰিছে। এই আঁচনিখনৰ বিৰুদ্ধে দেশৰ ১৫ খন ৰাজ্যত যুৱ প্ৰজন্মই ৰাজপথত বিক্ষোভ প্ৰদৰ্শনৰে অৰাজকতা সৃষ্টি কৰিছে। এনে পৰিস্থিতিতে বিজেপিৰ তথ্যপ্ৰযুক্তি শাখাৰ মুৰব্বী অমিত



মালবীয়ই কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীৰ এক ভিডিঅ' সামাজিক মাধ্যমত শ্বেয়াৰ কৰিলে। টুইটাৰত এই ভিডিঅ' প্ৰচাৰ কৰি বিজেপি নেতাজনে দাবী কৰি কয় যে বৰ্তমানে দেশত যি পৰিস্থিতিৰ সৃষ্টি হৈছে, ইয়াৰ চিত্ৰনাট্য কংগ্ৰেছৰ চিন্তন শিবিৰতে ৰচনা কৰা হৈছিল। মালবীয়ই টুইটাৰত যি ভিডিঅ' শ্বেয়াৰ কৰিছে সেই ভিডিঅ' কংগ্ৰেছৰ উদয়পুৰত হোৱা চিন্তন শিবিৰৰ বুলি দাবী কৰা হৈছে। এই ভিডিঅ'ত সাংসদ ৰাহুলে ভাষণ দি কয়, 'এতিয়া এই যুঁজ আৰম্ভ হৈছে। আগন্তুক সময়ত আপোনালোকে দেখা পাব, হিন্দুস্তানত জুই লাগিব।' কংগ্ৰেছৰ এই চিন্তন শিবিৰত যথেষ্ট সংখ্যক দলীয় নেতাই অংশ লৈছিল। এই ভিডিঅ' টুইটাৰত প্ৰচাৰ কৰি বিজেপিৰ নেতাজনে এইদৰে কয়, 'ৰাহুল গান্ধীয়ে কংগ্ৰেছৰ চিন্তন শিবিৰৰ পৰাই দেশক সকীয়নি দিছিল, লণ্ডনতো এই কথা দোহাৰিছিল। উত্তৰ প্ৰদেশত আৰক্ষীয়ে অশান্তিৰ সৃষ্টি কৰা লোকসকলৰ মাজত এনে ব্যক্তিকো গ্ৰেপ্তাৰ কৰিছে যিসকল কংগ্ৰেছৰ নেতা-কৰ্মী। জুই লগোৱা হৈছে, কংগ্ৰেছৰ চিন্তন শিবিৰৰ পাছত ৰাহুলে লণ্ডনলৈ গৈছিল আৰু এক অনুষ্ঠানত ভাৰতৰ সন্দৰ্ভত মন্তব্য কৰি কৈছিল যে হিন্দুস্তানত প্ৰতিটো অঞ্চলত কেৰাচিন ঢালি দিয়া হৈছে আৰু এটা মেচৰ কাঠিৰে জুই লগাব পাৰে।

## বাংলাদেশত বানত ক্ষতিগ্ৰস্ত ৬০ লাখ লোক, সেনাক নিয়োগ



**নিউজ ব্যুৰ', ঢাকা, ১৯ জুন ঃ বাংলাদেশত ধাৰাসাৰ বৃষ্টিপাত আৰু বানৰ ফলত কমেও ৬০ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। এনে প্ৰাকৃতিক বিপৰ্যয়ৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সাহায্য আৰু উদ্ধাৰ কাৰ্যৰ বাবে সেনাক নিয়োগ কৰিলে। চৰকাৰী তথ্য অনুসৰি, বাসগৃহত পানী সোমোৱাৰ ফলত দেশখনৰ প্ৰায় ৬০ লাখ লোক বান প্ৰভাৱিত হৈছে। প্ৰবল বৃষ্টিপাতৰ ফলত দেশৰ প্ৰায়বোৰ নদ-নদীৰ জলপৃষ্ঠ বৃদ্ধি পাবলৈ ধৰিছে আৰু বানে প্ৰতিদিনে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। চৰকাৰী তথ্যত উল্লেখ কৰা মতে, বৰ্তমানলৈকে বানৰ ফলত দেশখনত কমেও ১৯ জন লোকৰ মৃত্যু হ'ল। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বহু অঞ্চলত প্ৰশাসনে বিদ্যুৎ সৰবৰাহ বন্ধ ৰাখিছে। ফলত এনেবোৰ অঞ্চলত সম্প্ৰতি ইণ্টাৰনেট আৰু ম'বাইল ফোন সেৱাও বন্ধ হৈ আছে।**

# টিনপাত কেলেংকাৰিত ইউপিপিএল নেতা জড়িতৰ অভিযোগ

## ■ কোকৰাঝাৰৰ চহৰস্থিত বিপিএফৰ কেন্দ্ৰীয় কাৰ্যালয়ত বিপিএফৰ সংবাদমেল



নলবাৰীত বানপীড়িতৰ মাজত খাদ্য সামগ্ৰী বিতৰণ, দেওবাৰে।

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৯ জুন ঃ** বিটিচিত এইবাৰ দুখীয়া জনগণৰ মাজত টিনপাত বিতৰণ নকৰাকৈয়ে আবন্টিত সমস্ত ধন আত্মসাৎ কৰা কাৰ্যত ইউপিপিএলৰ সদস্য জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি বিটিচি চৰকাৰে ১২ টা ৰাজহ চক্ৰৰ অধীনত দুখীয়া জনগণৰ মাজত টিনপাত বিতৰণ কৰিবলৈ ৩,৪৫,৯৮,৯৬৭ টকা আবন্টন দিছিল। কিন্তু বিটিচি চৰকাৰে আবন্টন দিয়া উক্ত ধন ৰাশি যোৱা ছয় জুনত বিটিচিৰ সচিব তথা লেণ্ড ৰেকৰ্ড এণ্ড ছাৰ্ভেৰ ডিৰেক্টৰ ধীৰাজ সাউদে ফাণ্ড ৰিলিজ কৰি দিয়ে আৰু আঠ জুনত উক্ত ধনৰাশি ইউপিপিএলৰ এজন সদস্য তথা ঠিকাদাৰ কনিষ্ক নাৰ্জাৰীৰ বেংক একাউণ্টত জমা হয় ।

ইতিমধ্যে টিনপাত বিতৰণ অবিহনে এনেদৰে ধন আত্মসাৎ কৰা কাণ্ডৰ তদন্ত বিচাৰি কোকৰাঝাৰ চহৰৰে বিপিএফৰ কৰ্মী তথা ব্যৱসায়ী মনঞ্জয় দৈমাৰীয়ে যোৱা ১৪ জুনত কোকৰাঝাৰ থানাত এজাহাৰ প্ৰদান কৰে। উল্লেখ্য যে আৰক্ষীয়ে ইউপিপিএলৰ সদস্য তথা ঠিকাদাৰ কনিষ্ক নাৰ্জাৰীক সোধপোছ কৰাৰ বাবে আটক কৰে যদিও পাছত পুনৰ মোকলাই দিয়ে। আনহাতে, বিপিএফৰ জ্যেষ্ঠ নেতা তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা পাৰিষদ দেৱহাছাৎ বসুমতাৰীয়ে কোকৰাঝাৰ চহৰস্থিত বিপিএফ কাৰ্যালয়ত কালি এক সংবাদমেল আয়োজন কৰি এয়া বৃহৎ কেলেংকাৰি বুলি অভিহিত কৰে। তেওঁ সংবাদ মাধ্যমৰ আগত চৰকাৰে দুখীয়াৰ বাবে আবন্টিত ধন উঠাই লৈছে কিন্তু কোনো এগৰাকী হিতাধিকাৰীয়ে ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত টিনপাত নোপোৱাৰ অভিযোগ উঠিছে বুলি সদৰী কৰি বিটিচিৰ ভূমি, ৰাজহ আৰু তথ্য বিভাগৰ সঞ্চালক ধীৰাজ সাউদৰ লগতে ১৩ পৃষ্ঠাত চাওক

# প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসৰ বান ক্ষতিগ্ৰস্ত হাউলী অঞ্চল পৰিদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১৯ জুন ঃ** হাউলী অঞ্চলৰ বানপীড়িত ৰাইজৰ মাজত সাহায্য, পুনৰ সংস্থাপন সন্দৰ্ভত পৰ্যালোচনা কৰা আৰু বানপীড়িত ৰাইজৰ অভাৱ-অভিযোগ আৰু সমস্যাৰ বুজ লোৱাৰ উদ্দেশ্যে কালি অসম গণ পৰিষদৰ প্ৰাক্তন সাংসদ, অসম নাট্য সন্মিলনৰ সভাপতি তথা মধুপুৰ সত্ৰ সমিতিৰ সাধাৰণ সম্পাদক কুমাৰ দীপক দাসে হাউলী অঞ্চলৰ বান ক্ষতিগ্ৰস্ত বিভিন্ন অঞ্চল পৰিদৰ্শন কৰে। মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ আৰু যুগান্ত বায়নে জনোৱা মতে, প্ৰাক্তন সাংসদজনে হাউলী আদৰ্শ বিদ্যাপীঠ হাইস্কুলত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰাৰ লগতে হাউলী চুপাৰি ব্যৱসায় সন্থাৰ কাৰ্যালয়ত অস্থায়ীভাৱে স্থাপন কৰা অংগনৱাড়ি কেন্দ্ৰও পৰিদৰ্শন কৰে। উল্লেখ্য যে কেন্দ্ৰটোত বান ক্ষতিগ্ৰস্ত শিশুসকলৰ মাজত পুষ্টিকৰ খাদ্য আদি বিতৰণ কৰি থকা হৈছে। পৰিদৰ্শনৰ সময়ত প্ৰাক্তন সাংসদ দাসে হাউলী পৌৰসভাৰ সদস্যসকলৰ লগতে কাৰ্যবাহী বিষয়াৰ স'তে আলোচনাত মিলিত হৈ আশ্ৰয় শিবিৰত থকা ১৩ পৃষ্ঠাত চাওক

# তামুলপুৰৰ বান পৰিস্থিতি সম্পৰ্কত মহকুমা আছুৰ উপায়ুক্তক স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৯ জুন ঃ** তামুলপুৰ জিলাৰ বিভিন্ন অঞ্চলত হোৱা বানপানীৰ পৰিপ্ৰেক্ষিতত যোৱা ১৮ জুনত সদৌ বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ডুলুজিৎ দাস আৰু শিক্ষা সম্পাদক অজয় বড়োৰ নেতৃত্বত তামুলপুৰ মহকুমা ছাত্ৰ সন্থা আৰু তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ এটি দলে বানপীড়িত ঠাইসমূহ পৰিদৰ্শন কৰি তামুলপুৰ জিলাৰ উপায়ুক্তক সমস্যাসমূহ সমাধানৰ বাবে এখন স্মাৰকপত্ৰ প্ৰদান কৰে। বানপীড়িত অঞ্চল পৰিদৰ্শন কালত তামুলপুৰ মহকুমা ছাত্ৰ সন্থাৰ সম্পাদক অনুপ কলিতা, তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক উৎপল হালৈ, উপ-সভাপতি প্ৰাঞ্জল দাস, দক্ষিণ ডেফেলী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জয়দেৱ দাসকে আদি কৰি ভালেকেইজন ছাত্ৰ সন্থাৰ কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে তামুলপুৰ জিলাৰ প্ৰায় ৪২ খন গাঁৱৰ প্ৰায় ৩৮ হেজাৰ লোক এই বানৰ দ্বাৰা প্ৰভাৱিত হৈছে। বানপীড়িত অঞ্চলৰ স্পৰ্শকাতৰ অঞ্চলসমূহত অতি শীঘ্ৰে আশ্ৰয় শিবিৰ স্থাপন কৰাৰ লগতে অন্যান্য প্ৰান্তসমূহত প্ৰয়োজনীয় খাদ্য-সামগ্ৰী ব্যৱস্থা, পশুধনৰ আহাৰৰ ব্যৱস্থা, বিনষ্ট হৈ পৰা কৃষিভূমিৰ কৃষকক ক্ষতিপূৰণ প্ৰদান কৰাৰ দাবী জনাই মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সন্তোষ পাটোৱাৰী আৰু সম্পাদক অনুপ কলিতা স্বাক্ষৰিত স্মাৰকপত্ৰ প্ৰদান কৰে।

### চৰাইদেউ জিলাত ১৪৪ ধাৰা জাৰি

# বহুকেইটা বিষয়ত নিষেধাজ্ঞা, ৬০ দিনলৈ বাহাল থাকিব নিষেধাজ্ঞা

অগ্ৰদূত বাৰ্তা

মাহমৰা, ১৯ জুন ঃ চৰাইদেউ জিলাত শান্তি-শৃংখলাৰ পৰিস্থিতি বিঘ্নিত হোৱাৰ সম্ভাৱনাৰ প্ৰতি আশংকা প্ৰকাশ কৰি সমগ্ৰ জিলাখনত তৎকালে বলৱৎ হোৱাকৈ ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত জিলা দণ্ডাধীশ পল বৰুৱাই যোৱা ১৬ জুনত এক আদেশ জাৰি কৰি কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা অনুসৰি ৰাজহুৱা স্থানত পাঁচজন বা ততোধিক লোকৰ সমাবেশ; ৰাজহুৱা স্থানত মাৰণাস্ত্ৰ আৰু অন্যান্য অস্ত্ৰ যেনে লাঠি, ডেগাৰ, যাঠি, জোং, তৰোৱাল আদি কঢ়িওৱা; বিনা অনুমতিত ৰাজহুৱা স্থানত শোভাযাত্ৰা উলিওৱা, সভা পতা, সমবেত হোৱা; ৰাজহুৱা পথ, ঘাইপথ, পদপথ অৱৰোধ তথা যানবাহনৰ চলাচল বিঘ্নিত কৰি ৰাজহুৱা ৰেলী, শোভাযাত্ৰা, বিক্ষোভ প্ৰদৰ্শন, ধৰ্মঘট যেনে অনশন ধৰ্মঘট, ধৰ্ণা, চিঞৰা, শ্ল'গান দিয়া; বলপূৰ্বক ভাৱে ৰাইজৰ পৰা ধন, দান-বৰঙণি সংগ্ৰহ, ৰাজহুৱা স্থানত, বাট-পথত, ঘাইপথত লটাৰী বা জুৱা খেলা; বাট-পথত বা ৰাইজৰ-পথচাৰীৰ ওপৰত, চলিত বা ৰখাই থোৱা বাহনৰ ওপৰত ফটকা ফুটোৱা বা দলিওৱা অথবা জ্বলনশীল পদাৰ্থ দলিওৱা; নিশা ১০ বজাৰ পৰা পুৱা ছ বজালৈ চিকিৎসালয়, ন্যায়ালয়ত সত্ৰ চলি ১৩ পৃষ্ঠাত চাওক

# শিৱসাগৰত অত্যধিক বৰষুণত হ্ৰাস পাইছে খাৰিফ শস্যৰ উৎপাদন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১৯ জুন ঃ** সমগ্ৰ অসমৰ লগতে শিৱসাগৰ জিলাতো ডেৰমাহৰো অধিক দিন হোৱা নেৰানেপেৰা বৰষুণে বৰ্ষাকালীন খাৰিফ শস্যৰ প্ৰতি অশনি সংকেত কঢ়িয়াই আনিছে। কৃষি কৰ্মকে জীৱিকাৰ একমাত্ৰ সম্বল হিচাপে বাছি লোৱা শিৱসাগৰ জিলাৰ গ্ৰামাঞ্চলসমূহৰ শ শ কৃষিজীৱী লোকে এই সময়ছোৱাত ভেণ্ডি, জিকা, ৰঙালাউ, কোমোৰা, তিয়হ ভাতকেৰেলা জাতীয় খাদ্য শস্য উৎপাদন কৰি নিজৰ চাহিদা পূৰণ কৰি অহাৰ উপৰি গৰিষ্ঠ সংখ্যক কৃষকে এনেবোৰ খাদ্য শস্য স্থানীয় বজাৰত বিক্ৰী কৰি পৰিয়াল ভৰণ-পোষণ দিয়ে। কিন্তু সঘন বৰষুণ, ধুমুহাই মুহূৰ্ততে চূৰমাৰ কৰি পেলাইছে সংশ্লিষ্ট কৃষকসকলৰ আশাৰ সপোন। প্ৰচুৰ বৰষুণ আৰু শিলাবৃষ্টিয়ে খেতিয়কসকলে মূৰৰ ঘাম মাটিত পেলাই উৎপাদন কৰা খাৰিফ শস্যসমূহৰ বিস্তৰ ক্ষতিসাধন

### দুৰ্ভগীয়া কৃষকৰ বাবে বিকল্প আঁচনি গ্ৰহণত ব্যৰ্থ কৃষি বিভাগ

কৰাৰ উপৰি বহুকৃষকে বৰষুণৰ বাবে মাটি চহাবলৈ সক্ষম হোৱা নাই। স্বাভাৱিকতে অসমীয়া ব'হাগ আৰু জেঠৰ ভিতৰত এনে ধৰণৰ শস্যৰ উৎপাদন আৰম্ভ হয়। কৃষকৰ আশাৰ সপোন, ভেণ্ডি, তিয়হ ডাংবদি, জিলা, ভোল, ৰঙালাও, কোমোৰা আদি শয্যৰ উৎপাদন হয় এই সময়ছোৱাত। ব্যৱসায়ভিত্তিত নৈৰ কাষৰ মাটিত জিলাখনৰ বহুসংখ্যক খেতিয়কে বিগত বহু বছৰ ধৰি খাৰিফ শস্যৰ খেতি কৰি আহিছে। থলুৱাভাৱে উৎপাদিত এই শস্যসমূহে জিলাখনত প্ৰয়োজনীয় চাহিদা পূৰণ কৰি আহিছে যদিও চলিত বৰ্ষত হোৱা প্ৰৱল বৰষুণে সকলো ওলট-পালট কৰি তুলিছে। তদুপৰি এইবছৰ খাদ্য-শস্যসমূহ উৎপাদনৰ পৰিমাণ যথেষ্ট হ্ৰাস পোৱাত ইয়াৰ দাম আকাশলংঘী হৈ পৰিছে। খাৰিফ শস্যসমূহৰ ভিতৰত ব্যৱসায়ভিত্তিত ভোট জলকীয়াৰ খেতি কৰা খেতিয়কসকলে যথেষ্ট লোকচানৰ সন্মুখীন হ'ব লগা হৈছে। ভোট জলকীয়াসমূহ সততে ৰোগত আক্ৰান্ত হয়। বহু কষ্টৰ বিনিময়ত ১৩ পৃষ্ঠাত চাওক

# বৰভাগৰ বানপীড়িতক খিচিৰি, খোৱাপানী বিতৰণ



**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১৯ জুন ঃ** নলবাৰী জিলাৰ বৰভাগৰ বান পীড়িত লোকসকলক আজি বৰভাগৰ অগ্ৰণী অনুষ্ঠান উজ্জ্বল ডেকা ফাউণ্ডেছন আৰু স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰামীণ বিকাশ সংস্থাৰ সৌজন্যত বানত ক্ষতিগ্ৰস্ত লোকসকলক দুপৰীয়া খিচিৰি আৰু খোৱাপানী যোগান ধৰে। বৰভাগ অঞ্চলৰ নখেতি, ৰাইটকুছি, কমাৰকুছি, ৰাইমাধা আৰু বৰভাগ উন্নয়ন খণ্ডত থকা শিবিৰ, উলাবড়ী মজলীয়া বিদ্যালয়, উলাবড়ী বালিকা প্ৰাথমিক বিদ্যালয়ত থকা শিবিৰৰ লোকসকলৰ মাজত খিচিৰি আৰু খোৱাপানী বিতৰণ কৰে। উজ্জ্বল ডেকা ফাউণ্ডেছনৰ হৈ উজ্জ্বল ডেকা আৰু গ্ৰামীণ বিকাশ সংস্থাৰ সচিব ৰঞ্জিত দাসৰ নেতৃত্বত অৰ্ধশতাধিক কৰ্মীয়ে ৰাইজৰ মাজত সামগ্ৰীবোৰ বিতৰণ কৰে।

## ছিপাঝাৰত বন্যাৰ্তৰ মাজত জনপ্ৰতিনিধি

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৯ জুন ঃ** দৰং জিলাৰ ছিপাঝাৰ পৌৰসভাৰ সাত নম্বৰ কাউন্সিলাৰ দুলাল ডেকাই আজি নিজ ৱাৰ্ডৰ বন্যাৰ্ত ৰাইজৰ খবৰ লয়। স্থানীয় গাঁও প্ৰধান আৰু মণ্ডলক লগত লৈ ছিপাঝাৰ ৱাৰ্ডটোৰ প্ৰতিনিধি তথা প্ৰাক্তন সাংবাদিক দুলাল ডেকাই ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ লোৱাৰ উপৰি বানাক্ৰান্ত ৰাইজক কাইলৈৰ পৰা দৰং জিলা প্ৰশাসনৰ তৰফৰ পৰা সাহায্য বিতৰণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে।

# তিতাবৰত প্ৰথমটো ডিজিটেল শ্ৰেণী কোঠা উদ্বোধন

## ■ চেঙেলীচুক চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ১৯ জুন ঃ** তিতাবৰ সমষ্টিৰ অন্তৰ্গত বিৰিণাশায়েক গাঁও পঞ্চায়তৰ চেঙেলীচুক চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত আজি এটা ডিজিটেল শ্ৰেণী কোঠা উদ্বোধন কৰে তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই। মংগলময় বন্তি প্ৰজ্বলন কৰে তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়াই। বিধায়কৰ উন্নয়ন পুঁজিৰ তিনি লাখ টকাৰ অনুদানেৰে আটক ধুনীয়াকৈ নিৰ্মাণ কৰা ডিজিটেল শ্ৰেণী কোঠা উদ্বোধনী ভাষণত বিধায়ক বৰুৱাই কয় যে আজি বিৰিণাশায়েকৰ চেঙেলীচুক চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ এটা ঐতিহাসিক দিন। এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে চেঙেলীচুকৰ পৰাই আমেৰিকা, নিউজিলেণ্ডৰ ছাত্ৰ-ছাত্ৰীৰ লগত আন্তৰ্জাতিক প্ৰেক্ষাপটত শিক্ষা গ্ৰহণ কৰিবলৈ আজিৰ পৰাই সুযোগ লাভ কৰিব। তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি তথা অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক বিমান শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত উদ্বোধনী সভাত বিধায়ক বৰুৱাই



এটা জেনেৰেটৰ আৰু এটা মেট ছেট তাৎক্ষণিকভাৱে বিদ্যালয়খনক প্ৰদান কৰিব বুলি ঘোষণা কৰে। বিদ্যালয় গৃহৰ সমস্যা, শিক্ষকৰ অভাৱ আৰু এটা ডিজিটেল লাইব্ৰেৰীৰ সমস্যাৰ সমাধান কল্পে বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই ক্ষিপ্ৰ পদক্ষেপ গ্ৰহণ কৰিব বুলিও ভাষণত উল্লেখ কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক কুশল সন্দিকৈয়ে আঁত ধৰা অনুষ্ঠানত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সদস্য অচিন্ত শইকীয়াই বিদ্যালয়ৰ শ্ৰেণী কোঠাৰ টিনপাতৰ সমস্যা সমাধান কৰিবলৈ তৎকালেই সহযোগিতা আগঢ়াম বুলি ভাষণত প্ৰতিশ্ৰুতি প্ৰদান কৰে। বিৰিণাশায়েক গাঁও পঞ্চায়তৰ সভাপতি অজিত গগৈ, সমাজকৰ্মী প্ৰকাশ শইকীয়া, সাংবাদিক ইউচুফ আলী প্ৰমুখ্যে বিশিষ্ট লোকসকলে বক্তব্য প্ৰদান কৰা সভাত ক্ৰীড়া সংগঠক আনোৱাৰ হুছেইন, পৰিচালনা সমিতিৰ সভানেত্ৰী বাসন্তী টিপমীয়া, ৱাৰ্ড মেম্বাৰ পূৰ্ণিমা চাংমাই, শিল্পী অনুপম কোঁৱৰ প্ৰমুখ্যে বিশিষ্ট লোকসকলৰ লগতে দুই শতাধিক শিক্ষানুৰাগী ৰাইজে, পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকলে, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আন্তৰিক সহযোগিতা আগবঢ়ায়।

# কলিয়াবৰত বন্যহস্তীৰ আক্ৰমণত নিহত মহিলা, আহত তিনিজন

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৯ জুন ঃ** নেৰানেপেৰা বৰষুণৰ মাজতে কলিয়াবৰ ভিন্ন স্থানত বনৰীয়া হাতীৰ সন্ত্ৰাস বৃদ্ধি পাইছে। বন্যহস্তীৰ আক্ৰমণত এগৰাকী ৬০ উৰ্ধ্বৰ মহিলা নিহত হোৱাৰ লগতে তিনিজন গুৰুতৰভাৱে আহত হৈছে আন তিনিজনকৈ লোক। কালি পুৱাই কলিয়াবৰ পূৱথৰীয়াত বন্যহস্তী আক্ৰমণত আহত হয় মহেশ্বৰী দাধৰা নামৰ এগৰাকী মহিলা। আক্ৰমণৰ পাছতে আহত মহিলাগৰাকীক উন্নত চিকিৎসাৰ বাবে তেজপুৰলৈ প্ৰেৰণ কৰা হৈছিল যদিও চিকিৎসাধীন অৱস্থাত মৃত্যু হয় মহিলাগৰাকীৰ। আনহাতে, এক নম্বৰ ভূৰবন্ধাত বন্যহস্তীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় অসীম বৰ্মন, সোধন বৰ্মন আৰু অনন্তী মণ্ডল নামৰ তিনিগৰাকীকৈ পুৰুষ-মহিলা। আহতসকলক প্ৰথমে জখলাবন্ধা চিকিৎসালয় ভৰ্তি কৰোৱা হৈছিল যদিও উন্নত চিকিৎসাৰ বাবে তেজপুৰ আৰু নগাঁৱলৈ প্ৰেৰণ কৰা হৈছে। উল্লেখ্য যে নিশা কলিয়াবৰ বিভিন্ন স্থানত কে'বাটাও বাসগৃহত ভাঙি বিস্তৰ ক্ষতিসাধন কৰে বন্যহস্তীয়ে। ৰাইজৰ অভিযোগ অনুসৰি, দীৰ্ঘদিন ধৰি বন্যহস্তীয়ে উপদ্ৰৱ চলাই আহিছে কলিয়াবৰৰ ভিন্ন অঞ্চলত। ইয়াৰ বিপৰীতে বন্যহস্তীৰ উপদ্ৰৱ ৰোধ কৰাত চূড়ান্তভাৱে ব্যৰ্থ হৈছে বন বিভাগ।

# কোকৰাঝাৰ জিলা প্ৰশাসনৰ দ্বাৰা বান ক্ষতিগ্ৰস্ত লোকক সাহায্য প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৯ জুন ঃ** বিগত কেইদিনমান ধৰি ধাৰাসাৰ বৰষুণ দিয়াৰ পৰিপ্ৰেক্ষিতত কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চল প্লাৱিত হোৱা পৰিলক্ষিত হৈছিল । কিন্তু শুকুৰবাৰৰ পুৱাৰ পৰা জিলাখনত বৰষুণৰ পৰিমাণ কমি যোৱাৰ লগে লগে কোকৰাঝাৰ জিলাৰ বান পৰিস্থিতি কিছু উন্নত হোৱা দেখা গৈছে। এই সময়ত জিলাৰ আঠখন নদী যেনে-সোণকোষ, মদাতী, গুৰুফেলা, গংগিয়া, লংগা, সৰলভাঙা, গৌৰাং আৰু চম্পাৱতীৰ জলপৃষ্ঠ কমি অহা দেখা গৈছে যদিও এতিয়াও কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চল জলমগ্ন অৱস্থাত আছে। এই ক্ষেত্ৰত কোকৰাঝাৰ জিলা প্ৰশাসনে পৰিস্থিতিৰ ওপৰত কঠোৰ দৃষ্টি ৰখাৰ লগতে প্ৰয়োজনীয় বান ব্যৱস্থাপনা কাৰ্যকলাপ হাতত লৈছে।

কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাই জিলাৰ অতিৰিক্ত উপায়ুক্তসকলকে ধৰি জ্যেষ্ঠ আৰক্ষী বিষয়া, ৰাজহ চক্ৰ বিষয়া আৰু ৰাজহ চক্ৰ বিষয়া সংলগ্নসকলে বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি উপায়হীন ব্যক্তিসকলক উদ্ধাৰ অভিযান আৰু সাহায্য বিতৰণৰ ব্যৱস্থা কৰি আছে। তেনেদৰে সংশ্লিষ্ট বিভাগসমূহ যেনে- কৃষি, লোক নিৰ্মাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, শিক্ষা, জলসিঞ্চন, জনস্বাস্থ্য কাৰিকৰী আদি সমূহৰ বিষয়া আৰু কৰ্মচাৰীসকলেও বান ক্ষতিগ্ৰস্ত ক্ষেত্ৰ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰাৰ লগতে পুনৰুদ্ধাৰৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি আছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী এনডিআৰএফ ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী এছডিআৰএফ আৰু অগ্নিৰ্নিবাপক আৰু জৰুৰীকালীন সেৱা বাহিনীয়ে উদ্ধাৰ অভিযানত নামি পৰিছে লগতে স্বাস্থ্য বিভাগেও ১৪ টা চিকিৎসা দল গঠন কৰি বান ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰি আশ্ৰয় শিবিৰবোৰত ১৩ পৃষ্ঠাত চাওক

# বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতিৰ অধিবেশনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১৯ জুন ঃ** বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ নাজিৰা মহকুমা সমিতিৰ উদ্যোগত নাজিৰা মহকুমাৰ অন্তৰ্গত সমূহ আঞ্চলিক সমিতি আৰু নাজিৰাবাসী ৰাইজৰ সহযোগত শিৱসাগৰ জিলা সমিতিৰ তৃতীয় সংখ্যক চতুৰ্থ বাৰ্ষিক অধিবেশন কাইলৈ নাজিৰা এম চি ক্লাবত অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলিছে। কাৰ্যসূচী অনুসৰি, পুৱা গছপুলি ৰোপণ, পতাকা উত্তোলন, ছহিদ তৰ্পণৰ পাছতেই প্ৰতিনিধি সভাৰ মঞ্চ উদ্বোধন কৰিব নাজিৰাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপে। ড° জীৱন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব আটাছুৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি বসন্ত গগৈয়ে। বিয়লি চাৰি বজাত প্ৰতিনিধি সভা উদ্বোধন কৰিব বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা অতুল গগৈয়ে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিজেপিৰ জিলা সভাপতি ময়ূৰ বৰগোহাঁয়ে। সাংস্কৃতিক অনুষ্ঠানত বহুকেইগৰাকী বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰিব।

## মৰাণত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৯ জুন ঃ** চৰাইদেউ জিলা মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ নগৰৰ কাষতে থকা মৰাণহাট ৰেললাইনৰ কাষৰ খাৱৈত আজি এটা মৃতদেহ উদ্ধাৰ হয়। পুৱা প্ৰাতঃভ্ৰমণলৈ অহা লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। মৃতদেহটো মৰাণ নগৰৰ কাষতে থকা বৰডবা গাঁৱৰ ধ্ৰুৱ ফুকন (৪৫) বুলি চিনাক্ত কৰা হয়। পৰিয়ালৰ সূত্ৰে কয় যে কালি সন্ধিয়া ধ্ৰুৱই বৰষুণৰ বতৰতে নগৰৰ ফালে ওলাই আহিছিল। গোটেই নিশাটো ঘৰলৈ ঘূৰি নহাত পৰিয়ালৰ লোকসকল চিন্তিত হৈ আছিল। আজি ঘৰৰ পৰা অলপ দূৰত মৃতদেহ উদ্ধাৰ হোৱাত পৰিয়ালৰ লগতে ওচৰ-চুবুৰীয়া ৰাইজ হতবাক হৈ পৰে। সহজ-সৰল লোকজনৰ মৃত্যুত অঞ্চলটোত আজি শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত ধ্ৰুৱই বৃদ্ধ পিতৃৰ লগতে পত্নীক ইহসংসাৰত এৰি গৈছে। লোকজনৰ মৃত্যু কেনেকৈ হ'ল এতিয়া পোহৰলৈ অহা নাই। মৰণোত্তৰ পৰীক্ষাৰ ফলাফলৰ পাছতহে প্ৰকৃত ঘটনাৰ ৰহস্য জানিব পৰা যাব।

## ভতিজাকৰ ছুৰিকাঘাতত গুৰুতৰভাৱে আহত খুড়ীয়েক

**বাগ্‌সাৰ শালবাৰীৰ গোৱৰ্ধনাত ছুৰিকাঘাতৰ ঘটনা**

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৯ জুন ঃ**বাগ্‌সাৰ শালবাৰীৰ গোৱৰ্ধনাত ছুৰিকাঘাতৰ ঘটনা। ভতিজাৰ ছুৰিকাঘাতত গুৰুতৰভাৱে আহত খুড়ীয়েক। কথমপি প্ৰাণৰক্ষা খুড়ীয়েকৰ কণমানি কন্যা সন্তান আলমীনা খাতুন। ছুৰিকাঘাত কৰা ভতিজা বাবুল আলী আৰু ছুৰিকাঘাতত গুৰুতৰভাৱে আহত খুড়ীয়েক আনোৱাৰা খাতুন। ছুৰিকাঘাত কৰা বাবুল আলীয়ে উক্ত ঘটনা সংঘটিত কৰি পলায়নৰ চেষ্টা কৰে যদিও খেদি খেদি আটক কৰে ৰাইজে। ঘটনাস্থলীত গোৱৰ্ধনা আৰক্ষী উপস্থিত হৈ আটক কৰে বাবুল আলীক। মাটি-বাৰী সংক্ৰান্তীয় কাৰণত সংঘটিত হৈছে এই ঘটনা। গুৰুতৰভাৱে আহত খুড়ীয়েক আনোৱাৰা খাতুনক প্ৰথম অৱস্থাত বৰপেটাৰোড চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়।

# 'বতাহ ধুমুহাৰ মাজত থাকিও নিজক প্ৰতিষ্ঠা কৰিব লাগিব'

## ■ মৰিয়নি মহাবিদ্যালয়ত দুদিনীয়াকৈ কেৰিয়াৰ কাউন্সেলিং অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৯ জুন ঃ** মৰিয়নি মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা কেৰিয়াৰ কাউন্সেলিং অনুষ্ঠানৰ কালি সামৰণি পৰে । গুৱাহাটীৰ গ্ৰুপ অৱ ইনষ্টিটিউচনৰ সহযোগত অনুষ্ঠিত এই কেৰিয়াৰ কাউন্সেলিং অনুষ্ঠানটি প্ৰথম দিনা আদৰণি ভাষণেৰে মুকলি কৰে মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেণ শইকীয়াই । বিশেষকৈ উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ সংস্থাপনৰ প্ৰতি লক্ষ্য ৰাখি এই কেৰিয়াৰ কাউন্সেলিং অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটোত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি বাবুল আলী, নগেন ৰজক, ড° কৰণ য়াংমা, চাহিদুল ইছলাম আদিয়ে ছাত্ৰ- ছাত্ৰীসকলক কেৰিয়াৰ সম্পৰ্কীয় বিভিন্ন বিষয়ৰ ওপৰত বক্তব্য প্ৰদান কৰে । তেওঁলোকে কয়, বতাহ ধুমুহাৰ মাজত থাকিও নিজক প্ৰতিষ্ঠা কৰিব লাগিব। তেনেদৰে প্ৰতিষ্ঠা লাভ কৰাটোহে মূল কথা। এ চি, ফেনৰ তলত থাকি কৰাতো নহয় । আনহাতে, ছাত্ৰ-ছাত্ৰীসকলক কেৱল চাকৰিমুখী নহ'বলৈ পৰামৰ্শ আগবঢ়াই তেওঁলোকে কয়, সকলো স্বাৱলম্বী হ'ব লাগিব। বৃত্তিমুখী হ'ব লাগিব। তেতিয়াহে নিজৰ লগতে সমাজৰো উন্নয়ন হ'ব বুলিও তেওঁলোকে লগতে উল্লেখ কৰে । শেহতীয়াকৈ সমগ্ৰ বিশ্বৰ লগতে অসমতো স্বাস্থ্য বিজ্ঞান, স্বাস্থ্য খণ্ড আদিৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পোৱা বুলি উল্লেখ কৰি এনেবোৰ বিষয়ৰ প্ৰতিও লক্ষ্য দিবলৈ তেওঁলোকে প্ৰসংগক্ৰমে আহ্বান জনায় । মৰিয়নি মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° ভাস্কৰ বুঢ়াগোহাঁই আৰু ড° চিৰঞ্জিত হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন প্ৰশ্নৰো উত্তৰ প্ৰদান কৰে সমল ব্যক্তিসকলে । এই অনুষ্ঠানতে গ্ৰুপ অৱ ইনষ্টিটিউতে বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীৰ দুই অভিভাৱক প্ৰফুল্ল বৰা আৰু অনিল বৰাৰ লগতে মৰিয়নিৰ মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ স্মৃতিৰেখা ফুকন, ৰেলৱে হাইস্কুলৰ প্ৰধান শিক্ষক ৰথীন্দ্ৰ কুমাৰ দে, আদৰ্শ হিন্দী হাইস্কুলৰ প্ৰধান শিক্ষক অশোক ভগত আদিক সম্বৰ্ধনা জনোৱা হয়। অধ্যাপক ড° চিৰঞ্জিত হাজৰিকা, ড° ৰুবুল হাজৰিকা আৰু ড° ৰাজকুমাৰ গোহাঁইবৰুৱা সমন্বয়ক হিচাপে থকা অনুষ্ঠানটোৰ দুয়োদিনৰ কাৰ্যসূচীত মৰিয়নি মহাবিদ্যালয়ৰ লগতে মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়, তিতাবৰৰ মিহিৰাম শইকীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়, কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল, তিতাবৰ, চিনামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় আদি কে'বাখনো শিক্ষানুষ্ঠানৰ প্ৰায় চাৰি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। মৰিয়নি মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° মঞ্জুলা বৰঠাকুৰ, বিজ্ঞান শাখাৰ শৈক্ষিক উপাধ্যক্ষ ৰাজীৱ লোচন দত্ত, বাণিজ্য শাখাৰ শৈক্ষিক উপাধ্যক্ষ ৰঞ্জন দত্ত, ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ভূপেন্দ্ৰ নাথ গোস্বামী আদিৰ লগতে মহাবিদ্যালয়ৰ বহুসংখ্যক প্ৰবক্তা, অভিভাৱক, শুভাকাংক্ষী ৰাইজ অনুষ্ঠানটোত উপস্থিত থাকে।

# ৰাজগড়ত অগপৰ বিশেষ সাংগঠনিক সভা ঃ পঞ্চায়তত গৰিষ্ঠ আসন দখলৰ লক্ষ্য

**অগ্ৰদূত বাৰ্তা**

**ৰাজগড়, ১৯ জুন ঃ** পঞ্চায়ত নিৰ্বাচনত গৰিষ্ঠ সংখ্যক আসন দখলৰ লক্ষ্যৰে টিংখাং বিধানসভা সমষ্টিত অসম গণ পৰিষদৰ এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। আঞ্চলিক দলটোৰ কেন্দ্ৰীয় নেতাৰ উপস্থিতিত যোৱা ১৬ জুনত ৰাজগড় নিধিবন বিবাহ ভৱনত সম্পন্ন সভাত অগপৰ কেন্দ্ৰীয় উপ-সভাপতি তথা জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰ, চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, বোলছবিৰ পৰিচালক তথা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক নুৰুল চুলতান, কেন্দ্ৰীয় সমিতিৰ সম্পাদক পুতুল সোণোৱাল, কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক যোগেশ বিকাশ চেতিয়া, অসম কৃষক পৰিষদৰ কাৰ্যকৰী সভাপতি পূৰ্ণ গন্ধীয়া, সহকাৰী সম্পাদক বিকাশ বৰুৱা, জিলা সভাপতি আদিত্য গোস্বামী, ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি কন্দৰ্প দিহিংগীয়া, জিলা কাৰ্যকৰী সভাপতি তাপস গগৈ, যুৱ পৰিষদৰ সভাপতি প্ৰণয় ডাঙৰীয়া প্ৰমুখ্যে ভ্ৰাতৃ-ভগ্নী সংগঠনৰ নেতৃবৰ্গই অংশগ্ৰহণ কৰা সভাত কেন্দ্ৰীয় নেতা আৰু পৰ্যবেক্ষকসকলে আঞ্চলিক দলটোৰ সাংগঠনিক ভেটি পুনৰ শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ দলীয় তৃণমূল সকলো নেতা-কৰ্মীক আহ্বান জনায়। টিংখাং বিধান পৰিষদৰ সভাপতি সুবোধ কুমাৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমষ্টিটোৰ ১৮ খন পঞ্চায়তৰ প্ৰায় দুই শতাধিক দলীয় কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# সৰিয়হতলীত বানৰ কবলত অসংখ্য পৰিয়াল

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৯ জুন ঃ** প্ৰবল বৃষ্টিপাতৰ ফলত সমগ্ৰ অসমত আজিলৈকে ৩২খন জিলাৰ প্ৰায় ৩১ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। সকলো দিশে হাহাকাৰময় পৰিৱেশ। নলবাৰী জিলাতো বিভিন্ন অঞ্চল প্লাৱিত হৈ বহু পৰিয়ালৰ লগতে পশুধনৰ বিস্তৰ ক্ষতিসাধন হৈছে। নলবাৰী চহৰৰ উত্তৰপাৰে অৱস্থিত বৃহত্তৰ সৰিয়হতলী গাঁৱৰ লগতে দাঁতি কাষৰীয়া অঞ্চলসমূহৰ প্ৰায় ২৫০টা পৰিয়ালে প্লাৱিত হোৱাৰ লগতে আপোন ঘৰখন এৰি বালভৱন বিদ্যাপীঠ হাইস্কুল (পৰিয়াল ১৯০টা), সৰিয়হতলী প্ৰাথমিক বিদ্যালয় (পৰিয়াল আঠটা), স্বামী পৰমানন্দ হাইস্কুল (পৰিয়াল ২৭টা) আৰু পশ্চিম সৰিয়হতলী প্ৰাথমিক বিদ্যালয় (পৰিয়াল ২৪টা)ৰ শিবিৰত আশ্ৰয় ল'বলগীয়া হৈছে। সেই বানাক্ৰান্ত পৰিয়ালসমূহৰ দুখ-বেদনাৰ বুজ ল'বলৈ কালি নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মন, সাধাৰণ সম্পাদক নৱ কুমাৰ ডেকাৰ নেতৃত্বত উপদেষ্টা হৰিহৰ শৰ্মা, উপ-সভাপতি বিশাল বিক্ৰম চৌধুৰী প্ৰমুখ্যে নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ এটি সঁজাতী দল উপস্থিত হৈ খা-খবৰ লোৱাৰ লগতে যৎকিঞ্চিত খাদ্য সামগ্ৰী প্ৰদান কৰে। লগতে বালিকৰিয়া শাখা ছাত্ৰ সন্থা আৰু বালিকৰিয়া বাসুদেৱ শাখা সাহিত্য সভাৰ তৰফৰ পৰা প্ৰবল বৃষ্টিপাতৰ ফলত অতিকৈ ক্ষতিগ্ৰস্ত হোৱা বালিকৰিয়া অঞ্চলৰ ১২টা পৰিয়ালক সাধ্যানুযায়ী কিছু খাদ্য সামগ্ৰী প্ৰদান কৰে। জিলা প্ৰশাসনকো এই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক উপযুক্ত সাহায্য প্ৰদান কৰি এই বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ দাবী জনায়।

## আঞ্চলিক ছাত্ৰ সন্থাৰ সাহায্য বিতৰণ

## টিনপাত কেলেংকাৰিত

*১২ পৃষ্ঠাৰ পৰা* ঠিকাদাৰ কনিষ্ক নাৰ্জাৰীক অতি শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী তোলে। তেওঁ লগতে জিলা প্ৰশাসন, আৰক্ষী বিভাগক ক্ষিপ্ৰ তদন্তৰ দ্বাৰা উচিত পদক্ষেপ গ্ৰহণৰো দাবী উত্থাপন কৰে সংবাদমেলখনৰ জৰিয়তে। ইপিনে, এই সন্দৰ্ভত বিষয়া ধীৰাজ সাউদক সোধাত অস্বীকাৰ কৰি কয় যে আৰ্থিক অনুমোদন তথা কাম কৰাৰ নিৰ্দেশ বিটিচি সচিবালয়ৰ সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ সচিবেহে দিয়ে । তেওঁলোকে ৰাজহ বিভাগৰ সঞ্চালকালয়লৈ পঠিয়াই দিয়াৰ পাছত টকা মুকলি কৰি দিবলৈ ট্ৰেজাৰিলৈ প্ৰেৰণ কৰে । কিন্তু মূল কামখিনি সচিবয়েহে কৰে ।

## বহুকেইটা বিষয়ত নিষেধাজ্ঞা

*১২ পৃষ্ঠাৰ পৰা* থকা অৱস্থাত, শৈক্ষিক প্ৰতিষ্ঠানৰ ওচৰত উচ্চ স্বৰত অনুভাষ যন্ত্ৰ বজোৱা; অশান্তিৰ বাতাৱৰণ সৃষ্টিত উদ্‌গণি দিয়া ভাষণ, সাম্প্ৰদায়িক, ৰাজ্য বিৰোধী বা দেশ বিৰোধী ভাষণ দিয়া, শ্ল'গান দিয়া, বেনাৰ বা পোষ্টাৰ লগোৱা, দেৱাল লিখন ইত্যাদি নিষিদ্ধ ঘোষণা কৰা হৈছে। বজাৰ অঞ্চলত বজাৰ কৰাৰ ক্ষেত্ৰত, পাৰ্টি বা খেলপথাৰত খেলা-ধূলা কৰাৰ ক্ষেত্ৰত, ছবিঘৰত বা অন্যান্য বিনোদধৰ্মী স্থানত, শিক্ষানুষ্ঠানত, ৰেল আৰু বাছ আস্থানত ভ্ৰমণৰ খাতিৰত, বিবাহ অনুষ্ঠানত, সকলো সম্প্ৰদায়ৰ সামাজিক বা ব্যক্তিগত ধাৰ্মিক অনুষ্ঠানৰ ক্ষেত্ৰত অৱশ্যে ৰাজহুৱা স্থানত আদিত জনসমাগমৰ ক্ষেত্ৰত আৰোপ কৰা এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব। উল্লেখ্য যে, আৰক্ষী, সামৰিক বাহিনী, কৰ্মৰত দণ্ডাধীশ, ন্যায়ালয়ৰ বিষয়া, চৰকাৰী কাম বা ব্যৱসায়ত নিয়োজিত ব্যক্তিসকল এই নিষেধজ্ঞাৰ আওতাৰ বাহিৰত থাকিব। এই আদেশ সমগ্ৰ চৰাইদেউ জিলাত তৎকালীন ভাৱে বলৱৎ হোৱাকৈ তথা পৰৱৰ্তী ৬০ দিনলৈ বাহাল থাকিব।

## শিৱসাগৰত অত্যধিক বৰষুণত

*১২ পৃষ্ঠাৰ পৰা* খেতিয়কসকলে ভোট জলকীয়া উৎপাদন কৰে যদিও এই বছৰ নেৰানেপেৰা বৰষুণৰ ফলত ভোট জলকীয়া খেতিত দুগুণে ভাইৰাছজনিত ৰোগ বৃদ্ধি পাব ধৰিছে। ফলত ভোট জলকীয়া গছতে আধা পকা অৱস্থাতে গেলি-পচি যোৱাত সীমাহীন লোকচানৰ সন্মুখীন হৈছে সংশ্লিষ্ট কৃষক তথা কৃষিকৰ্মকে উপাৰ্জন পথ হিচাপে বাছি লোৱা বহু উদ্যোগী নিবনুৱা যুৱক। উল্লেখ্য যে থলুৱাভাৱে উৎপাদিত খাৰিফ শস্য স্থানীয় বজাৰত বিক্ৰী কৰি পৰিয়াল পোহপাল দিয়া কৃষিজীৱী পৰিয়ালসমূহত হাহাকাৰ অৱস্থাৰ সৃষ্টি হোৱাৰ উপক্ৰম হৈছে। ফলত বিভিন্ন বেংকৰ পৰা হেজাৰ হেজাৰ টকা ঋণ লৈ ব্যৱসায়ভিত্তিত খেতি কৰা খেতিয়কসকলে মূৰে-কপালে হাত দিব লগা হৈছে। পৰিতাপৰ বিষয় যে ৰাজ্য চৰকাৰৰ কৃষি বিভাগ এটা থকাৰ পাছতো লোকচানৰ সন্মুখীন হোৱা সংশ্লিষ্ট কৃষকৰ বাবে বিকল্প আঁচনি গ্ৰহণত চূড়ান্তভাৱে ব্যৰ্থ হৈছে।

## প্ৰাক্তন সাংসদ কুমাৰ দীপক

*১২ পৃষ্ঠাৰ পৰা* লোকসকলৰ মাজত চাহিদা অনুপাতে খাদ্য সামগ্ৰী, পানী আদিৰ যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। আলোচনাৰ সময়ত পানীৰ মাজত আবদ্ধ হৈ থকা লোকসকলক নিৰাপদ স্থানলৈ লৈ অহাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াজনক আহ্বান জনায়। এই সময়ছোৱাত পশুধনৰ বাবে প্ৰয়োজন হোৱা খাদ্য সামগ্ৰী পৰ্যাপ্ত পৰিমাণে যোগান ধৰিবলৈ কাৰ্যবাহী বিষয়াজনক আহ্বান জনায়। বিষয়াজনে এই সন্দৰ্ভত তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰাত আশ্বাস দিয়ে। প্ৰাক্তন সাংসদজনে ৰাজ্য চৰকাৰৰ নগৰ উন্নয়ন বিভাগৰ সঞ্চালকৰ স'তে টেলিফোন যোগে আলোচনা কৰি হাউলী চহৰত সৃষ্টি হোৱা কৃত্ৰিম বানপানী সমস্যাৰ সমাধানৰ বাবে এক বিজ্ঞানসন্মত আৰু ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সঞ্চালকজনে এই সম্পৰ্কত যথোচিত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে। প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসে বৰপেটা জিলাৰ উপায়ুক্তৰ স'তেও শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভত বিতং আলোচনা কৰে। প্ৰাক্তন সাংসদজনে লগতে বৰপেটা অঞ্চলৰ বিভিন্ন বানপীড়িত অঞ্চলও পৰিদৰ্শন কৰে। এই পৰিদৰ্শনৰ সময়ত হাউলী পৌৰসভাৰ সদস্য নৱ দাস, বিশিষ্ট নাগৰিক উপেন দাস, অমৰেন্দ্ৰ পাঠক আৰু ধনঞ্জয় বৰ্মনে প্ৰাক্তন সাংসদজনক সহায় সহযোগ আগবঢ়ায়।

## কোকৰাঝাৰ জিলা প্ৰশাসনৰ

*১২ পৃষ্ঠাৰ পৰা* স্বাস্থ্য শিবিৰ পাতি বানপীড়িত লোকসকলক স্বাস্থ্য সেৱা আগবঢ়াই আছে। তেনেদৰে জিলা প্ৰশাসনৰ ফালৰ পৰা বান বিধ্বস্ত লোকসকলক সাহায্য সামগ্ৰী যেনে- চাউল, দাইল, মিঠাতেল, নিমখ, গুড়, চিৰা, মমবাতি, বিস্কুট, তিৰপাল, খোৱাপানীৰ ব্যৱস্থা আদি যোগান ধৰি থকা হৈছে। তদুপৰি শিশু আৰু স্তনপান কৰা মাতৃসকলৰ পুষ্টিকৰ খাদ্য যোগান দি থকাৰ লগতে আশ্ৰয় শিবিৰবোৰত শিশুৰ অনুকূল কোণ আৰু স্তনপান কৰা কোণ ব্যৱস্থা কৰি দিছে। পশুপালন বিভাগেও বানপানীত আক্ৰান্ত পশুধনৰ বাবে সেউজীয়া পশু খাদ্য যোগান দি আছে। এই সম্পৰ্কত যোৱা নিশা কোকৰাঝাৰৰ উপায়ুক্ত বৰ্ণালী ডেকাই জিলাৰ পৰ্বতঝোৰা আৰু গোসাঁইগাঁও মহকুমাৰ মহকুমাধিপতি, অতিৰিক্ত উপায়ুক্ত, সহকাৰী আয়ুক্ত, ৰাজহ চক্ৰ বিষয়া, ৰাজহ চক্ৰ বিষয়া সংলগ্ন আৰু সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকলৰ লগত পৰ্যালোচনা সভাত সাহায্য আৰু উদ্ধাৰ অভিযান সম্পৰ্কে আলোচনা কৰে। তেওঁ যিকোনো প্ৰকাৰে বানৰ কবলত পৰি উপায়হীন হোৱা ব্যক্তিসকলক উদ্ধাৰ অভিযান আৰু তেওঁলোকক খাদ্যৰ যোগান তীব্ৰতৰ কৰিবলৈ বিষয়া সকলক আদেশ দিয়ে। লগতে বিষয়াসকলক বানপানীত ক্ষতিগ্ৰস্ত হোৱা অঞ্চল ভ্ৰমণ কৰি ৰাইজে যাতে খাদ্য, চিকিৎসা, খোৱাপানী আদিৰ কোনো অসুবিধাত নপৰে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ নিৰ্দেশ দিয়ে।

এতিয়ালৈ কোকৰাঝাৰ জিলাৰ পাঁচখন ৰাজহ চক্ৰৰ অন্তৰ্গত বগৰীবাৰী-৫১খন, ভাওৰাগুৰী-৪১ খন, দোতমা-৪৬ খন, গোসাঁইগাঁও- ৭৭ খন আৰু কোকৰাঝাৰ - ৪৩ খন গাঁও লৈ মুঠ ২৫৮ খন গাঁৱৰ সৰ্বমুঠ ৮৬,৮৮৩ হেজাৰ লোক, প্ৰায় ৫৯, ৯৬৭ হেজাৰ ঘৰচীয়া জীৱ-জন্তু আৰু ২০.২৫৭৭ হেক্টৰ মাটি বানপানীৰ কবলত পৰি ক্ষতিগ্ৰস্ত হয় । বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা লোকসকলক সুৰক্ষা আৰু সাহায্য প্ৰদানৰ বাবে জিলা প্ৰশাসনে জিলাৰ বিভিন্ন স্থানত ৬৪ খন আশ্ৰয় শিবিৰ, ২৮ খন সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। বৰ্তমানলৈ এই আশ্ৰয় শিবিৰবোৰত ২৫,৫০৬ হেজাৰ ক্ষতিগ্ৰস্ত লোকসকলে আশ্ৰয় লৈ আছে। লগতে এই বানপানীৰ দ্বাৰা এতিয়ালৈকে ১০খন ঘৰ, আঠখন বিদ্যালয়, ছয়টা ৰাস্তা, দলং, কালৰ্ভাট ক্ষতিগ্ৰস্ত হয়।

# হোজাইত ধনবান লোকক চৰকাৰী গৃহ প্ৰদানৰ অভিযোগৰ উপায়ুক্তৰ নিৰ্দেশত তদন্ত আৰম্ভ

**■ অভিযুক্তৰ পলায়ন ঃ ধন ঘূৰাই দিয়াৰ নিৰ্দেশ তদন্তকাৰী দলৰ**

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৯ জুন ঃ** সদায় কেলেংকাৰিৰ শীৰ্ষত থকা হোজাই জিলাৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত নীলবাগান গাঁও পঞ্চায়তৰ মেথিগাঁৱত এজন ধনবান তথা প্ৰায় ২০ লাখটকীয়া বিল্ডিঙৰ গৰাকীক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ প্ৰদান কৰাৰ অভিযোগৰ ভিত্তিত হোজাইৰ জিলা উপায়ুক্ত অনুপম চৌধুৰীৰ নিৰ্দেশত কালি এটা তদন্তকাৰী দলে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। তদন্তৰ সময়ত উপস্থিত আছিল বিন্নাকান্দি খণ্ড উন্নয়ন বিষয়াৰ লগতে মোৱাঝাৰ আৰক্ষী আৰু নীলবাগান গাঁও পঞ্চায়তৰ সভাপতিও। উল্লেখ্য যে মেথিগাঁৱৰ শ্বৰীফ উদ্দিন নামৰ এজন ধনী আৰু প্ৰভাৱশালী লোকে লাভ কৰিছিল প্ৰধানমন্ত্ৰী আবাস যোজনাৰ বাসগৃহ। শ্বৰীফ উদ্দিনৰ ২০ লাখটকীয়া বাসগৃহ থকাৰ লগতে তেওঁ কে'বাখনো বিলাসী গাড়ীৰ গৰাকী। বিন্নাকান্দি উন্নয়ন খণ্ডৰ পূৰ্বৰ খণ্ড উন্নয়ন বিষয়া মইনউদ্দিন তথা নীলবাগান গাঁও পঞ্চায়তৰ সভাপতি আৰু সচিবক 'মেনেজ' কৰি শ্বৰীফ উদ্দিনে চৰকাৰী বাসগৃহ লাভ কৰাৰ অভিযোগ উঠিছিল। পূৰ্বৰ খণ্ড উন্নয়ন বিষয়া মইনউদ্দিনে শ্বৰীফক ঘৰৰ দুটা কিস্তি আদায় দিয়াৰ বিপৰীতে বৰ্তমানৰ খণ্ড উন্নয়ন বিষয়াজনে আদায় দিছিল এটা কিস্তিৰ ধন। আৰ্থিকভাৱে সবল হোৱাৰ পাছতো চৰকাৰী গৃহ লাভ কৰা শ্বৰীফ উদ্দিনৰ বিৰুদ্ধে হোজাইৰ উপায়ুক্তক অভিযোগ দিছিল এজন সচেতন যুৱকে। দুই-এজন দালালে সমগ্ৰ ঘটনাক গাপ দিব বিচাৰিছিল যদিও হোজাইৰ উপায়ুক্তৰ তৎপৰতাত আৰম্ভ হয় তদন্ত। আজি তদন্তকাৰী দলে শ্বৰীফ উদ্দিনৰ ২০ লাখটকীয়া বিল্ডিংটো প্ৰত্যক্ষ কৰাৰ লগতে চৰকাৰী বাসগৃহটো প্ৰত্যক্ষ কৰি ঘটনাৰ সত্যাসত্য নিৰূপণ কৰে। উল্লেখ্য যে তদন্তৰ সময়ত মোৱাঝাৰ আৰক্ষীক প্ৰত্যক্ষ কৰি শ্বৰিফ উদ্দিন সহ পৰিয়ালৰ বহু লোকে পলায়ন কৰে। শ্বৰীফ উদ্দিনক চৰকাৰী ঘৰৰ বিনিময়ত লাভ কৰা ধনসমূহ ঘূৰাই দিবলৈ নিৰ্দেশ দিয়াৰ লগতে তেওঁৰ বিৰুদ্ধে গোচৰ তৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে তদন্তকাৰী দলে।



*বানত প্লাৱিত বৰপেটাৰ বাটগাঁৱৰ একমাত্ৰ চৰকাৰী সুলভ মূল্যৰ দোকান।*

# নাহৰকটীয়া মহাবিদ্যালয়ত 'চলচ্চিত্ৰ প্ৰদৰ্শন'ৰ যোগেদি পাঠদান

**■ ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'সন্ধ্যাৰাগ' প্ৰদৰ্শিত**

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ১৯ জুন ঃ** নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত নাহৰকটীয়া মহাবিদ্যালয়ত কালিৰে পৰা সংযোজন হ'ল অসমীয়া ন-পুৰণি চলচ্চিত্ৰ প্ৰদৰ্শনৰ জৰিয়তে শিক্ষা প্ৰদানৰ এক অভিনৱ পদ্ধতি। নাহৰকটীয়া মহাবিদ্যালয়ৰ আলোচনা কক্ষত আৰম্ভ হোৱা চলচ্চিত্ৰ প্ৰদৰ্শন অনুষ্ঠানত উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি অসমীয়া চলচ্চিত্ৰৰ গতি-প্ৰকৃতি, অসমীয়া চলচ্চিত্ৰৰ বৰ্ণিল যাত্ৰাৰ এক চমু অৱলোকন দাঙি ধৰে নাহৰকটীয়া মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° স্মৃতিৰেখা গগৈ গায়নে। ইয়াৰ পাছতেই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি প্ৰসাদ কোঁৱৰে এক চমু বক্তব্যৰ যোগেদি বুটাম টিপি চলচ্চিত্ৰ প্ৰদৰ্শন অনুষ্ঠানৰ আৰম্ভণি কৰে। প্ৰত্যেক শনিবাৰে প্ৰদৰ্শন হ'বলগীয়া ন-পুৰণি চলচ্চিত্ৰ প্ৰদৰ্শনৰ মাজেৰে শিক্ষা প্ৰদান পদ্ধতিৰ আজিৰ আৰম্ভণিৰ দিনটোতে প্ৰদৰ্শিত কৰা হয় ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'সন্ধ্যাৰাগ'। এই নৱতম সংযোজন সম্পৰ্কে অধ্যক্ষ ড° জ্যোতিপ্ৰসাদ কোঁৱৰে সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে যে 'অসমীয়া চলচ্চিত্ৰৰ আৰম্ভ হৈছিল ১৯৩৫ত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' ছবিৰ জৰিয়তে। জয়মতীৰ পৰৱৰ্তী সময়ত ড° ভবেন্দ্ৰনাথ শইকীয়া, ড° ভূপেন হাজৰিকা আদি বহু যশস্বী চলচ্চিত্ৰকাৰৰ সেই সময়ৰ বোলছবিসমূহ ক'লা-বগা পৰ্দাতেই প্ৰদৰ্শিত হৈছিল। এই চলচ্চিত্ৰসমূহে প্ৰকৃতাৰ্থত অসমৰ মানুহৰ সমাজ জীৱনৰ প্ৰকৃত ঘটনা উপ-ঘটনাৰ প্ৰতিচ্ছবিসমূহ মানুহৰ হৃদয় স্পৰ্শ কৰিব পৰাকৈ দাঙি ধৰিছিল। ১৯৩৫ৰেই পৰা বৰ্তমান পৰ্যন্ত এটা সুদীৰ্ঘ কালৰ ঐতিহ্য সম্পন্ন অসমৰ চলচ্চিত্ৰ জগতৰ দুই এখন বোলছবিৰ বাদে নৱ প্ৰজন্মই বা ভৱিষ্যৎ প্ৰজন্মৰ অধিকাংশই দেখা নাই। যি সমূহ বোলছবিৰ পৰা আমি সঁচা অৰ্থত আদৰ্শ বুটলিব পাৰো, মানৱীয় প্ৰমূল্যবোধ বুটলিব পাৰো, আমাৰ ঐতিহ্য-পৰম্পৰাক বিচাৰি পাওঁ সেই সমূহ চলচ্চিত্ৰ নৱ প্ৰজন্মক দেখুৱাব নোৱাৰাটো আমাৰ বাবে অতি দুৰ্ভাগ্যজনক। সেয়েহে নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত যি সমূহ পুৰণি চলচ্চিত্ৰৰ ৰেকৰ্ড আমি লাভ কৰো সেইসমূহ ছাত্ৰ-ছাত্ৰীৰ আগত প্ৰদৰ্শন কৰাৰ এক অভিনৱ পদক্ষেপ গ্ৰহণ কৰা হৈছে। যশস্বী চলচ্চিত্ৰকাৰ তথা বৰেণ্য সাহিত্যিক ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সন্ধ্যাৰাগ' বোলছবিৰ প্ৰদৰ্শনৰ যোগেদি আজিৰ এই চলচ্চিত্ৰ প্ৰদৰ্শন অনুষ্ঠানৰ আৰম্ভণি কৰা হয়। তদুপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমতো এই 'সন্ধ্যাৰাগ'কে ধৰি বহুকেইখন চলচ্চিত্ৰ অন্তৰ্ভুক্ত হৈছে। এই পাঠ্যক্ৰমৰ উদ্দেশ্য হৈছে দৃশ্য-শ্ৰাব্য মাধ্যমৰ জৰিয়তে চলচ্চিত্ৰসমূহত থকা মানৱীয় দৰ্শন, ৰোলছবিখনত ৰূপায়ণ হোৱা চৰিত্ৰ চিত্ৰায়ণৰ বৈশিষ্ট্যসমূহ, মূল চৰিত্ৰ বা সহযোগী চৰিত্ৰ যাক আমি পাৰ্শ্ব চৰিত্ৰ বুলি কওঁ সেইসমূহৰ বৈশিষ্ট্য, চলচ্চিত্ৰসমূহৰ পটভূমি, বিশেষত্ব, পোহৰ, দৃশ্য সংগ্ৰহ, সেই সময়ত ব্যৱহাৰ কৰা কেমেৰাসমূহ কেনেকুৱা আছিল সেই সকলোবোৰ দিশ সামৰি কিদৰে সেই সময়ৰ ভৱিষ্যৎ স্ৰষ্টাসকলে ভৱিষ্যত প্ৰজন্মৰ বাবে সামান্য সা সুবিধাৰ মাজেৰে চলচ্চিত্ৰ নিৰ্মাণ কৰিছিল সেই সমূহ বিষয়ৰ পাঠদান কৰা। এই সকলোবোৰ কথা ভৱিষ্যত প্ৰজন্মৰ মাজলৈ লৈ যাবলৈ আমি নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু আই কিউ এ চিৰ যোগেদি এই চলচ্চিত্ৰ প্ৰদৰ্শনৰ জৰিয়তে পাঠদান প্ৰক্ৰিয়া আৰম্ভ কৰিছে। উল্লেখ্য যে নামৰূপ উপ-আৰক্ষী অধীক্ষক নৰকুমাৰ বড়াৰ দ্বাৰা প্ৰযোজিত চিত্ৰনাট্য আৰু চুটি ছবি দুখন নাহৰকটীয়া মহাবিদ্যালয়ৰ এই চলচ্চিত্ৰ প্ৰদৰ্শন পদক্ষেপৰ জৰিয়তে মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰ্যায়ক্ৰমে প্ৰদৰ্শন কৰা হ'ব বুলি জানিবলৈ দিয়ে অধ্যক্ষজনে।

## লক্ষীগঞ্জত বন্যাৰ্তলৈ সাহায্য প্ৰদান

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ১৯ জুন ঃ** নামনি অসমৰ ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাত আজিও অপৰিৱৰ্তিত আছে বান পৰিস্থিতি। চতুৰ্থ দিনাও বহুকেইখন গাঁৱৰ সহস্ৰাধিক পৰিয়াল জলবন্দী হৈ আছে। কালি লক্ষীগঞ্জ পঞ্চায়তৰ অধীনত থকা তাৰং, কৈমাৰী, চিনামাৰী, খুদিগাঁও, বৰাইবাৰী আদি গাঁৱত জলবন্দী হৈ থকা লোকসকলৰ বুজ লয় কেএচিৰ পাৰিষদ জীৱেশ ৰায়ে। ৰাণীগঞ্জ মণ্ডল বিজেপিৰ নেতা-কৰ্মীৰ সহযোগত যুৱনেতা ৰায়ে দুৰ্বিসহ জীৱনযাপন কৰি অহা জলবন্দী লোকসকলৰ মাজত সাহায্য প্ৰদান কৰে। লগতে বান বিধ্বস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে বন্যাৰ্তসকলৰ মাজত চিৰা, মুড়ি, বিস্কুট, বিশুদ্ধ খোৱাপানী আদি বিতৰণ কৰে।

## গাড়ী চালক সন্থাৰ উপায়ুক্ত, পৰিবহণ বিষয়াক সাক্ষাৎ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১৯ জুন ঃ** সদৌ অসম গাড়ী চালক সন্থাৰ নেতৃত্ববৃন্দই জিলা উপায়ুক্ত, জিলা পৰিবহণ বিষয়া, জিলা আৰক্ষী অধীক্ষক আৰু তিনিচুকীয়া সদস থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক পৃথকে পৃথকে সাক্ষাৎ কৰে আৰু তেওঁলোকক চালকসকলৰ বিভিন্ন সমস্যা ৰাজিৰ সমাধানৰ অৰ্থে প্ৰতিগৰাকী বিষয়াকে পৃথকে পৃথকে একোখনকৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উক্ত সাক্ষাৎকালত জিলা উপায়ুক্তই গাড়ী চালক সন্থাৰ নেতৃত্ববৃন্দক আশ্বাস দিয়ে যে চালকসকলৰ সমস্যা ৰাজিৰ সমাধানৰ বাবে জিলা প্ৰশাসনৰ পৰা অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰা হ'ব লগতে জিলাখনত থকা সদৌ অসম গাড়ী চালক সন্থাৰ লগতে আন সকলো চালক সংগঠনৰ স'তে জিলা প্ৰশাসনে অতি শীঘ্ৰে এখন সন্মিলন তথা আলোচনাচক্ৰ অনুষ্ঠিত কৰাৰ দাবী জনায়।

## গহপুৰৰ ছত্ৰং নদীত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ১৯ জুন ঃ** গহপুৰ পৌৰসভাৰ মধ্য ছত্ৰঙত আজি পুৱা ছত্ৰং নদীৰ বাঢ়নী পানীত উটি অহা এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। গহপুৰ পৌৰসভাৰ মাজেৰে বৈ যোৱা ছত্ৰং নৈৰ ওপৰত থকা সাত আৰু এক নম্বৰ সংযোগী এখন বাঁহৰ দলঙৰ খুঁটাত লাগি ওপঙি থকা অৱস্থাত উদ্ধাৰ হোৱা মৃতদেহটো আজি পুৱা প্ৰায় ছয় বজাত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি লগে লগে গহপুৰ আৰক্ষীক খবৰ দিয়ে। উক্ত খবৰৰ ভিত্তিত গহপুৰ আৰক্ষী থানাৰ উপ-পৰিদৰ্শক অভিজিৎ হাজৰিকাৰ নেতৃত্বত আৰক্ষীৰ এটা দল উক্ত স্থানত উপস্থিত হৈ কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত মৃতদেহটো পাৰলৈ তুলি অনাৰ ব্যৱস্থা কৰে। আৰক্ষীয়ে মৃতদেহটো প্ৰায় ৪০ বছৰ বয়সীয়া পুৰুষৰ বুলি চিনাক্ত কৰিব পাৰিছে যদিও মৃত ব্যক্তিজনৰ সম্পৰ্কে আন একো তথ্য লাভ কৰিব পৰা নাই। যাৰ বাবে মৃতদেহটো বিহালী মৰণোত্তৰ পৰীক্ষা কেন্দ্ৰৰ মৰ্গত ৭২ ঘন্টাৰ বাবে ৰখাৰ ব্যৱস্থা কৰিছে গহপুৰ আৰক্ষীয়ে। এইক্ষেত্ৰত যদি কোনো সদাশয় ব্যক্তিৰ হাতত কিবা তথ্য থাকে, তেন্তে গহপুৰ আৰক্ষী থানাৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে আৰক্ষী উপ-পৰিদৰ্শক অভিজিৎ হাজৰিকাই। গামোচা আৰু টি ছাৰ্ট পৰিহিত মৃতদেহটোৰ পৰা দুৰ্গন্ধ ওলোৱালৈ চাই যোৱা দুই-তিনিদিন পূৰ্বে অচিনাক্ত লোকজনৰ মৃত্যু ঘটিছে বুলি অনুমান কৰা হৈছে।

## বিশ্বনাথত নিশা বন্যহস্তীৰ আক্ৰমণত বিস্তৰ ক্ষতিসাধন

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৯ জুন ঃ** বিশ্বনাথৰ দক্ষিণ মৰলগাঁও, মধ্য মৰলগাঁও, উত্তৰ মৰলগাঁও, জাপৰি গুৰী, বাহবৰীয়া পামত বন্যহস্তীৰ উপদ্ৰৱ। প্ৰায় ৫০/৬০ জনীয়া বনৰীয়া হাতীৰ জাকটোৱে বহুকেইটা ঘৰ ভাঙি লণ্ড ভণ্ড কৰাৰ উপৰি বহুকেইখন গাঁৱত সিচঁৰিত হৈ তাণ্ডৱ সৃষ্টি কৰে নিশাৰ ভাগত। ইফালে অসীম ভট্টাচাৰ্য নামৰ ব্যক্তিজনৰ ঘৰত নিশা বন্য হস্তীৰ জাকটো সোমাই ভড়ালৰ ধান খোৱাৰ লগতে ক্ষতিসাধন কৰে চাৰিচকীয়া বাহনৰো। ইয়াৰ লগতে কমলেশ্বৰী শইকীয়া, চেণী গগৈৰ ঘৰতো ব্যাপক ক্ষতিসাধন হয়। নিশাৰ ভাগত বন বিভাগে বোমা গুলি ফুটাই স্থানীয় ৰাইজৰ সহযোগত আতংকৰ মাজত পাৰ কৰিব লগা হয় গাঁওবাসী ৰাইজে।

# খুমটাই-কমাৰগাঁৱত গাঁৱে-ভূঞে সন্দেহজনক লোকৰ ব্যৱসায়

**খুমটাই, ১৯ জুন ঃ** গোলাঘাট জিলাৰ খুমটাই-কমাৰগাঁৱকে আদি কৰি বিভিন্ন প্ৰান্তত কিছুদিন ধৰি কিছু সন্দেহজনক লোকে গাঁৱে গাঁৱে ব্যৱসায়ী বাণিজ্য আৰম্ভ কৰাত এতিয়া চিন্তিত হৈছে সচেতন ৰাইজ। উল্লেখ্য যে জিলাখনৰ দেৰগাঁৱত একাংশ সন্দেহজনক লোকে বাহৰ পাতি খুমটাই, বাদুলিপাৰ, কমাৰগাঁও, কচুপথাৰ, বৰুৱাগাঁও, ৰঙাগড়া, মহুৰামুখ আদি বহুকেইখন গাঁৱত বহিঃৰাজ্যৰ পঞ্জীয়নকৃত মটৰ চাইকেল লৈ প্লাষ্টিকৰ চকী বিক্ৰীৰ বাবে লৈ গাঁৱে গাঁৱে ঘূৰি ফুৰিছে। ইফালে উক্ত লোকসকলে বহিঃৰাজ্যৰ পঞ্জীয়নকৃত মটৰ চাইকেল লৈ হেলমেট পৰিধান নকৰাকৈয়ে চকী বিক্ৰী কৰি ঘূৰি ফুৰিছে ইখনৰ পাছত ইখন গাঁও। যি সময়ত ৰাজ্যখনৰ পৰিবহণ বিভাগ, আৰক্ষী প্ৰশাসনে হেলমেট পৰিধান নকৰা, প্ৰদূষণ ৰোধৰ প্ৰমাণপত্ৰ, ইন্সুৰেঞ্চ, পঞ্জীয়ন নথকা লোকক জৰিমনা বিহিছে। যি সময়ত আয়কৰ বিভাগে কৰ ফাকি দিয়া ব্যৱসায়ীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তেনে সময়ত গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তত কোনো নথি পত্ৰ, নথকাকৈ সন্দেহজনক লোকে ব্যৱসায় কৰি গাঁৱে গাঁৱে ঘূৰি ফুৰা লোকসকলক জিলা প্ৰশাসন কিম্বা আৰক্ষী প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব। আনহাতে, এনে সমূহ ব্যৱসায়ী পৰা বহু সময়ত বহু লোক প্ৰৱঞ্চনাৰ বলি হৈ অহা বুলি সচেতন মহলে মতপোষণ কৰিছে।

## চিন্তিত সচেতন ৰাইজ

# বৰভাগৰ বন্যাৰ্তৰ কাষত ৰাইজৰ দল

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৯ জুন ঃ** প্ৰলয়ংকাৰী বানে নলবাৰী জিলাৰ বৰভাগৰ বিভিন্ন প্ৰান্তত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰাত ৰাইজৰ দলৰ কৰ্মী সকলো বন্যাৰ্তৰ ওচৰত থিয় দিছে। আজি জিলাখনৰ বৰভাগৰ উলাবৰী, নখেতি, কমাৰকুছিৰ অস্থায়ী আশ্ৰয় শিবিৰত বিভিন্ন ধৰণৰ খাদ্য সামগ্ৰীকে ধৰি মম, দিয়াচলাই আদিও বিতৰণ কৰে। কাৰ্যসূচীত উপস্থিত থাকে ৰাইজৰ দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাছেল হুছেইন, চিন্ময় বৰা, মুখপাত্ৰ জয়ন্ত দাস, কেন্দ্ৰীয় নেতা প্ৰণৱ ডেকা, জিলা সমিতিৰ সাধাৰণ সম্পাদকদ্বয় ৰূপম দাস, ইফটিকাৰ হুছেইন আৰু নলবাৰী জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি ৰোফ আলীকে ধৰি অৰ্ধশতাধিক নেতা-কৰ্মী। উল্লেখ্য যে আশ্ৰয় শিবিৰসমূহত ৰাইটকুছি, নখেতি, কমাৰকুছি আদি অঞ্চলৰ শ শ লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। ৰাইজৰ দুখ-দুৰ্দশাৰ খবৰ লৈ ৰাইজৰ দলৰ কেন্দ্ৰীয় নেতা ৰাছেল হুছেইনে চৰকাৰক বন্যাৰ্তসকলক অধিক পৰিমাণৰ সাহায্য আগবঢ়াবলৈ অনুৰোধ জনায় বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰিবলৈ দাবী উত্থাপন কৰে।

# কৃষ্ণাই নৈৰ খহনীয়াই ভাবুকি কঢ়িয়াই আনিছে আশুডুবিলৈ

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১৮ জুন ঃ** গোৱালপাৰা জিলাৰ দুধনৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত কৃষ্ণাইৰ আশুডুবি অঞ্চলত অব্যাহত আছে তীব্ৰ খহনীয়া। কৃষ্ণাই নৈৰ খহনীয়াই ভাবুকি কঢ়িয়াইছে বৃহত্তৰ আশুডুবি গাঁওখনলৈ। স্থানীয় ৰাইজে জনোৱা অনুসৰি, ইতিমধ্যে কৃষ্ণাই নৈৰ বুকুত জাহ গৈছে বহু কেইটা পৰিয়াল। ৰাইজৰ মতে বিগত ২০১৪ৰ সংহাৰী বানপানীৰ পাছৰে পৰা অব্যাহত আছে খহনীয়া। অঞ্চলটোৰ ৰাইজে এই সম্পৰ্কে ইতিমধ্যে সমষ্টিৰ বিধায়ক তথা কৃষ্ণাই উন্নয়ন খণ্ডক অৱগত কৰিছে। পিছে আশুডুবি বাসীৰ খবৰ লওঁতা কোনো নাই। সমষ্টিৰ বিধায়কজনো এই ক্ষেত্ৰত মৌন। ৰাইজে সেয়ে কৃষ্ণাই নৈৰ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিবলৈ চৰকাৰী কৰ্তৃপক্ষক পুনঃ আহ্বান জনাইছে।

# দৈয়াঙৰ ৰতনপুৰত ২০৬ টা প্ৰধানমন্ত্ৰী আৱাস গৃহৰ আধাৰশিলা স্থাপন



**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১৯ জুন ঃ** গোলাঘাট বিধান সভা সমষ্টি গমাৰিগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত ৰতনপুৰ গাঁও পঞ্চায়তৰ ১০টা ৱাৰ্ডত পৰহিৰ পৰা কালিলৈ পঞ্চায়তখনলৈ আৱণ্টিত মুঠ ২০৬ টা প্ৰধানমন্ত্ৰী আৱাস গৃহৰ আধাৰশিলা স্থাপন কৰা হয়। উল্লেখ্য যে আধাৰশিলা স্থাপনৰ ফিটা কাটে পঞ্চায়তখনৰ সভাপতি লক্ষী কছাৰীয়ে। কাৰ্যসূচীত সহযোগিতা আগবঢ়াই বিজেপিৰ গমাৰি মণ্ডলৰ সাধাৰণ সম্পাদক নাৰায়ণ বৰা, পঞ্চায়ত অভিযন্তা সঞ্জীৱ দাস, ৱাৰ্ড সদস্যা অঞ্জলি দাস প্ৰমুখ্যে বিজেপিৰ কাৰ্যকৰ্তাসকল।

# বালিকৰিয়া বাসুদেৱ শাখা সাহিত্য সভাৰ ৰাভা দিৱস স্থগিত

**নলবাৰী, ১৯ জুন ঃ** প্ৰতিকূল বতৰৰ বাবে বালিকৰিয়া বাসুদেৱ শাখা সাহিত্য সভাৰ বিষ্ণু ৰাভা দিৱস অহা জুলাইলৈ পিছুৱাই দিয়া হৈছে বুলি শাখা সাহিত্য সভাৰ সভাপতি অৰূপ কুমাৰ ডেকা আৰু সম্পাদক ফুলেন দত্তই এক বিজ্ঞপ্তিযোগে জনাইছে। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৰাভা দিৱসৰ কাৰ্যসূচী যোৱা ১৭ জুনৰ জৰুৰী কাৰ্যনিৰ্বাহক সভাই বাতিল কৰা বুলি সিদ্ধান্ত লয়। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিয়ে ৰাভাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিব অহা ২০ জুনত। বতৰ অনুকূল হ'লে জুলাইত তাৰিখ নিৰ্ধাৰণ কৰি ৰাভা দিৱস উদ্‌যাপন কৰা হ'ব। বাতৰি কাকতযোগে নিৰ্ধাৰণ কৰা তাৰিখ জনোৱা হ'ব বুলি সভাপতি-সম্পাদকে জানিবলৈ দিছে।

# উন্নয়নে ঢুকি নোপোৱা গাঁও মোহনাটিঙৰ চাপৰিচুক

**■ বিধ্বস্ত যাতায়াত-অভাৱ বিশুদ্ধ খোৱাপানীৰ**

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ১৯ জুন ঃ** তিতাবৰ সমষ্টিৰ নামচুণ্ডী গাঁও পঞ্চায়তৰ অধীনত মোহনাটিঙৰ চাপৰিচুক গাঁৱৰ ৰাইজে স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো উন্নয়নৰ মুখ নেদেখিলে। বিজ্ঞান প্ৰযুক্তিৰ উন্নতিৰ উপৰি ডিজিটেল ইণ্ডিয়াৰ আধুনিক পৃথিৱীৰ সা-সুবিধাৰ কোনো চিন-মোকামেই নাই এই চাপৰিচুক বালিজানত। বৰ্তমানৰ লোক নিৰ্মাণ বিভাগৰ খবৰেই নাই বাট-পথৰ উন্নয়নৰ বাবে অথবা মেৰামতিৰ বাবে। সাধাৰণ এজাক বৰষুণতে গাঁওখনৰ প্ৰধান পথটোৰেদি যাতায়াত আৰু যোগাযোগ একেবাৰেই সম্ভৱ নহয়।

বৰ্তমানৰ পংকাকুল পথটোৰেদি স্কুলীয়া কণ কণ ল'ৰা-ছোৱালী অহা-যোৱা একেবাৰেই দুৰ্বিষহ হৈ পৰিছে। চাইকেল, মটৰ চাইকেল অথবা গাড়ী চলোৱাতো দূৰৰে কথা খোজকাঢ়িও যাতায়াত কৰিব নোৱাৰা পৰিস্থিতিৰ উদ্ভৱ হৈছে গাঁওখনত। একেৰাহে নেৰানেপেৰা বৰষুণ হোৱাৰ ফলত গাঁওখনৰ একমাত্ৰ পথটো বিধ্বস্ত হৈ পৰিছে। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ অহা-যোৱা কৰিবলৈ অশেষ কষ্ট হৈছে। বিশেষকৈ প্ৰাথমিক বিদ্যালয়ৰ কণ কণ ল'ৰা-ছোৱালীয়ে ঘৰতে থাকিব লগা



হৈছে। কাজেই পথটোৰ যাতায়াত ব্যৱস্থাৰ উন্নতিৰ কাৰণে গাঁও পঞ্চায়ত অথবা লোক নিৰ্মাণ বিভাগৰ প্ৰতি গঞা ৰাইজে আহ্বান জনাইছে। স্থানীয় বিধায়ক ভাস্কৰজ্যোতি বৰুৱাক গাঁওখনৰ যাতায়াতৰ সু-ব্যৱস্থাৰ বাবে ৰাইজে বিশেষভাৱে দৃষ্টিগোচৰ কৰিছে।

আনহাতে গাঁওখনৰ ৰাইজক বিশুদ্ধ খোৱাপানীৰ সমস্যাই জুৰুলা কৰিছে। ভূ-গৰ্ভৰ পানীত অধিক আৰ্চেনিক থকাৰ কাৰণে গভীৰ নলীনাদ বন্ধ কৰি দিছে। ধনশিৰিৰ পানী আৰ্চেনিকমুক্ত কৰি তিতাবৰ সমষ্টিৰ ৰাইজক খুৱাবলৈ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ দিনত এশকোটি টকাৰ গ্ৰেটাৰ তিতাবৰ পানী যোগান আঁচনি গ্ৰহণ কৰিছিল যদিও কাৰিকৰী বিজুতিৰ বাবে প্ৰায়বিলাক গাঁৱৰ ৰাইজ বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ আছে।


Azadi Ka Amrit Mahotsav
অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু
ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত
বিষ্ণু ৰাভা দিৱস ২০২২ আৰু
ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা
কালিচৰণ ব্ৰহ্ম বঁটা, ২০২১
কৃষ্ণকান্ত সন্দিকৈ বঁটা, ২০২১
আজান পীৰ বঁটা, ২০২১
ৰাজ্যিক পৰ্যায়ৰ বঁটা
বিষ্ণু ৰাভা বঁটা, ২০২২
গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱা বঁটা, ২০২১
কমলপ্ৰভা দাস বঁটা, ২০২১
চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা, ২০২১
আমাণি বমহৰ গোস্বামী বঁটা, ২০২১
চৈয়দ আব্দুল মালিক বঁটা, ২০২১
মহম্মদ আলী বাঁৰিকান্দি বঁটা, ২০২১
গণেশ গগৈ বঁটা, ২০২১
স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা, ২০২১
লোহিত কোঁৱৰ গজেন বৰুৱা বঁটা, ২০২১
ড° হিমন্ত বিশ্ব শৰ্মা
মাননীয় মুখ্যমন্ত্ৰী, অসম
প্ৰদান অনুষ্ঠান
মুখ্য অতিথি
ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম
সভাপতি অতিথি
শ্ৰীযুত বিমল বড়া, মাননীয় মন্ত্ৰী, সাংস্কৃতিক পৰিক্ৰমা বিভাগ, অসম
বিশেষ অতিথি
শ্ৰীযুত ৰামেশ্বৰ তেলী
শ্ৰীযুত প্ৰশান্ত ফুকন
শ্ৰীযুত তেৰছ গোৱালা
শ্ৰীযুত চক্ৰধৰ গগৈ
অনুষ্ঠানটিত অসমৰ কেইবাগৰাকী বৰেণ্য আৰু খ্যাতনামা শিল্পীয়ে গীত পৰিবেশন কৰাৰ উপৰিও মনোমোহা নৃত্যানুষ্ঠানৰো আয়োজন কৰা হৈছে। সমূহ ৰাইজক দলে-বলে যোগদান কৰিবলৈ বিনম্ৰভাৱে আহ্বান জনোৱা হৈছে।
২০ জুন ২০২২
সময় : সন্ধিয়া ৫ - ৩০ বজা
চৌকিডিঙ্গী খেলপথাৰ, ডিব্ৰুগড়
অনুষ্ঠানত ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰা হ'ল।
সঞ্চালক
সাংস্কৃতিক পৰিক্ৰমা, অসম






### জন্মভূমি ভাৰতৰ পৰা প্ৰতি বছৰে শিখা দৌৰ মুকলি কৰাৰ সিদ্ধান্ত ল'লে ফিডেঃ আনন্দ-অনুৰাগৰো অংশগ্ৰহণ

# দবা অলিম্পিয়াডৰ ঐতিহাসিক শিখা মুকলি প্ৰধানমন্ত্ৰীৰ



**নতুন দিল্লী, ১৯ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত হোৱা এক অনুষ্ঠানত ৪৪ সংখ্যক দবা অলিম্পিয়াডৰ ঐতিহাসিক টৰ্চ ৰিলে মুকলি কৰে। এই অনুষ্ঠানত ফিডেৰ সভাপতি আৰ্কাডি ডভ'ৰকোভিচ, কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ, ক্ৰীড়া ৰাজ্যিক মন্ত্ৰী নিশিথ প্ৰমানিক, গ্ৰেণ্ডমাষ্টাৰ বিশ্বনাথন আনন্দ, ভাৰতীয় দবা দলৰ লগতে বিভিন্ন দেশৰ দবা ফেডাৰেচনৰ সদস্যসকলো উপস্থিত থাকে। উল্লেখ্য যে প্ৰতিষ্ঠিত প্ৰতিযোগিতাখন প্ৰথমবাৰৰ বাবে ভাৰতে কেৱল আয়োজন কৰাই নহয়, প্ৰতিযোগিতাখনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ফিডেৰ দ্বাৰা প্ৰতিষ্ঠা কৰা টৰ্চ ৰিলেও আৰম্ভ কৰা প্ৰথমখন দেশ ৰূপে পৰিগনিত হৈছে। উল্লেখ্য যে দবাৰ জন্ম হোৱা দেশ হিচাপে ভাৰতৰ ঐতিয্যক স্বীকাৰ কৰি এতিয়াৰ পৰা প্ৰতিখন দবা অলিম্পিয়াডৰ সময়তে অলিম্পিয়াড টৰ্চ ভাৰতৰ পৰা আয়োজক দেশলৈ যাত্ৰা কৰিব। থিক অলিম্পিকত যিদৰে এথেন্সৰ পৰা আৰম্ভ কৰা হয়। আজি ফিডেৰ সভাপতি আৰ্কাডিয়ে প্ৰধানমন্ত্ৰীক টৰ্চটো অৰ্পণ কৰে আৰু তেওঁ পাছলৈ ভাৰতীয় দবাৰ কিংবদন্তি গ্ৰেণ্ডমাষ্টাৰ বিশ্বনাথন আনন্দৰ হাতত অৰ্পন কৰে। উল্লেখ্য যে এই টৰ্চ ৰিলে ৪০ দিনীয়া হ'ব আৰু ভাৰতৰ ৭৫ খন চহৰক ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত সামৰি ল'ব। অনুষ্ঠানত ভাষন দি প্ৰধানমন্ত্ৰীয়ে কয় 'আজি দবা অলিম্পিয়াডৰ প্ৰথমটো টৰ্চ ৰিলে ভাৰতৰ পৰা আৰম্ভ হৈছে। প্ৰথমবাৰৰ বাবে এইবাৰ ভাৰতত দবা অলিম্পিয়াড খেল আয়োজন কৰিবলৈ লোৱা হৈছে। আমি গৌৰৱান্বিত যে জন্মস্থানৰ পৰা আৰম্ভ কৰি সমগ্ৰ বিশ্বতে নিজৰ চিন এৰি যোৱা এই খেলে বহু দেশৰ বাবে এক গৌৰৱ হৈ পৰিছে।' তেওঁ আৰু কয় 'যুগ যুগ ধৰি ভাৰতৰ পৰা চতুৰাংগাৰ ৰূপত এই খেলৰ শিখা সমগ্ৰ বিশ্বলৈ গৈছিল। আজি ভাৰতৰ পৰাও ওলাই আহিছে দবাৰ প্ৰথম অলিম্পিয়াড শিখা। আজি যেতিয়া ভাৰতে স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষ অমৃত মহোৎসৱ উদযাপন কৰিছে, তেতিয়া এই দবা অলিম্পিয়াড টৰ্চটোও দেশৰ ৭৫ খন চহৰলৈ যাব।' তেওঁ লগতে কয় 'ফিডে সিদ্ধান্ত লৈছে যে এতিয়াৰে পৰা প্ৰতিখন দবা অলিম্পিয়াড খেলৰ বাবে টৰ্চ ৰিলে ভাৰতৰ পৰাই আৰম্ভ হ'ব। এই সন্মান কেৱল ভাৰতৰ সন্মানেই নহয়, দবাৰ এই গৌৰৱময় ঐতিহ্যৰ সন্মানো। ইয়াৰ বাবে মই ফিডে আৰু ইয়াৰ সকলো সদস্যক অভিনন্দন জনাইছো।' প্ৰধানমন্ত্ৰীয়ে দবাত ভাৰতৰ ঐতিহ্যৰ বিষয়ে ব্যক্ত কৰি কয় 'আমাৰ পূৰ্বপুৰুষসকলে বিশ্লেষণাত্মক আৰু সমস্যা সমাধানকাৰী মগজুৰ বাবে দবাৰ দৰে খেল আৱিষ্কাৰ কৰিছিল। ভাৰতৰ সৃষ্টিৰ বাবেই দবা খেলে বিশ্বৰ বহু দেশত প্ৰতিস্থিত হৈছিল আৰু অতি জনপ্ৰিয় হৈ পৰিছিল। আজি বিদ্যালয়সমূহত দবাক যুৱক-যুৱতীসকলৰ বাবে, শিশুসকলৰ বাবে শিক্ষাৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হৈছে।' তেওঁ উল্লেখ কৰে যে বিগত বছৰবোৰত ভাৰতে দবাত ধাৰাবাহিকভাৱে নিজৰ প্ৰদৰ্শন উন্নত কৰি আহিছে। এইবাৰ দবা অলিম্পিয়াডত ভাৰতৰ দলটো এতিয়ালৈকে সৰ্বাধিক। এইবাৰ ভাৰতে পদকৰ নতুন অভিলেখ গঢ়িব বুলি আশা প্ৰকাশ কৰে প্ৰধানমন্ত্ৰীয়ে। প্ৰধানমন্ত্ৰীয়ে দবা খেলে ব্যক্তিৰ জীৱনত দিয়া বহুতো শিক্ষাৰ বিষয়েও কয়। জীৱনত নিজৰ স্থান নিৰ্বিশেষে সকলোৰে বাবে সঠিক সমৰ্থনৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় 'যেনেকৈ প্ৰতিটো দবাৰ টুকুৰাৰ নিজস্ব শক্তি আছে আৰু এক অনন্য ক্ষমতা আছে। যদি আপুনি এটা টুকুৰাৰ সৈতে সঠিক পদক্ষেপ লয় আৰু ইয়াৰ শক্তি সঠিকভাৱে ব্যৱহাৰ কৰে, তেন্তে ই আটাইতকৈ শক্তিশালী হৈ পৰে। এই বিশেষত্বই আমাক জীৱনৰ ডাঙৰ বাৰ্তা দিয়ে। সঠিক সমৰ্থন আৰু সঠিক পৰিবেশ দিয়া হ'লে দুৰ্বলসকলৰ বাবেও কোনো লক্ষ্য অসম্ভৱ নহয়।' দবাৰ পৰা পোৱা আন এক শিক্ষাৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় 'দবা খেলৰ আন এক মহান বৈশিষ্ট হ'ল দূৰদৰ্শীতা। দবা খেলে আমাক কয় যে প্ৰকৃত সফলতা হ্ৰস্বম্যাদী সফলতাৰ পৰিৱৰ্তে দূৰদৰ্শী সফলতাৰ পৰাই আহে।' অহা ২৮ জুলাইৰ পৰা ১০ আগষ্টলৈ চেন্নাইত অনুষ্ঠিত হ'ব ৪৪ সংখ্যক দবা অলিম্পিয়াড।




## ভাৰতৰ যুৱ প্ৰজন্মৰ মাজত সাহস, নিষ্ঠা, শক্তিৰ অভাৱ নাইঃ মোদী



**নতুন দিল্লী, ১৯ জুন ঃ** 'সুযোগ পালে ভাৰতৰ যুৱক-যুৱতীৰ বিশ্বজয় কৰাৰ ক্ষমতা আছে। কিন্তু দেশৰ চৰকাৰ আৰু জনতাৰ দায়িত্ব হ'ল আমাৰ আশাৰ নতুন প্ৰজন্মক আস্থাত ৰাখি সুবিধা দিয়া লগতে এক অনুকুল পৰিৱেশ সৃষ্টি কৰা।' এই মন্তব্য প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ। উল্লেখ্য যে আজি নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত হোৱা এক অনুষ্ঠানত ৪৪ সংখ্যক দবা অলিম্পিয়াডৰ ঐতিহাসিক টৰ্চ ৰিলে মুকলি কৰি মোদীয়ে এই কথা ব্যক্ত কৰে। ইফালে, টকিঅ' অলিম্পিক, পেৰালিম্পিক, থমাছ কাপ আৰু বক্সিঙত ভাৰতে শেহতীয়াকৈ লাভ কৰা সফলতাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় 'আমাৰ দেশত প্ৰতিভাৰ অভাৱ নাই। দেশৰ যুৱ প্ৰজন্মৰ মাজত সাহস, নিষ্ঠা আৰু শক্তিৰ অভাৱ নাই। আগতে আমাৰ এই যুৱক-যুৱতীসকলে সঠিক মঞ্চৰ বাবে অপেক্ষা কৰিবলগীয়া হৈছিল। আজি 'খেলো ইণ্ডিয়া' অভিযানৰ অধীনত দেশে এই প্ৰতিভাবোৰক বিচাৰি উলিয়াই গঢ় দিছে।' খেলো ইণ্ডিয়াৰ অধীনত দেশৰ সুদূৰ অঞ্চলৰ পৰা ক্ৰীড়া প্ৰতিভাৰ উত্থান ঘটিছে আৰু দেশৰ বিভিন্ন চহৰ আৰু জিলাত আধুনিক ক্ৰীড়া আন্তঃগাঁথনিৰ সৃষ্টি হৈছে। তেওঁ লগতে আঙুলিয়াই দিয়ে যে নতুন শিক্ষা নীতিৰ অধীনত ক্ৰীড়াক অন্যান্য শৈক্ষিক বিষয় হিচাপে গণ্য কৰা হৈছে। তেওঁ কয় যে ফিজিঅ', ক্ৰীড়া বিজ্ঞানৰ দৰে ক্ৰীড়াৰ বহু নতুন মাত্ৰা চৰ্চালৈ আহিছে আৰু দেশত বহু ক্ৰীড়া বিশ্ববিদ্যালয় মুকলি কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে খেলুৱৈৰ ওপৰত থকা আশাৰ হেঁচা বিষয়টো স্বীকাৰ কৰে যদিও ক্ৰীড়াবিদক শূন্য শতাংশ চাপ লৈ খেলত নিজৰ এশ শতাংশ দিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয় যে দেশে খেলুৱৈৰ কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠা দেখিছে। সফলতা যিমানেই খেলৰ অংশ, সিমানেই পুনৰ জয়ী হোৱাৰ প্ৰস্তুতিও খেলৰে অংশ। যোগ আৰু ধ্যানে ইয়াত বহুখিনি সহায় কৰিব পাৰে বুলি কৈ প্ৰধানমন্ত্ৰীয়ে যোগক দৈনন্দিন জীৱনৰ অংশ হিচাপে গঢ়ি তোলাৰ লগতে আগন্তুক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত উৎসাহেৰে অংশগ্ৰহণ কৰাৰ বাবে আহ্বান জনায়।

## আঘাতৰ বাবে উইম্বলডনৰ পৰা নাম প্ৰত্যাহাৰ অ'ছাকাৰ



**পেৰিছ, ১৯ জুন ঃ** আঘাতৰ বাবে আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পৰা আঁতৰি আহিল বিশ্বৰ প্ৰাক্তন এক নম্বৰ স্থানৰ প্ৰাক্তন খেলুৱৈ নাওমি অ'ছাকা। উল্লেখ্য যে জাপানৰ চাৰিবাৰৰ গ্ৰেণ্ডশ্লাম বিজয়ীগৰাকীয়ে টুইটাৰত এই বিষয়ে জনাইছে। উল্লেখ্য যে ইউক্ৰেইন আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে অল ইংলেণ্ড ক্লাবে ৰাছিয়া আৰু বেলাৰুছৰ খেলুৱৈক আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডনৰ পৰা নিষিদ্ধ কৰাৰ পিছত ৰেংকিং পইণ্ট কাঢ়ি লোৱাৰ বাবে এ টি পি আৰু ডব্লিউ টি এৰ সিদ্ধান্তক লৈ ২৪ বছৰীয়া অ'ছাকাই ইতিমধ্যে নেখেলিৰ কথা চিন্তা কৰিছিল। অ'ছাকাৰ টুইটটোত যদিও বিশেষভাৱে উইম্বলডনৰ কথা উল্লেখ কৰা হোৱা নাই, তথাপিও তাৰ লগত আছিল ঘাঁহৰ ক'ৰ্টত নিজৰ এখন ফটো, আৰু ঘাঁহৰ ব্লেডৰ ইমোজি। উল্লেখ্য যে জাপানী খেলুৱৈগৰাকীয়ে প্ৰথমবাৰৰ বাবে যোৱা মে'ত মাদ্ৰিদত অনুষ্ঠিত হোৱা প্ৰথমখন মেচত আঘাতৰ সমস্যাত ভুগিছিল। আনহাতে, আঘাতৰ বাবে তেওঁ পৰৱৰ্তী ইটালিয়ান অ'পেনৰ পৰাও আঁতৰি আহিবলগীয়া হৈছিল। উল্লেখ্য যে অহা ২৭ জুনৰ পৰা আৰম্ভ হ'ব গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডন।

### ৰাষ্ট্ৰীয় ৰেংকিং ৰ'লাৰ স্কেটিং প্ৰতিযোগিতা

## অসমৰ ছিফিয়া হাছিনৰ ৰূপ



**গুৱাহাটী, ১৯ জুন ঃ** অসমৰ ছিফিয়া হাছিনে দ্বিতীয় ৰাষ্ট্ৰীয় ৰেংকিং ৰ'লাৰ স্কেটিং প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰিছে। উল্লেখ্য যে চত্তিছগড়ৰ ৰাইপুৰত অনুষ্ঠিত হৈছে দ্বিতীয় ৰাষ্ট্ৰীয় ৰেংকিং ৰ'লাৰ স্কেটিং প্ৰতিযোগিতা। যোৱা সোঁতৰ জুনৰ পৰা আৰম্ভ হোৱা তথা চত্তিছগড় ৰ'লাৰ স্কেটিং সন্থাই আয়োজন কৰা দ্বিতীয় ৰাষ্ট্ৰীয় ৰেংকিং ৰ'লাৰ স্কেটিং প্ৰতিযোগিতাখনৰ আজি সফল সামৰণি পৰে। ভাৰতীয় ৰ'লাৰ স্কেটিং ফেডাৰেছনৰ বাৰ্ষিক প্ৰতিযোগিতাখনত অসমৰ ছিফিয়া হাছিনে ছোৱালীৰ সাত বছৰ অনূৰ্দ্ধ শাখাত অংশ লৈ ৰূপৰ পদক লাভ কৰিছে বুলি জনাই অসম ৰ'লাৰ স্কেটিং সন্থাৰ মানৱ মেধিয়ে।

### শিশুৰ পৰা জ্যেষ্ঠ নাগৰিকলৈ অংশগ্ৰহণ

## নগাঁৱত যোগাসন ক্ৰীড়া সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ১৯ জুন ঃ** নগাঁও জিলা যোগ সন্থাৰ উদ্যোগত নেহৰু যুৱ কেন্দ্ৰ, নগাঁৱৰ সভাগৃহত আজি দিনযোৰা কাৰ্যসূচীৰে নগাঁও জিলা ভিত্তিত এখনি যোগাসন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। কেৱল ছয় আৰু আঠ বছৰ অনূৰ্ধ্বৰ ল'ৰা-ছোৱালী তথা ৫০-৬০ বছৰ আৰু ৬০ বছৰ বয়সৰ উৰ্ধৰ পুৰুষ-মহিলাৰ বাবে মুকলি থকা এই প্ৰতিযোগিতাখনি আজি পুৱা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে এচিয়ান যোগ ৰেফাৰী,অৱসৰপ্ৰাপ্ত শাৰীৰিক শিক্ষাৰ নিৰ্দেশিকা তথা আয়োজক সমিতিৰ সভাপতি মঞ্জুলা লস্কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ ডেৰকুৰিৰো অধিক খেলুৱৈয়ে ভাগ লোৱা এই প্ৰতিযোগিতাৰ ছয় বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ শাখাত বৰ্ণাঢ্য দত্ত আৰু ছোৱালীৰ শাখাত বৰেণ্যা ভৰদ্বাজে প্ৰথমস্থান পায়। আঠ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ শাখাত সান্নিধ্য সমীৰ হাজৰিকা আৰু মিৰ্শীকিষ শইকীয়াই যুটীয়াভাৱে প্ৰথমস্থান অৰ্জন কৰাৰ বিপৰীতে ছোৱালীৰ শাখাত আৰোহী মজুমদাৰে প্ৰথমস্থান লাভ কৰে। ৫০-৬০ বছৰ বয়সৰ পুৰুষৰ শাখাত প্ৰভাত চন্দ্ৰ বৰা আৰু মহিলাৰ শাখাত ৰ'জি দেৱীফুকনে প্ৰথমস্থান লাভ কৰিছে। আনহাতে, ৬০ বছৰ বয়সৰ উৰ্ধৰ মহিলাৰ শাখাত বিচিত্ৰা ভূঞাই প্ৰথমস্থান অধিকাৰ কৰিছে বুলি নগাঁও জিলা যোগ সন্থাৰ সম্পাদিকা লিলি সন্দিকৈয়ে জনাইছে। ইপিনে, নগাঁও জিলা যোগ সন্থাই অসম যোগ সংস্থাৰ সৌজন্যত আৰু জিলা আইন সেৱা প্ৰাধিকাৰী, আই এন অ' সূৰ্য ফাউণ্ডেচন, জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়, এন ৱাই কে, অসম যোগ বিজ্ঞান মহাবিদ্যালয়, এন ই চি টি, ৰাজ্যিক যোগ কেন্দ্ৰ,নিৰ্বাণ আদিৰ সহযোগত নেহৰু যুৱ কেন্দ্ৰ, নগাঁৱৰ সভাগৃহতে অহা ২১ জুনত দিনযোৰাকৈ অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত কমন যোগ প্ৰট'কল কাৰ্যসূচীৰ লগতে বঁটা বিতৰণী সভা আৰু এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰিছে বুলি জিলা সমিতিৰ বিষয়ববীয়া প্ৰভাত চন্দ্ৰ বৰা আৰু বিজু শইকীয়াই লগতে জানিবলৈ দিয়ে। উল্লেখ্য যে,নগাঁও জিলাভিত্তিত আয়োজিত আজিৰ যোগাসন ক্ৰীড়াৰ প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় যোগ ৰেফাৰী নিজৰা বৰা,এম. লস্কৰ,সুদীপ্তা ডেকা,চন্দ্ৰ কান্ত বৰা,জয়াৰাণী ডেকা,প্ৰতিশ্ৰুতি শইকীয়া, বিচিত্ৰৰঞ্জন বৰা, আৰ.ডি.ফুকন আৰু এল.সন্দিকৈ বিচাৰকৰূপে আছিল।



## শৃংখলা ২-২

**বাংগালুৰু, ১৯ জুন ঃ** ভাৰত দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ পঞ্চম তথা অন্তিমখন মেচ আজি বাংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও বৰষুণৰ বাবে পৰিত্যক্ত হয়। ফলত শৃংখলাটো ২-২ ৰ ব্যৱধানৰে সমাপ্ত হয়। উল্লেখ্য যে প্ৰথম দুখন মেচত দক্ষিণ আফ্ৰিকা জয় হোৱাৰ পাছত ভাৰতে পৰবৰ্তী দুখন মেচত জয়ী হৈছিল। আজি ভাৰতে বেটিং কৰি ৩.৩ অভাৰত ২৮-২ ৰাণ কৰাৰ পাছতে মেচ বন্ধ হয়।

## ৰাষ্ট্ৰীয় এথলেটিকছত সাহিনাৰ দুটা পদক

অগ্ৰদূত বাৰ্তা



**মাটিয়া, ১৯ জুন ঃ** ভাৰতীয় এথলেটিকছ ফেডাৰেচনে গুজৰাটৰ বদোদ্ৰাৰ শ্বোৰাৰনিম গুজৰাট স্প'ৰ্টচ ইউনিভাৰ্ছিটিৰ উদ্যোগত মনজলপুৰ ষ্টেডিয়ামত অনুষ্ঠিত কৰা প্ৰথম বাৰ্ষিক ৰাষ্ট্ৰীয় মুকলি মাষ্টাৰ এথলেটিকছ প্ৰতিযোগিতাত গোৱালপাৰাৰ সাহিনা বেগমে দুটাকৈ পদক অৰ্জন কৰি গোৱালপাৰাৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে । উল্লেখ্য যে যোৱা ১৬ ৰ পৰা ১৯ জুনলৈকে অনুষ্ঠিত এই প্ৰতিযোগিতাখনত সাহিনাই দুটা ইভেণ্টত অংশ গ্ৰহণ কৰিছিল। ইয়াৰে লংজাম্পত ৰূপ আৰু এশ মিটাৰ দৌৰ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। উল্লেখ্য যে সাহিনাই গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অসম এথলেটিকছ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰথম বাৰ্ষিক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত ১০০ মিটাৰ দৌৰ আৰু লংজাম্পত সোনৰ পদক অৰ্জন কৰিছিল। এই সফলতাৰে গুজৰাটত ভাৰতীয় এথলেটিকছ ফেডাৰেচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে নিৰ্বাচিত হয়। উল্লেখ্য যে গোৱালপাৰা চহৰৰ চনবাৰীৰ বাসিন্দা তথা স্থানীয় ছোলেছ নাৰ্ছিং হোমৰ ৱাৰ্ড গাৰ্ল সাহিনা বেগমে ইতিপূৰ্বে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কেবাটাও পদক অৰ্জন কৰি গোৱালপাৰাৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

### ফিনলেণ্ডত সোণ জয়ৰে দ্বিতীয়টো পদক

## ডাইমণ্ড লীগৰ পূৰ্বে আত্মবিশ্বাস বৃদ্ধি কৰিলে নীৰজ চোপ্ৰাই

**নতুন দিল্লী, ১৯ জুন ঃ** ফিনলেণ্ডৰ কুওৰ্টেন গেমছত সোণ লাভ কৰিছে টকিঅ' অলিম্পিকৰ স্বৰ্ণজয়ী ভাৰতৰ নীৰজ চোপ্ৰাই। উল্লেখ্য যে জেভেলিন থ্ৰ' ইভেণ্টত সোণ জয় কৰি অলিম্পিক চেম্পিয়ন নীৰজ চোপ্ৰাই যোৱা চাৰিদিনৰ ভিতৰত দ্বিতীয়বাৰৰ বাবে বৰ্তমানৰ বিশ্ব চেম্পিয়ন এণ্ডাৰছন পিটাৰ্ছক পৰাস্ত কৰি ছিজনৰ প্ৰথমটো শীৰ্ষ প'ডিয়াম ফিনিছিং কৰিবলৈ সক্ষম হয়। ২৪ বছৰীয়া চোপ্ৰাই অপেনিং থ্ৰ'ত ৮৬.৬৯ মিটাৰ দূৰত্ব লাভ কৰি সোণ দখল কৰে। কাৰণ পাছৰ দুটা থ্ৰ' তেওঁৰ বিফল হয়। ইফালে, ২০১২ ৰ অলিম্পিকৰ চেম্পিয়ন কেশ্বৰ্ণ ৱালকটে প্ৰথম ৰাউণ্ডত ৮৬.৬৪ মিটাৰ নিক্ষেপ কৰি দ্বিতীয় স্থান লাভ কৰে। পিটাৰ্ছে ৮৪.৭৫ মিটাৰ বেষ্ট থ্ৰ'ৰে তৃতীয় স্থান দখল কৰে। ইয়াৰপূৰ্বে ফিনলেণ্ডৰ টাৰ্কুত অনুষ্ঠিত হোৱা পাভো নুৰ্মি গেমছত তাৰকাৰে ভৰা খেলপথাৰত দ্বিতীয় স্থান দখল কৰাৰ সময়ত নীজৰে ৮৯.৩০ মিটাৰ থ্ৰ' কৰিছিল। এই সফলতাৰে অহা ৩০ জুনত অনুষ্ঠিত হ'বলগীয়া ষ্টকহাম ডাইমণ্ড লীগৰ বাবে আত্মবিশ্বাস বৃদ্ধি কৰিছে ভাৰতীয় এথলীটগৰাকীয়ে। উল্লেখ্য যে টকিঅ' অলিম্পিকত ঐতিহাসিক সোণৰ পদক লাভ কৰাৰ পিছত ৮৯.৩০ মিটাৰৰ চমকপ্ৰদ থ্ৰ'ৰে নিজৰ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰি চোপ্ৰাই দৰ্শনীয় প্ৰত্যাৱৰ্তন ঘটাইছিল।




## জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবলৰ অংশগ্ৰহণকাৰী আঠটা দলৰ ছটা উপস্থিত হৈছে ডিমাকুছিত

অগ্ৰদূত বাৰ্তা

**টংলা, ১৯ জুন ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত অহা ২১ জুনৰ পৰা অনুষ্ঠিত হ'ব সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ উদ্যোগত তথা অসম ফুটবল এছ'চিয়েছন আৰু ভেৰগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগিতাত ১৭ বছৰ অনুৰ্ধ্ব ৰাষ্ট্ৰীয় হিৰো জুনিয়ৰ মহিলা ফুটবল প্ৰতিযোগিতা। ইতিমধ্যে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনৰ বাবে অভ্যৰ্থনা সমিতিয়ে প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে বান দুৰ্যোগৰ মাজতে ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ বাবে সাজু হৈছে ডিমাকুছি ষ্টেডিয়াম। অহা ২১ জুনৰ পৰা এই ষ্টেডিয়ামত অনুষ্ঠিত হ'ব গ্ৰুপ 'জি' আৰু গ্ৰুপ 'এইচ'ৰ খেল। গ্ৰুপ 'জি' ৰ দল চাৰিটা হ'ল আয়োজক অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট । আনহাতে, গ্ৰুপ 'এইচ' ত আছে জম্মু-কাশ্মীৰ, বংগ, তামিলনাডু আৰু ৰাজস্থান। ডিমাকুছি ষ্টেডিয়ামত চলিত ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ মুঠ ১২ খন মেচ অনুষ্ঠিত হ'ব। ইতিমধ্যে ঘোষণা কৰা খেলৰ সূচী অনুসৰি ২১ জুনত গ্ৰুপ 'জি'ৰ প্ৰথম খেলখন অসম বনাম পুডুচেৰীৰ মাজত অনুষ্ঠিত হ'ব। সিদিনাই দ্বিতীয় খেলখন হাৰিয়ানা আৰু গুজৰাটৰ মাজত অনুষ্ঠিত হ'ব গ্ৰুপ 'জি'ৰ অন্য খেলসমুহৰ সূচী হ'ল ঃ ২৩ জুনত প্ৰথম খেলখন গুজৰাট আৰু অসমৰ মাজত আৰু দ্বিতীয় খেলখন পুডুচেৰী আৰু হাৰিয়ানাৰ মাজত অনুষ্ঠিত হ'ব। আনহাতে, ২৫ জুনৰ দিনা প্ৰথম খেলখনত গুজৰাট মুখামুখি হ'ব পুডুচেৰীৰ। আনহাতে, উক্তদিনাৰ দ্বিতীয় খেলখনত অসমে খেলিব হাৰিয়ানাৰ বিৰুদ্ধে। ইফালে, গ্ৰুপ 'এইচ'ৰ ঘোষিত সূচী অনুসৰি ২২ জুনৰ প্ৰথম খেলখন জম্মু আৰু কাশ্মীৰ বনাম তামিলনাডুৰ মাজত তথা দ্বিতীয় খেলখন পশ্চিমবংগ বনাম ৰাজস্থানৰ মাজত অনুষ্ঠিত হ'ব। ২৪ জুনৰ প্ৰথম মেচত ৰাজস্থানে খেলিব জম্মু আৰু কাশ্মীৰ বিৰুদ্ধে। উক্তদিনাই দ্বিতীয় খেলখন তামিলনাডু আৰু পশ্চিম বংগৰ মাজত অনুষ্ঠিত হ'ব। ২৬ জুনৰ প্ৰথম মেচ তামিলনাডু বনাম ৰাজস্থান আৰু দ্বিতীয় খেলখন পশ্চিমবংগ বনাম জম্মু আৰু কাশ্মীৰ। ভেৰগাঁও জিলা ক্ৰীড়া সন্থাৰ সভাপতি-সম্পাদকে জানিবলৈ দিয়া অনুসৰি ইতিমধ্যে জম্মু-কাশ্মীৰ আৰু তামিলনাডুৰ বাদে বাকী দলসমূহ আহি উপস্থিত হৈছে। উল্লেখ্য যে ইয়াত হোৱা দুটা গ্ৰুপৰ চেম্পিয়ন দল দুটা যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ।

